ৰাজীৱ বৰুৱা

# নৈদানিক



নৈদানিক

# নৈদানিক

ৰাজীৱ বৰুৱা

পূৰ্বায়ণ
প্ৰকাশন

নৈ দা নি ক

ISBN : 978-93-90919-00-0

**প্ৰথম প্ৰকাশ**
ফেব্ৰুৱাৰী ২০২১

**মূল্য**
১৫০.০০ টকা

**প্ৰকাশক**
**পূৰ্বায়ণ প্ৰকাশন**
যশোৱন্ত পথ, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত
পাণবজাৰ, গুৱাহাটী-১
Email : purbayonindia21@gmail.com
Website : www.purbayonpublication.com
+৯১ ৯৮৬৪৪ ২২১৫৭

© **গ্ৰন্থস্বত্ব**
ৰাজীৱ বৰুৱা

**প্ৰচ্ছদ ফটোগ্ৰাফ, গ্ৰাফিক্স**
**আৰু অন্তৰ্ভাগৰ অংগসজ্জা**
কুশল দত্ত

Noidanik

A collection of short stories by Rajeev Baruah and published by Purbayon Publication, Panbazar, Guwahati-781001

First Edition : February 2021 Price ₹ : 150.00

*উছৰ্গা*

*লোপামুদ্ৰা আৰু জনাৰ্দনৰ হাতত*

## গল্প সূচী

ৰাতি || ১১

তেজৰ অসুখ || ১৫

প্ৰদাহ || ২২

প্ৰজন্ম || ২৮

সিহঁতৰ আনন্দ উপলক্ষত এটি অবোধ শিশু || ৩৪

তুলাচনীত সুনীলৰ প্ৰেম || ৪১

ক্লেদ, আচ্ছন্নতা ইত্যাদি || ৪৭

চৰিত্ৰ || ৫২

ফান্দী, পুত্ৰ আৰু নাতি || ৫৭

# আ গ ক থা

গল্পকাৰ মই নাছিলোঁ কোনোকালে। কবি নৰকান্তই ক'বৰ দৰে— 'মই কাহিনী সাজিব নাজানো'। এনে কিছুমান অভিজ্ঞতা সঞ্চয় কৰিছিলোঁ, যিবোৰ মোৰ প্ৰিয় মাধ্যম কবিতাৰ জৰিয়তে প্ৰকাশ কৰা সম্ভৱ নাছিল। গতিকে এই 'সমতলৰ মাধ্যম' ল'ব লগা হ'ল। মোৰ এই যথেচ্ছাচাৰত উদগনি যোগোৱাৰ বাবে কৃতজ্ঞতাৰে সুঁৱৰিছোঁ *প্ৰান্তিক* আলোচনীৰ সম্পাদকৰ কাম-মৈলাম লৈ থকা ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, সাময়িকভাৱে *প্ৰকাশ*ৰ সম্পাদকৰ দায়িত্ব লোৱা ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু 'বিকল্পবিহীন সম্পাদক' তথা এসময়ৰ আমাৰ প্ৰত্যক্ষ পথ প্ৰদৰ্শক চন্দ্ৰপ্ৰসাদ শইকীয়াক। সংকলনটো সজাই-পৰাই পঢুৱৈৰ হাতত তুলি দিয়াৰ প্ৰযুক্তি-সহযোগী, ভাইজান কুশল দত্ত আৰু গল্প সৃষ্টিৰপৰা এইপৰ্য্যন্ত সংকলন এটা উলিয়াবলৈ কুটুৰি থকা মোৰ শ্ৰীমতী মায়াশ্ৰী বৰুৱাৰো শলাগ ল'লোঁ। গদ্যভংগীত পঢুৱৈ সমাজে আমাক আদৰি ল'লে নথৈ কৃতাৰ্থ হ'ম।

ৰাজীৱ বৰুৱা  
সাংবাদিক ক'ল'নী, কাহিলিপাৰা, গুৱাহাটী-১৯  
২০ ডিচেম্বৰ, ২০২০

# ৰাতি

ট্ৰেন্সপ’ৰ্ট ষ্টেণ্ডৰপৰা খৰধৰকৈ পাবলিক বাছখনত উঠিলোঁ। চুটি-চাপৰ ড্ৰাইভাৰজনে প্ৰায় জঁপিয়াই উঠি কণ্ডাক্টৰৰ সংকেতলৈ অপেক্ষা কৰিলে। সংকেত পাই তাৰ চাৰি ইন্দ্ৰিয় সজাগ হৈ উঠিল। জৰাজীৰ্ণ এছফাল্টৰ ৰাস্তাটোৰে বাছখনে গতি ল’লে। যেন কান্দোন সামৰি আগ বঢ়া গৃহাভিমুখী ন-কইনাজনী! আৰম্ভণিবোৰ ঠিক এইদৰেই ক’ৰবাত হৈ যায়। বাহিৰলৈ চালোঁ— খিৰিকীৰ ফ্ৰেমত এখন দুগ্ধৱতী শস্যৰ পথাৰ।

দহ বছৰৰ মূৰত গাঁৱৰ ঘৰলৈ আহিছোঁ। এই সুদীৰ্ঘ কাল কি কাৰণে গাঁৱৰ স’তে মোৰ সম্পৰ্ক বিচ্ছিন্ন হৈ পৰিল ক’ব নোৱাৰোঁ। মোৰ প্ৰাইভেট কোম্পানীৰ চাকৰিৰ ব্যস্ততা, অনীহা নে নামহীন অহমিকা— ঠিক ক’ব নোৱাৰোঁ। বহুত কাৰণৰ মাজত এইবোৰো নিশ্চয়। কিন্তু এটা কথা সঁচা যে এই গাঁওবিমুখী মনোভাব একেদিনাই গঢ় লৈ উঠা নাই। যোৱা দহ বছৰকাল যুঁজি যুঁজি এজনী মানুহে আকৌ মোক গাঁৱলৈ টানি আনিছে। এই মানুহজনীৰ ছবিখনে মোক আজিও পীড়া দিবলৈ এৰা নাই। মোৰ নিস্পৃহতাক কম তুচ্ছ-তাচ্ছিল্য কৰা নাই! হয়, মহদা পেহীৰ কথা কৈছোঁ। পেহী মোৰ শৈশৱৰ চুম্বকীয় আকৰ্ষণ। ভদীয়াই জালত পোৱা দৈত্যটো সপোনত দেখি চক্ খাই পোৱা মোৰ ভয়াতুৰ ল’ৰালিৰ নিৰ্বিঘ্ন আশ্ৰয়। কেতিয়াবা শৈশৱলৈ জুমি চালে বহুতো ধোঁৱা ধোঁৱা স্মৃতিৰ মাজত দীৰ্ঘদেহী পেহীজনী উজলি উঠে।

চাকৰিৰ তাগিদাত দেউতাই এদিন পুৰণি ঘৰখন এৰিব লগা হৈছিল। পেহীৰ লগত সেই সময়তেই আছিল মোৰ শেষ দেখা। দেউতা বদলি হোৱাৰ খবৰ পাই গিৰীয়েকৰ স’তে পেহী ঢপলিয়াই আহিল। সোঁফালে সেওঁতা ফালি মোৰ চুলি ফণিয়াই ফণিয়াই সেইদিনা পেহীয়ে উচুপিছিল। উচুপনিৰ নিৰ্মম শব্দবোৰ ওলমি

ৰৈছিল মোৰ বহুতো আবেলিৰ বুকুত।

বিশাল নদীখন পাৰ হোৱা যাতায়াতৰ বাবে বা আন কিবা কাৰণতেই হওক পুৰণি ঘৰখনৰ লগত আমাৰ আহ-যাহ সঘন নহ'ল। দেউতাৰ মাক-দেউতাক কেতিয়াবাই ঢুকাল। মাজতে শুনিলোঁ, পেহীৰ গিৰীয়েকক অ' এন জি চিৰ গাড়ীয়ে খুন্দিয়ালে। সন্মুখত মোৰ বি এছ-চি ফাইনেল পৰীক্ষা। খবৰ কৰিবলৈ যাব নোৱাৰিলোঁ। লাহে লাহে পেহী হেৰাই গ'ল। স্মৃতি হ'ল। শুনিছোঁ আমাৰ পুৰণি গাঁওখন এতিয়া তৈলনগৰী হ'ল।

ময়ো এদিন ক'ল্ড ড্ৰিংক্‌ছ কোম্পানী এটাত কেমিষ্টৰ চাকৰি এটা পাই গুৱাহাটী পালোঁহি। বহুত কষ্টৰ মূৰত ভাৰাঘৰ এটা যোগাৰ কৰি ল'লোঁ। মেটেকাৰ দৰে গজি উঠা গগনচুম্বী অট্টালিকাবোৰৰ মাজত এটা সৰু অসম আৰ্হিৰ ঘৰ। চৌদিশে কংক্ৰিটৰ বতাহ। লেব'ৰেটৰীত সোমাই প্ৰথম দিনাই পুতিগন্ধ হাইড্ৰ'জেন ছালফাইড গেছ সহ্য কৰাৰ দৰে মহানগৰীক আঁকোৱালি ল'বলৈ বিশেষ কঠিন নহ'ল। লাহে লাহে মোৰ বাবে সহজ হৈ পৰিল নিঃসংগতাবৃত একাকিত্বভৰা নাগৰিক জীৱন। অথচ কিছুমান কথাই এতিয়াও মোক কষ্ট দিয়ে। বুকুখনৰ ক'ৰবাত বিষ অনুভৱ কৰোঁ। হয়তো মহদা পেহীৰ মৰমৰ উমাল সান্নিধ্যই এনেবোৰ কথা পীড়াদায়ক কৰি তোলে। যথা ঃ

মোৰ ভাৰাঘৰটোৰ সন্মুখতে এটা সুদৃশ্য অট্টালিকা। পাতাবাহাৰ ফুলেৰে ঘেৰি থকা ফুলনিখনত ফুলি আছে ক্ৰিচেনথিমাম। সময় যেতিয়া তিনি বাজি পোন্ধৰ মিনিট হয়, ঠিক তেতিয়াই প্ৰকাণ্ড লোহাৰ গে'টখন খুলি হাতত স্কুলীয়া বেগটো লৈ গোগী সোমাই আহে। চকুৰে-মুখে তাৰ ক্লান্তি। সি দুৱাৰখনত দাঁত নিকটাই ওলমি থকা টাইগাৰ লক্‌টোলৈ চায়। মোজাইক কৰা বাৰাণ্ডাখনত তাৰ ধুনীয়া বেগটো থেকেচা মাৰি থৈ বেজাৰ মনেৰে বহি থাকে। সন্মুখৰ ৰাস্তাটোৰে অহা-যোৱা কৰি থকা চিটিবাছবোৰলৈ সি চায়। তাৰে এখনত কলেজৰ শিক্ষয়িত্ৰী মাক আহিব। ৰঙা মাৰুতি দেখিলে সি আগ্ৰহেৰে থিয় হয়— ইঞ্জিনীয়াৰ দেউতাক আহিব। ইখনৰ পিছত সিখনকৈ গাড়ীবোৰ পাৰ হৈ যায়। ৰাস্তালৈ চাই চাই তাৰ সৰু চকুহাল বোধহয় বিষায়। হাই পাৱাৰ চছ্‌মাযোৰ খুলি চকুহাল মোহাৰে। চৰম হতাশাত সি বাৰাণ্ডাতে বাগৰ দিয়ে। হঠাৎ সি ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰে।

স্কুলৰপৰা আহি গোগীয়ে আজি-কালি প্ৰায়েই এইদৰে বাৰাণ্ডাত ৰৈ থাকে। নিৰৱকাশ মাক-দেউতাকৰ এই উদাসীনতা ঘৰৰ কাম কৰা ল'ৰাটো উধাও হোৱা দিনৰপৰাই সি দেখি আহিছে। এইদৰে হয়তো মাক-দেউতাকৰ স্বতঃস্নেহৰপৰা বঞ্চিত হৈ গোগী মানসিকভাৱে পঙ্গু হৈ পৰিব।

কণ্ডাক্টৰৰ মাতত চিন্তাৰ যতি পৰিল। ল'ৰালৰিকৈ টিকটটো উলিয়াই দিলোঁ। মোৰ সহযাত্ৰীলৈ চালোঁ। এগৰাকী বৃদ্ধা। শুকান পুখুৰীৰ দৰে চকুহাল। বৃদ্ধাক গন্তব্যস্থানৰ বিষয়ে সুধিম বুলি ভাবিও ৰৈ গ'লোঁ। নীৰৱতাৰ সংগ-সুখ হেৰুওৱাৰ ভয়ত। সৰুতে অলপ সময় কথা নোকোৱাকৈ থাকিলেই পেহীয়ে "কি হৈছে তোৰ" বুলি ব্যতিব্যস্ত কৰি তুলিছিল। তথাপি আজি নীৰৱতাকে মই ভাল পালোঁ। বিশেষকৈ দীঘলীয়া যাত্ৰাবোৰত নীৰৱতাৰ সংগকে বাছি লওঁ। এক নিশ্ছিদ্ৰ নীৰৱতাৰ কোলাত কোঁচ-মোচ খাই কেঁচুৱাটোৰ দৰে সোমাই পৰোঁ। মনন জগতত অনৰ্গল অনুচ্ছ স্বৰে কথা কৈ থকা ভিতৰৰ মানুহটোৰ স'তে প্ৰগাঢ় হয় মোৰ অন্তৰংগতা। বাক্‌শক্তি দুৰ্বল হৈ পৰে। বাছৰ খিৰিকীৰ ফ্ৰেমত মৰা হাতীৰ দৰে পৰি আছে পাহাৰটো।

আমাৰ পুৰণি ঘৰখনত ভৰি দিয়েই মই অনুভৱ কৰিলোঁ, নিঃসাৰ বুঢ়া মানুহৰ দৰে থম-থমকৈ বহি আছে বিষণ্ণতা। বিৰাট পৰিয়ালটো ভাগি থানবান হ'ল। সকলোতে অৱক্ষয়ৰ চাপ। ড্ৰয়িং ৰুমত গজালৰ বন্ধনৰপৰা মুক্তিৰ সোৱাদ লোৱা বেতৰ চকীবোৰৰ বাও, ক্লেদভৰা কুছন, চাহ গছৰ ডালেৰে সজা পুৰণি টেবুলখন, উৱলি গৈ হোৱা বৰণহীন পদাৰ্থবোৰ, বেৰত পৰিচিত প'জ্ এটাত লাল বাহাদুৰ শাস্ত্ৰীৰ ফটো এখন, বিড়ি কোম্পানী এটাৰ এখন কেলেণ্ডাৰ— ক্ষয়িষ্ণু, শ্ৰীহীন নিৰ্জন এখন ঘৰ।

ঘৰখনত সোমায়েই পেহীৰ খবৰ ল'লোঁ। বৰমাই বোধহয় কথাটো নুশুনিলে। "মই চাহ কৰোঁগৈ, বহা" বুলি ভিতৰ সোমাল। বৰণহীন চাহকাপ তিতা ঔষধৰ দৰে গিলি আকৌ পেহীৰ কথা উলিয়ালোঁ। এনেতে সৰু বৰমা সোমাই অহাত আকৌ প্ৰসংগ সলনি হ'ল। মনতে ভাবিলোঁ পেহীৰ চাগৈ এইখন ঘৰৰ লগত আগৰ যোগাযোগ বিচ্ছিন্ন হ'ল।

আবেলি মই যোৱা গম পাই অনিল, দেবু, ডনহঁত আহিল। পুৰণি বন্ধু। আন্তৰিকতাৰ উম বেছি। বেছ কথা পাতিলোঁ। তৈল-নগৰীৰ নিস্তৰংগ স্বাদহীন জীৱন সিহঁতৰ বাবে হেনো দুৰ্বিষহ হৈ উঠিছে। মুক্তিৰ বতাহ লাগে। কথা প্ৰসংগত মহদা পেহীৰ কথা ওলাল। কথাবোৰ শুনি মোৰ সৰ্বশৰীৰ নিশ্চল হৈ পৰিল। মই যেন জড় পদাৰ্থ, মোৰ চকুৰ আগত যেন আকাশখন দুফাল হ'ল। তথাপি সিহঁতৰ আগত সহজ হ'বলৈ চেষ্টা কৰিলোঁ। সন্ধিয়া ওলাই গ'লোঁ চহৰখনৰ মজিয়ালৈ।

নতুন চহৰখনৰ দেহত ৰঙীন সাজ। ক'লা গোম সাপৰ দৰে পৰি থকা ৰাস্তাবোৰত অ' এন জি চিৰ গাড়ীবোৰৰ সশব্দ বিচৰণ। স্কুলৰ সন্মুখত ল'ৰালিতে দেখা মেটেকানিডৰাত গঢ়ি উঠিছে শাৰী শাৰী কাপোৰৰ দোকান— ছুপাৰ মাৰ্কেট। আমি সাঁতুৰিবলৈ শিকা বৰপুখুৰীটো পুতি স্থাপন কৰা হৈছে এটা ইস্পাতৰ উদ্যোগ।

দেবুহঁতে পেহীৰ বহুত কথাই ক'লে। গিৰীয়েকৰ মৃত্যুৰ পিছত জীৱিকাৰ সন্ধানত পেহীয়ে হাহাকাৰ কৰিছিল। পুৰণি ঘৰখনেও পেহীক উদ্ধাৰ কৰিব নোৱাৰিলে। বৃহৎ পৰিয়ালটো ইতিমধ্যে ভাগি থানবান হৈ পৰিল। লাহে লাহে তৈলনগৰীখন আগবাঢ়ি আহিল পেহীক ধৰ্ষণ কৰিবলৈ। এটা তুলনা-প্ৰৱণ মন লৈ নতুন চহৰখনত ঘূৰি-পকি দেবুহঁতৰ লগত এখন ৰেষ্টোৰাঁত সোমাব খুজিও মই থমকি ৰ'লোঁ। অনতিদূৰতে এগৰাকী তিৰোতাই এখন পাতত কিবা চেলেকি আছে। পৰিধানত এখন ভমকাফুলীয়া শাৰী। মুখমণ্ডলত উগ্ৰ প্ৰসাধনৰ অত্যাচাৰ। কাষত এজনী সৰু ছোৱালী। তায়ো পাতখন চেলেকিছে। মই তৎক্ষণাৎ চিনিব পাৰিলোঁ। সেয়া মহদা পেহী। পেহীৰ ওচৰলৈ যাব খোজাত দেবুয়ে মোক থাপ মাৰি ধৰিলে। সিহঁতে মোক যাবলৈ নিদিয়ে। "চা উৎপল, তোৰ লগতে আমাৰ মান-ইজ্জতৰ প্ৰশ্নও জড়িত আছে।" — অনিলে ক'লে। আমাক দেখি কাষৰ গুমটিটোত আড্ডা জমাই থকা চেঙেলীয়াকেইটাই কিৰীলি পাৰিলে। তথাপি মই নাছোৰ-বান্দা। পেহীক লগ পাবই লাগিব। দেবুহঁতৰপৰা জোৰ কৰি ওলাই আহিছোঁ। পেহীৰ ফালে আগবাঢ়িছোঁ। আন্ধাৰ ঘন হৈ আহিছে। বহুদিন যেন মই খোজ কঢ়া নাই। ভৰিবোৰ জঠৰ হৈ পৰিছে। মুখখন শুকাই গৈছে। তৈলনগৰীৰ তীব্ৰ উজ্বল পোহৰতো মই আন্ধাৰ দেখিছোঁ। অন্ধৰ দৰে খেপিয়াই ফুৰিছোঁ পথ। সৰ্বশৰীৰ ঘামি গৈছে। অথচ মই পিছলৈও খোজ দিয়া নাই। পেহীৰ কাষ চাপিছোঁ। পেহীয়ে মোক চিনি পোৱা নাই। পেহীৰ সেই তামৰঙী সুগঢ়ি মুখ, এযুৰি অপেক্ষমান ওঁঠ— য'ত আৱহমান কালৰ তৃষ্ণা— সকলো আজি ক্ষীয়মান। অবাক চকুহালেৰে পেহীয়ে মোলৈ চাইছে। এটা অশ্লীল হাঁহি মাৰি মই দিয়া পঞ্চাশটকীয়া নোটখন হাত পাতি ল'লে। তাৰ পিছত আৰু মই ৰৈ থকা নাই।

কিছুদূৰ আহি গম পালোঁ, পিছফালৰপৰা কোনোবা দৌৰি আহিছে। ঘূৰি চাও, পেহীৰ সেই অস্থি-চৰ্মসাৰ ছোৱালীজনী। ফোপাই ফোপাই তাই ক'লে, "মায়ে সুধিছে, আপোনাৰ বাবে মা ৰাতি ক'ত ৰ'ব লাগিব?"

পূৰ্ব প্ৰকাশ ঃ প্ৰকাশ, মে', ১৯৮৮, ১৩শ বছৰ, ৭ম সংখ্যা



# তেজৰ অসুখ

আকস্মিক জোকাৰণিটোৰ সুযোগ লৈ ৰতনে মানুহজনৰ গাত খুন্দা এটা মাৰিলে। কুঁৱাৰ পানীৰ দৰে নিশ্চল মানুহজনৰ মুখখন কিবা চিন্তাৰে আচ্ছন্ন। মানুহজনৰ ওফন্দি থকা পকেটটোৰ ফালে সোঁহাতৰ তৰ্জনীটো সতৰ্কতাৰে সি আগবঢ়াই দিলে। এতিয়া তাক আৰু এটা জোকাৰণি লাগে।

চিনেমা হলৰ ওচৰত ৰাস্তাটোত এটা প্ৰকাণ্ড গাঁত আছে। বহুদিন সি লক্ষ্য কৰিছে, তাতে বাছখনে এটা প্ৰকাণ্ড জোকাৰণি খায়। যাত্ৰীবোৰ সন্মুখলৈ ঢলি পৰে। বাহিৰলৈ নোচোৱাকৈয়ে সি কৈ দিব পাৰে— বাছখনে ঠাইডোখৰ এতিয়াও পাৰ হোৱা নাই। ব্যগ্ৰচিত্তে সি ৰৈ থাকিল।

তীব্ৰবেগী ট্ৰাক এখনক ছাইড দিবলৈ বাছখন গাঁতটোৰ ওচৰত লাহেকৈ ৰৈ গ'ল। বিমৰ্ষ হৈ ৰতনে হাতখন কোঁচাই আনিলে। ড্ৰাইভাৰৰ ওপৰত তাৰ প্ৰচণ্ড খং উঠিল।

কাষৰ যাত্ৰীজনৰ নিৰ্দয় হেঁচাটোত অতীষ্ঠ হৈ কিবা ক'ব খুজিও ৰতন ৰৈ গ'ল। সুযোগটো হেৰুৱাব নোৱাৰি। ইমান ওফন্দি আছে পকেটটো। সতৰ্ক চকুহালেৰে সি চাৰিওফালে চালে। চিনাকি ডঁহা-চকুৰা কণ্ডাক্টৰটোৱে তাৰ ফালে চাই আছে। প্ৰশ্ৰয়ৰ চাৱনি। সি নিৰ্ভয় হ'ল। চাৱনিৰ অৰ্থ পৰিষ্কাৰ। তাকো ভাগ লাগিব। কাম হাচিল হ'লে দহ টকামান।

সকলোৱে অলক্ষিতে ৰতনে তাৰ সোঁ হাতখনলৈ চালে। অসংখ্য ক'লা দাগপুষ্ট এখন জীৰ্ণ হাত। এই হাতখনৰ অভাৱনীয় সিদ্ধিৰ বাবেই সি চিনেমা হলত টিকেট ব্লেক কৰিবলৈ এৰি দিব পাৰিলে। বাহিৰত ঘূৰি ফুৰোঁতে প্ৰায়ে সি

হাতখন পেণ্টৰ জেপত ভৰাই থয়। দেহৰ উত্তাপত হাতখন তেজী হৈ থাকে। আকৌ সি হাতখনলৈ চালে— যেন এডাল কাৰ্শলা সাপ! লাহে লাহে বগাই গৈছে। কুৎসিত নখবোৰে যেন সাপৰ জিভাৰ দৰে লক্‌লকাই উঠিছে।

মানুহজনে কিয় জানো— হঠাতে এবাৰ জেপটো পৰীক্ষা কৰিলে। কেইবাবাৰো খৰধৰকৈ জেপবোৰত হাত ভৰাই তেওঁ থমকি ৰ'ল। তললৈ চালে। ক'তো পৰা নাই। ৰতন যাত্ৰীবোৰৰ মাজেদি আৰু অলপ আঁতৰি গ'ল।

লুণ্ঠিত মানুহজনৰ বিমৰ্ষ মুখৰপৰা ওলোৱা ঘোষণাটো শুনি প্ৰায় সকলো যাত্ৰীয়েই উদ্বিগ্নভাৱে তেওঁৰ ফালে চালে। তাৰ পাছত আৰম্ভ হৈ গ'ল চিঞৰ-বাখৰ, হুলস্থূল, পকেটমাৰৰ চৈধ্য পুৰুষ উদ্ধাৰি শ্লীল-অশ্লীল গালি-শপনি, হুংকাৰ ইত্যাদি। ফুটব'ৰ্ডত উলমি যোৱা যাত্ৰীবোৰে বাছখন ৰখাবৰ বাবে বাছখনৰ গাত এনেকৈ ঢকিয়ালে যেন এক ডজন ফটকাহে একে লেথাৰিয়ে বিস্ফোৰিত হ'ল।

ট্ৰেফিক পইণ্টটোত বাছখন সেউজীয়া সংকেতৰ বাবে অপেক্ষা কৰোঁতে হুৰমূৰকৈ বহুতো যাত্ৰী নামিল। জঁপিয়াই, গঁতিয়াই ঠেলি-হেঁচুকি দুগুণমান উঠিলো। এক বিশৃংখল পৰিস্থিতি। হঠাতে দুজনমানে চিঞৰিলে— সেইটো, সেইটো, নামিল, পলাল। ধৰ ধৰ— ইত্যাদি। ঠিক সেই সময়তে সেউজীয়া সংকেত পাই বাছখন চলিল। মলিয়ন পোছাক পিন্ধা অবিন্যস্ত চুলিৰ ল'ৰা এটা বাছৰপৰা নামি গৈছিল। সকলো যাত্ৰীয়ে মূৰ উলিয়াই, ডিঙি মেলি, কুঁজা হৈ ল'ৰাটোক চোৱাৰ চেষ্টা কৰিলে। ইতিমধ্যে সি জনসমুদ্ৰত মিলি গৈছিল। সেই সুযোগতে ৰতনে নোটৰ বাণ্ডিলটো পেণ্টৰ ইনাৰ পকেটত ভৰাই ছিটি এটা পাই বহি পৰিল। যাত্ৰী এজনে কোৱা শুনিলে— "ক'লৈ যাব সি। এদিন নিশ্চয় ধৰা পৰিব।"

বাছখনে যথাসম্ভৱ গতি লৈছে। ৰতনে আঁৰ চকুৰে লুণ্ঠিত মানুহজনলৈ চালে। মানুহজনৰ চকুৰে-চকুৰে পৰাত সি চকুহাল মোহৰা যেন কৰি নমাই আনিলে। প্ৰথমবাৰৰ বাবে তাৰ ভয় লাগিল। হৃদ্‌স্পন্দন দ্ৰুত হ'ল। মানুহজনে যেন নিষ্পলকভাৱে তাৰ ফালে চাই আছে। গোয়েংকা ছাৰ্টিংছৰপৰা নতুনকৈ কিনা দুশটকীয়া ছাৰ্টটো ঠিক কৰি সি পাৰ্য্যমানে সহজ হ'বলৈ চেষ্টা কৰিলে। কোনো তুচ্ছ কথাই যেন তাক স্পৰ্শ নকৰে। খিৰিকীৰ ফ্ৰেমেৰে সি বাহিৰলৈ চালে। নাতিদূৰৰ টিলাটোত সোণাৰু ফুলিছে। গছ-গছনিবোৰত লাগি আছে বতাহৰ খবৰ। বাছখনৰ ভিতৰলৈ পোৱা ডিজেল আৰু ধূলিৰ গোন্ধ লৈ বতাহ এজাক সোমাই আহিছে।



মাজে মাজে কংক্ৰিটৰ দেৱালবোৰে বাধা দিয়া তাৰ দৃষ্টি হঠাৎ সন্মুখৰ খেলপথাৰখনলৈ প্ৰসাৰিত হৈছে...।

লুণ্ঠিত মানুহজনে তাৰ ফালে চাইছে। ঘঁড়ীটো খুলি পকেটত ভৰাই থৈছে। ভিৰৰ মাজে মাজে আগুৱাই লাহে লাহে তাৰ ওচৰ পাইছেহি। উন্মাদ আক্ৰোশত তেওঁৰ চকু-মুখ তেজাল হৈ পৰিছে। তেওঁ তাৰ বুকুখনত খামুচি ধৰিছে। তেওঁৰ প্ৰকাণ্ড হাতখনৰ মাংসপেশীবোৰ অলপ আগতে কটা ছাগলীৰ মাংসৰ দৰে থক-থককৈ কঁপিছে। হাতযোৰ কৰি সি মানুহজনৰ শিল যেন ভৰিত পৰিছে। তাৰ পাছত এটা শোভাযাত্ৰাৰ দৰে যাত্ৰীবোৰ তাৰ ওচৰলৈ আহিছে। সকলোৰে কৈছে প্ৰত্যেকৰে কিবা এটা হেৰাইছে; বহুদিন ধৰি বিচাৰি আছে। তাৰ পাছত "বাষ্টাৰ্ড" বুলি চিঞৰ মাৰি লুণ্ঠিত মানুহজনে তাৰ গালত এটা প্ৰকাণ্ড চৰ মাৰিলে—

এক শীতল স্পৰ্শত তাৰ তন্দ্ৰা ভাগিল।

"লেডীছ ছীট। এৰি দিয়ক।"

সি খপ্‌জপ্‌কৈ উঠিল। বাছখনৰ ব'ডীত থকা লোহা এডালত ধৰি সি পোন হ'বলৈ চেষ্টা কৰিলে। গোপনে সি আকৌ মানুহজনক চালে। নিস্তেজ চকুহালেৰে মানুহজনে বাহিৰলৈ চাই আছে। ঘটনাটোক কেন্দ্ৰ কৰি আলোচনা চলি আছে।

বুজিছে, মই সি বাছত উঠোঁতেই সন্দেহ কৰিছিলোঁ।

ড্ৰেছ-পাতি দেখি মোৰো সন্দেহ হৈছিল।

কিমান নিলে হেৰি?

৭০০মান। বেছিও হ'ব পাৰে।

ইমান টকা জেপত লৈ মানুহ অলপ সাৱধান হ'ব লাগে। (অনুচ্চ কণ্ঠত)

হেৰি শইকীয়া, মই বুজিছে— সি ঠেলা-হেঁচা কৰাও দেখিছিলোঁ।

অবিন্যস্ত চুলিৰ ল'ৰাটোক যাত্ৰীবোৰে যেন হাতে-লোটে ধৰিয়েই পেলালে। কাষৰ যাত্ৰীগৰাকীৰপৰা ভাৰা লোৱাৰ ছলেৰে উঁহা-চকুৰা কণ্ডাক্টৰটোৱে ৰতনক লাহেকৈ চিকুটি দিলে।

শীৰ্ণ পথটোৱেদি স্পিড-মিটাৰৰ কাঁটা ত্ৰিছৰ ঘৰলৈ তুলি বাছখন গৈ থাকিল। ভিতৰত ঘটনাটোৰ মৰণোত্তৰ অস্ত্ৰোপচাৰ চলি থাকিল। বহু দিনৰ মূৰত মানুহবোৰে যেন এটা সৰ্বসন্মত বিষয় পাইছে। কেইজনমানে স্মৃতি আৰু অভিজ্ঞতা মথিছে। সোণালী ফ্ৰেমৰ চছ্‌মা পিন্ধা যাত্ৰীজনৰ কাষত থূপ খাইছে কেইবাজনো যাত্ৰী।

তেওঁৰপৰা মনোযোগেৰে শুনিছে জেপ লুৰুকাৰ বাসস্থান, বিচৰণ ভূমি আৰু বৃত্তিগত কৌশলৰ বিচিত্ৰ কাহিনী। শ্ৰোতাৰ চাহিদা লক্ষ্য কৰি যাত্ৰীজন অধিক সৰৱ হৈ উঠিছে। মগ্নচিত্তে কাহিনী শুনি থাকোঁতে কোনোবা এজনে স্বস্থানত নামিবলৈ পাহৰি গৈছে। সৰ্পিল গতিৰে ভিতৰলৈ সোমাই আহিছে ডেকা কেইটামান। শ্ৰোতাৰ সংখ্যা আৰু বৃদ্ধি পোৱাত বক্তাৰ কণ্ঠত যেন সৰস্বতী লম্ভিছে। কাৰোবাৰ জোতাৰ গচকত চিৎকাৰ কৰি উঠিছে এজন বৃদ্ধই। কালৈকো ভ্ৰূক্ষেপ নকৰি মানুহজনে কথা কৈ আছে। যেন কথা ক'বলৈকে তেওঁৰ জন্ম!

নামিবলৈ উদ্যত মহিলা এগৰাকীয়ে কাৰোবাক ধমক দিছে— "হেৰি ৰাস্তাটো এৰি নিদিয়ে কিয়?" কিলাকুটিৰে ভিৰ ফালি মহিলাগৰাকী দুৱাৰৰ ফালে আগবাঢ়িছে। বাছৰ ছীটৰ গজাল এটাত তেওঁৰ শাৰীখনৰ আগটো লাগি ধৰিছে। কোনোবাই ব্যস্ত হাতেৰে আগটো এৰুৱাই দিছে। যথেষ্ট উষ্মাৰে মানুহগৰাকী নামি গৈছে।

যিকোনো ষ্টপতে ৰতন নামি যাব পাৰে। কিন্তু ধৰা পৰাৰ ভয় নাই যেতিয়া সি একেবাৰে ষ্টেচনলৈকে যাব। আচলতে সোণালী ফ্ৰেমৰ চছ্‌মা পিন্ধা মানুহজনৰ কাহিনীয়ে তাক মুগ্ধ কৰিছে। ইমান ভালকৈ সিহঁতৰ বিষয়ে গল্প ক'ব পৰা মানুহ আগতে সি লগ পোৱা নাই। উৎকৰ্ণ হৈ সি মানুহজনৰ কথাবোৰ শুনি থাকিল।

"অলপতে কলিকাতালৈ গৈছিলোঁ। মোৰ মাজুটো ল'ৰা থাকে তাত। বহু ঠাইত ঘূৰি-পকি ভাবিলোঁ ট্ৰামতে উঠোঁ। ট্ৰামত আহি আছোঁ। ভিক্টোৰিয়া মেম'ৰিয়েলৰ ওচৰ পাইছোঁহি। এনেতে লাগিল চিঞৰ-বাখৰ। হুলস্থূল। ভিৰৰ মাজত ক'ত কি হৈছে তৎ ধৰিব পৰা নাই। ভিৰ ফালি গৈ দেখিলোঁ ক্ষীণকায় ল'ৰা এটাক বহুতে লপা-থপা কৰিছে। জেপলুৰুকোঁতে সি হেনো ধৰা পৰিল। অলপ পাছতে ৰাজহুৱা চৰ-ভুকু-কিল্ তাৰ গাত দবা-পিটা বৰষুণ পৰাদি পৰিল। সকলোৰে ভৰিত পৰি সি কাবৌ-কাকূতি কৰিছে। কাণত ধৰি বাৰে বাৰে শপত খাইছে। পিছে মাৰ-পিটৰ কোব চৰিহে গৈছে। তাৰ পাছত দেখিলোঁ সি জেপৰপৰা হঠাৎ ব্লে'ড এখন উলিয়াই নিজৰ গাতে ৰেপিবলৈ ধৰিলে। তাৰ হাত-বুকু তেজেৰে তুমৰলি হ'ল। তেজ দেখি তাক মানুহে এৰি দিলে। পাছ মুহূৰ্তত এক অদ্ভুত কৌশলেৰে সি ট্ৰামৰপৰা জঁপিয়াই দিলে। পাছতহে গম পালোঁ এনেকুৱা জেপলুৰুকা কলিকাতাত আজিকালি দেখাৰ।" কাহিনীটো কৈ মানুহজনে যাত্ৰীবোৰলৈ চালে। সকলোৰে চকু বিস্ময়ত মুগ্ধ।

ৰতন কেতিয়াও কলিকতালৈ যোৱা নাই। ট্ৰাম গাড়ী সি দেখা নাই। কিন্তু এখন স্পষ্ট ছবি তাৰ চকুৰ আগত ভাহি উঠিল। আজিৰপৰা সিও এখন ব্লেড লৈ ফুৰিব। সৰু চুৰিখনেৰে নচলিব। কিন্তু জেপলুৰুকাটোৰ মুখখন আৰু ৰক্তাক্ত বুকুখনৰ ছবি তাৰ মনত ভাহি উঠাত পাছ মুহূৰ্ততে সি নিৰুৎসাহ হ'ল। তাৰ সোঁ ভৰিখনৰ কটা দাগটোলৈ মনত পৰিল। আৰোগ্য হোৱা ঘা-ডোখৰতে যেন সি বিষ অনুভৱ কৰিলে।

সোণালী ফ্ৰেমৰ চছ্‌মা পিন্ধা মানুহজনে আৰু এটা কাহিনী আৰম্ভ কৰিলে। শ্ৰোতাৰ আগ্ৰহ অক্ষুণ্ণ। বাছত উঠিয়েই— অমুক মন্ত্ৰীক লগ পাই আহিলোঁ— বুলি সকলোৰে শুনাকৈ ঘোষণা কৰা ডেকাজনো কাহিনী শুনাৰ বাবে উৎকৰ্ণ হৈ মানুহজনৰ ফালে অকণমান আগুৱাই গ'ল।

কিন্তু মানুহজনে কাহিনীটো শেষ কৰাৰ আগতেই তেওঁ নামিবলগীয়া ষ্টপটোত বাছখন ৰৈ গ'ল।

অলপ পাছত ৰতনে এবাৰ বাছখনৰ ভিতৰখন চাই ল'লে। তাৰ হয়তো আৰু ধৰা পৰাৰ ভয় নাই। লুণ্ঠিত মানুহজন সোণালী ফ্ৰেমৰ চছ্‌মা পিন্ধা মানুহজনৰ লগতে নামি গৈছে।

লেডীজ ছীটৰ দ্বিতীয় শাৰীটো খালী হৈছে। ৰতনৰ ভৰিৰ এসময়ত ঘা লগা ঠাইডোখৰ আকৌ বিষোৱা যেন লাগিল। সি খিৰিকীৰ কাষৰ লেডিজ ছীটটোত বহি পৰিল।

সন্মুখত দুগৰাকী বয়সীয়া মহিলা। এগৰাকীয়ে কথা কৈছে, ইগৰাকীয়ে শুনিছে।

ৰতনে এনেয়ে মহিলা দুগৰাকীৰ চুলিখিনিলৈ চালে; কিন্তু অলপ পাছতে তাৰ দৃষ্টি কথা কৈ থকা মহিলাগৰাকীৰ খোপাটোত নিবদ্ধ হৈ ৰ'ল। এখন মৌ-চাকৰ দৰে খোপাটো। অপলক দৃষ্টিৰে সি খোপাটোলৈকে চাই থাকিল। তাৰ স্পষ্টকৈ মনত আছে তাৰ মাকেও ঠিক এনেকৈয়ে খোপা বান্ধিছিল। যেন এখন মৌ-চাক! হঠাৎ মানুহগৰাকী তাৰ বৰ আপোন যেন লাগিল।

মহানগৰীখনৰ ক্ৰমবৰ্ধমান চৌহদৰ শেষ ভাগলৈ শ্লথ গতিৰে বাছখন আগবাঢ়িছিল। গোটেই দিনটো একেবোৰ ঠাইলৈকে বাৰে বাৰে অহা-যোৱা কৰি

ৰতন যেন ক্লান্ত হৈ পৰিছিল। তাৰ চকুৰ পতাবোৰ গধুৰ গধুৰ লাগিছিল। বাছখনৰ তীব্ৰ জোকাৰণি এটা হওঁতে সি পিছলৈ ঘূৰি চালে। প্ৰায়বোৰ যাত্ৰী ইতিমধ্যে নামি গৈছে। সি আলফুলে নোটৰ বাণ্ডিলটো চুই চালে। এটা শিহৰণ বৈদ্যুতিক দ্ৰুততাৰে তাৰ শৰীৰেদি বৈ গ'ল।

প্ৰৌঢ়া মহিলাগৰাকী তেতিয়াও সহযাত্ৰীৰ সৈতে কথা পতাত ব্যস্ত। যাত্ৰীশূন্য বাছখনত ৰতনে এতিয়া স্পষ্টকৈ শুনা পাইছে মহিলা দুগৰাকীৰ কথোপকথন। প্ৰৌঢ়া মহিলাগৰাকীয়ে কৈছে, "...শেষত ল'ৰাটোৱে নিজেই স্বীকাৰ কৰিলে— সি এটা জেপলুৰুকা। আগতে সি হেনো চিনেমা হলৰ টিকেট ব্লেকাৰ আছিল। কণ্ডাক্টৰটোৱে তাক পুলিচত গতাই দিব খুজিলে। কিন্তু কেনেকৈনো সি বাছৰপৰা জঁপিয়াই দিলে ধৰিবই নোৱাৰিছোঁ বুজিছে!"

তীব্ৰ আগ্ৰহেৰে কথাবোৰ শুনি যোৱা ৰতনে ক্ৰমশঃ এক প্ৰচণ্ড গুম্‌গুমনিৰ বাহিৰে যেন আন একো নুশুনা হ'ল। সৰ্বশৰীৰ তাৰ অৱশ লাগিল। সি ধৰা পৰিল। সেই ল'ৰাটো সিয়েই আছিল। মহিলাগৰাকীয়ে তাক নিশ্চয় চিনি পোৱা নাই। অথচ সি অনুভৱ কৰিলে মৌচাকৰ নিচিনাকৈ খোপা বন্ধা এগৰাকী প্ৰৌঢ়া মহিলাই তাক ধৰা পেলালে। সি মহিলাগৰাকীৰ ফালে আৰু চাব নোৱাৰিলে।

"বহুতো সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰায়ো বোলে পকেট মাৰে।"

"ইহঁতৰ তেজতে কিবা বেমাৰ আছে।"— প্ৰৌঢ়াৰ কথাত সহযাত্ৰীয়ে হয়ভৰ দিলে।

বহু পৰৰ মূৰত ৰতনে আকৌ মহিলাগৰাকীলৈ চালে।

বাছখন ষ্টেচন পালেহি। অগণন যাত্ৰী ৰৈ আছে। বাছখন ৰ'বলৈ নাপাওঁতেই দৌৰি, জঁপিয়াই, দপ্‌দপাই কিছুমান যাত্ৰী উঠি আহিল। ছীটৰ বাবে দুৰ্বাদল প্ৰতিযোগিতা। ৰতনে দেখিলে যাত্ৰীৰ ভিৰৰ বাবে প্ৰৌঢ়া মহিলাগৰাকী তেতিয়াও নামি যাব পৰা নাই। সি মানুহগৰাকীৰ খোপাটোলৈ চালে। হঠাতে তাৰ গাত গা ঘঁহাই যোৱা মানুহ এজনে তাক সচকিত কৰি তুলিলে। সি তললৈ চালে। মানুহজনৰ পেণ্টৰ পকেট এটা অতি লোভনীয়ভাৱে ওফন্দি আছে। মানুহজন সেই আগৰ মানুহজনৰ নিচিনাই ক্ষীণকায়। তেওঁৰ মুখখন নিস্তেজ, এক অসহায়তাৰ ভাবে আবৰি আছে।

ৰতনে বাছখনৰপৰা নামিব খুজিলে, কিন্তু মানুহেই যেন তাক নামিবলৈ



দিয়া নাই।

দুৱাৰেদি সি বাহিৰলৈ চালে। প্ৰৌঢ়া মহিলাগৰাকী নামি গৈছে। তেওঁ সন্মুখৰ সেউজীয়া পথাৰখনত খোজ দিছে। চুটি চুটি খোজবোৰ। ঠিক যেন তাক পূজা দেখুৱাবলৈ নিয়া তাৰ মাকৰ সেই খোজবোৰ!

গছ এজোপাৰ ছাঁত মহিলাগৰাকী ৰৈ গ'ল। কিন্তু সি যেন ক্ৰমশঃ মহিলাগৰাকীৰপৰা বহুযোজন আঁতৰি গৈয়ে আছে।

ওফোন্দা পকেটৰ যাত্ৰীজন তাৰ নিচেই কাষতে থিয় হৈ আছে।

গাৰ জোৰেৰে মানুহ ঠেলি ৰতন খৰধৰকৈ বাছখনৰপৰা নামি আহিল।

পূৰ্ব প্ৰকাশ ঃ প্ৰান্তিক, ১-১৫ জুলাই, ৮ম বছৰ, ১৫শ সংখ্যা, ১৯৮৯

# প্ৰদাহ

চকু মেলিয়েই সংৰামে শিতানতে থোৱা ঘড়ীটোলৈ চালে। পুৰা পাঁচ বাজিছে। ৰাতি তাৰ ভাল টোপনি নহ'ল। চকুহাল পুৰিছে। আজি সাত বজাৰপৰাই ডিউটী আছে। ক্ষিপ্ৰতাৰে সি বিছনাৰপৰা উঠিল। প্ৰাতঃক্ৰিয়া কৰিয়েই আৰ্চিৰ সন্মুখ পালেহি। তাৰ মুখমণ্ডলত চাৰি দিন নুখুৰোৱা ডাঢ়ি। সযত্নপালিত গোঁফকোছা লহ্‌পহ্‌কৈ বাঢ়িছে। ধেনুভিৰীয়া হৈ গৰ্বৰে ওপৰলৈ উঠিছে।

ঃ ঐ তোৰ গোঁফকোছা বীৰাপ্পানৰ লেখীয়া কৰিব খুজিছ নেকি? ধেমালিৰ সুৰত অ'চি চাংমায়ে তাক সুধিলে। একো নামাতি সি গোঁফৰ তলতে হাঁহে...।

অন্য দিনা হোৱা হ'লে সি ইমান পৰে আৰম্ভ কৰিলেহেঁতেন ক্ষৌৰকাৰ্য্য। কিন্তু আজি সি ছেলুট মাৰি আৰ্চিৰ সন্মুখতে বহুপৰ থিয় হৈ থাকিল। আজি সিহঁতৰ সৰু চহৰখনলৈ মুখ্য মন্ত্ৰী আহিব। মুখ্য মন্ত্ৰীৰ বিশাল মটৰ কেডটো তাৰ সন্মুখেদি পাৰ হৈ নোযোৱা পৰ্য্যন্ত ছেলুট দি সি দৃঢ়ভাৱে একে ঠাইতে থিয় হৈ থাকিব। সুদীৰ্ঘ নবছৰ সি এইদৰে তাৰ হাকিম চাহাবসকলক চালাম ঠুকি আহিছে। এই মুদ্ৰাভংগীত সি সিদ্ধহস্ত। তথাপি আজি ন-শিকাৰুৰ দৰে আৰ্চিৰ সন্মুখত বহু সময় ধৰি চলিল তাৰ হস্ত সঞ্চালন।...

মুখ্য মন্ত্ৰীৰ আগমনক লৈ আৰক্ষী থানাখনৰ সকলো উদ্বিগ্ন। দিনে-নিশাই সকলোৰে অন্তহীন ব্যস্ততা। প্ৰথমবাৰৰ বাবে মুখ্য মন্ত্ৰীয়ে এই সৰু চহৰখনত পদাৰ্পণ কৰিব। এখন হাস্পতালৰ আধাৰশিলা স্থাপন কৰিব। তাৰ পিছত এখন ৰাজহুৱা সভাত ভাষণ দিব। ঠাইখনত জিলা প্ৰশাসনৰ সকলো উবুৰি খাই পৰিছেহি। ৰচনা কৰা হৈছে ছিদ্ৰহীন নিৰাপত্তা বেষ্টু। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণ সফল কৰিবই



লাগিব। স্বাভাৱিকতে সংৰামো এইকেইদিন ভিতৰি ভিতৰি উত্তেজিত, অধীৰ।

পুৰণি ৰেজৰডালত নতুন ব্লেড এখন ভৰাই সংৰামে পুনৰ আৰ্চিৰ সন্মুখলৈ আহিল। নতুন ব্লেডখনে পৰিপাটিকৈ উচ্ছেদ কৰি দিলে তাৰ ঠৰঙা ডাঢ়িবোৰ।...

ছাইৰেন বাজিছে। নাতিদূৰত মুখ্যমন্ত্ৰীৰ বিশাল মটৰ কেডটো। এইমাত্ৰ তড়িৎ গতিৰে তাৰ সন্মুখেদি পাৰ হৈ গৈছে ৱাৰ্নিং কাৰখন। সংৰাম দৃঢ়ভাৱে থিয় হৈ আছে। পেশীবহুল সোঁহাতখন বিশেষ কায়দাৰে ওপৰলৈ নিছে। এটা দৰ্শনীয় ছেলুট মাৰিছে। হঠাৎ কি হ'ল। মুখ্যমন্ত্ৰীৰ গাড়ীখন নিমিষতে ৰৈ গ'ল। সি নিৰ্বিকাৰ। ব্লেককেটেৰে পৰিৰেষ্টিত হৈ মুখ্যমন্ত্ৰী নামি আহিছে তেওঁৰ বাতানুকূল গাড়ীখনৰপৰা। প্ৰট'কল ভংগ কৰি মুখ্যমন্ত্ৰী তাৰ কাষ পালেহি।

ঃ কি নাম তোমাৰ?

ঃ সংৰাম ছাৰ।

ঃ তুমি ভালকৈ ছেলুট মাৰিব জানা। অচিৰেই তোমাৰ প্ৰমোচন হ'ব।

যোৱা নবছৰে যিটো নহ'ল আজি সামান্য এটা মুদ্ৰাভংগীতে সেয়া হৈ গ'ল। আনন্দত উত্ৰাৱল হৈ সংৰামে মুখ্যমন্ত্ৰীক আৰু এটা ছেলুট মাৰো বুলি হাত দাঙোঁতেই এটা বিষ অনুভৱ কৰিলে। তাৰ মসৃণ গালখনত নতুন ব্লেডখনৰ যথেচ্ছাচাৰ। ক্ষতস্থানৰপৰা তেজ নিগৰিছে। তৎক্ষণাৎ সি মুখখন ধুই ক্ষতস্থানত ফিট্‌কিৰি ঘঁহিলে।

ক্ষৌৰকাৰ্য্য সম্পূৰ্ণ কৰি সি তাৰ একোঠলীয়া ভাৰাঘৰটোৰ চুক এটাত বহি পৰিল। ৰাতিৰে ভাত কেইটামান আছে। দালি অলপ বহাবৰ বাবে ষ্টভটো জ্বলাবলৈ গৈও সি ৰৈ গ'ল। কেৰাচিন তেল অলপো নাই। কালিয়েই তেলৰ গেলনটো খালী হৈ পৰি আছে। কথাটো পাহৰিয়েই আছিল। অগত্যা নিমখ এজেবা লৈ শুদা ভাতকেইটাকে নাকে-কাণে গুজি সি থানালৈ ওলাল। বাটত কেৰাচিনৰ গেলনটো হকাৰটোক দি যাব।

হকাৰটোৰ দোকানৰ আগত কেৰাচিনৰ গেলনৰ এটা দীঘল শাৰী। এডাল দীঘল ৰছীৰে গেলনবোৰ একেলগে বান্ধি থোৱা আছে যাতে দেৰিকৈ অহা গ্ৰাহকৰ গেলন তাৰ মাজত সোমাব নোৱাৰে। গেলনটো হকাৰৰ হাতত দি সংৰামে থানা পালেগৈ। যথাৰীতি হাজিৰা দি সি অ'চিৰপৰা নিজৰ দায়িত্ব চমজি ল'লে।

৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে সৰু চহৰখনক সংযোগ কৰা দুটা পথ

আছে। ইয়াৰে যিকোনো এটা পথেৰে  মুখ্য মন্ত্ৰী চহৰখনত প্ৰৱেশ কৰিব। যিটো পথৰ দৈৰ্ঘ্য কম সেই পথটোত এখন সৰু দলং আছে। সেই দলংখনৰ ওপৰতে তাৰ ডিউটী পৰিছে। পুৱা এঘাৰ বজাত মুখ্য মন্ত্ৰী ৰেষ্ট হাউছ পাবহি। তাত খন্তেক জিৰণি লৈ পোনে পোনে আধাৰশিলা স্থাপন কৰিবলৈ যাব। আধাৰশিলাস্থলীতে সজা হৈছে সভা মণ্ডপ। কালি জিলাৰ বৰ চাহাবলৈ ৱায়াৰলেছ মেছেজ আহিছেঃ যিকোনো মুহূৰ্ততে সলনি হ'ব পাৰে মুখ্য মন্ত্ৰীৰ ভ্ৰমণ কাৰ্য্যসূচী। সম্ভাব্য সাল-সলনিৰ বাবে প্ৰস্তুত হৈ থাকিব লাগে। অ' চি চাংমায়ে থানাৰ সকলো চিপাহীকে একেলগে থিয় কৰাই কাঢ়া নিৰ্দেশ দিলে যে কোনো অৱস্থাতে সিহঁতে ডিউটী এৰি আহিব নোৱাৰিব। কিবা অঘটন ঘটিলে তেওঁৰতো চাকৰি যাবই, সিহঁতকো শুদাই নেৰে।

এখন নদীৰ এটা শীৰ্ণ মৰা সুঁতিৰ ওপৰত এখন কাঠৰ দলং। সুঁতিটোৰ পানী শুকাই ইয়াৰ বালিময় তলিখন প্ৰকট হৈ পৰিছে। ৰ'দৰ উত্তাপত সমীপৰ পথাৰবোৰ চিৰাঁল-ফটা দিছে। ৰ'দজাক আজিও প্ৰখৰ। এই দলংখনৰ ওপৰতে আজি সৎৰামৰ ডিউটী। প্ৰথমে সি দলংখনৰ উপৰিভাগ তন্ন তন্নকৈ পৰীক্ষা কৰিলে। চাৰিওফালে সিঁচৰতি গছৰ শুকান পাত, জেং-জাবৰবোৰ আঁতৰাই পেলালে। তাৰ পাছত লাহেকৈ দলঙৰ তললৈ নামি গ'ল। চৌদিশ সূক্ষ্মভাৱে নিৰীক্ষণ কৰি হাতৰ বেতডালেৰে এনেয়ে দুবাৰমান দলঙৰ খুঁটাকেইটাত খুন্দিয়াই চালে। সকলো ঠিক আছে। সি ক'ত পজিচন ল'ব সেইডোখৰ নিৰ্বাচন কৰিলে। পজিচন ল'বলৈ সি যথেষ্ট সময় পাব। দূৰত মুখ্য মন্ত্ৰীৰ মটৰকেডৰ চাইৰেন শুনিবলৈ পাব। ৱাৰ্নিং কাৰখন পাৰ হৈ যোৱাৰ লগে লগে সি ছেলুট দিব। মটৰকেডটোৰ শেষৰ গাড়ীখন পাৰ হৈ নোযোৱা পৰ্য্যন্ত সি সেই ভংগীৰে থিয় হৈ থাকিব। মুখ্য মন্ত্ৰীক সি দেখা নাপায়। মুখ্য মন্ত্ৰীয়েহে তাক দেখিব।

সৎৰামে হাতঘড়ীটোলৈ চালে। মুখ্য মন্ত্ৰী অহাৰ সময় হৈছে। সি অধিক সতৰ্ক হৈ পৰিল। দলঙৰ ওপৰত কোনো পথচাৰীকে সি থিয় হৈ থাকিবলৈ দিয়া নাই। ৰাস্তাত গৰু-ছাগলী এটাও ৰ'ব পৰা নাই। মুখ্য মন্ত্ৰীয়ে এই পথেৰেই চহৰত প্ৰৱেশ কৰাৰ সম্ভাৱনা বেছি। ৰাষ্ট্ৰীয় ঘাইপথৰপৰা চহৰখনত সোমাবলৈ এই পথেই সুচল। দূৰত্বও কম। মাত্ৰ দুই কিলোমিটাৰ। সিটো পথ প্ৰশস্ত যদিও দূৰত্ব বেছি। কথাবোৰ ভাবি থাকোঁতেই তাৰ আকৌ ছেলুট মৰাৰ কথা মনলৈ আহিল। আজি



তাৰ চাকৰি জীৱনত এই প্ৰথম এজন মুখ্যমন্ত্ৰীক ছেলুট দিবলৈ পাব। তাৰ হাত কঁপিব নালাগিব। সি দৃঢ়ভাৱে এটা দীঘল ছেলুট মাৰিব। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণে তাৰ ভাগ্যৰ আকস্মিক পৰিৱৰ্তন ঘটাব পাৰে। কোনে জানে ক'ত অপেক্ষা কৰি আছে জীৱনৰ নতুন চমক! মুহূৰ্ততে হৈ যাব পাৰে যোৱা চাৰি বছৰে প্ৰত্যাশা কৰি থকা তাৰ প্ৰমোচন। সিহঁতৰ বিভাগৰ দায়িত্ব মুখ্য মন্ত্ৰীৰ হাততে। তাৰ লগৰ শইকীয়া আৰু বৰাই কেতিয়াবাই প্ৰমোচন পালে। কিয় আৰু কি দৰে পালে সি জানে। ইমান অধঃপতিত হ'ব নোৱাৰে সি। শইকীয়াহঁতৰ প্ৰাচুৰ্য্য দেখি সি তবধ মানে। চকুৰ পচাৰতে শইকীয়াই চহৰত সুদৃশ্য পকী ঘৰ-বাৰী সাজিছে। বিলাসী সামগ্ৰীৰে ভৰাই ৰাখিছে সেই ঘৰবাৰী। দুই হাত খুলি পানীৰ দৰে টকা খৰচ কৰিছে। অৱশ্যে দুই নম্বৰী আয়ৰ পথৰ সম্ভেদ সিও পাইছিল। শইকীয়াহঁতেই দিছিল তাক সেই পথৰ সন্ধান। কিন্তু সেই পথ অনুসৰণ কৰিবলৈ সি সন্মত নহ'ল। সেইদিন ধৰি তাক অজীণপাতকী বুলি শইকীয়াহঁতে পাৰ্য্যমানে এৰাই চলে। উপেক্ষা কৰে। কেতিয়াবা কোনো দুৰ্বল মুহূৰ্তত সি শইকীয়াহঁতৰ সংগ লোৱাৰ কথা ভাবিলে তাৰ চকুৰ আগত ভাহি উঠে শান্ত-সমাহিত মৃত দেউতাকৰ মুখখন। এই মুখখনেই তাক বিপথে যাবলৈ নিদিয়ে।

এঘাৰ বাজিছে। মুখ্য মন্ত্ৰী এতিয়াও অহা নাই। ছাইৰেন শুনিবলৈ সৎৰামে উৎকৰ্ণ হৈ আছে। নিশ্চয় মুখ্য মন্ত্ৰীৰ ভ্ৰমণসূচী সলনি হৈছে। মুখ্য মন্ত্ৰীৰ সভালৈ তাৰ সন্মুখেদি এতিয়াও বৈ আছে জনস্ৰোত। সি শুনিছে নিৰাপত্তাজনিত কাৰণত আজিকালি মুখ্য মন্ত্ৰীৰ ভ্ৰমণসূচী সঘনে সলনি কৰা হয়। উগ্ৰপন্থীয়ে তেওঁৰ জীৱনৰ প্ৰতি প্ৰচণ্ড ভাবুকিৰ সৃষ্টি কৰিছে। দুবাৰমান আগতে খোদ ৰাজধানীতে দিন দুপৰতে এজন যুৱকে মুখ্য মন্ত্ৰীক আক্ৰমণ কৰিবলৈ উদ্যত হৈছিল। যুৱকৰ হাতত আছিল এটা হেভী কেলিবাৰৰ কল্ট ৰিভলভাৰ।...

সৎৰামে দেখিলে থানাৰ ফালৰপৰা এখন জীপ গাড়ী তীব্ৰ গতিৰে আহি তাৰ সন্মুখত ক্ষিপ্ৰতাৰে বৈ গ'ল। জীপৰপৰা ননমাকৈয়ে অ' চি চাংমায়ে তাক নিৰ্দেশ দিলেঃ আহি আছে। এলাৰ্ট হৈ থাক। দলঙৰ ওপৰত কাকো বৈ থাকিবলৈ নিদিবি।

ঃ হয় ছাৰ।...

সি আৰু কিবা এটা ক'ব খোজোঁতেই ষ্টাৰ্ট কৰি থোৱা জীপখনত অ'চি

চাংমাই দুৰন্ত গতিৰে অদৃশ্য হৈ গ'ল।

অ'চি চাংমাই পাৰ হৈ যোৱাৰ তিনি ঘণ্টাৰ পিছতো মুখ্য মন্ত্ৰী নাহিল। ৰ'দজাকে বিষম ৰূপ লৈছে। সৎৰামৰ বৰ পিয়াহ লাগিছে। ওচৰত ক'তো ছাঁ অকণমানো নাই। ক'ৰবাত পানী পায় নেকি সি চাৰিওফালে চালে। কিছু নিলগত এটা দমকল আছে। তাৰপৰা গাঁৱৰ তিৰোতাবোৰে পানী কঢ়িয়াইছে। সি তাতে পিয়াহ পলুৱাই পানী খাই আগিবগৈ নেকি?... সেই সময়তে যদি ছাইৰেন বাজে? পাৰ হৈ যায় যদি ঘণ্টাত এশ কিলোমিটাৰ বেগেৰে যোৱা মুখ্যমন্ত্ৰীৰ গাড়ী...।নাই এতিয়া সি যাব নোৱাৰে। এতিয়া ডিউটী এৰি পানী খাবলৈ গ'লে তাৰ চাকৰিৰে টনাটনি হ'ব পাৰে। চাকৰিটোৰেই তাৰ একমাত্ৰ উপাৰ্জনৰ পথ। গাঁৱত তাৰ দুটাকৈ ভায়েক আছে। কোনোটোৱেই উপাৰ্জনক্ষম হৈ উঠা নাই। দুয়োটা অপদাৰ্থ। মেট্ৰিক ফেল কৰি এনেয়ে ঘৰত শুই-বহি থাকে। হাল-কোৰ চলাবলৈও লাজ। এহাল এমা-ডিমা ল'ৰা-ছোৱালীৰে তাৰ এখন সৰু সংসাৰ। ৰুগ্ন বৃদ্ধা মাকক চাবলৈ ঘৈণীয়েক গাঁৱতে থাকে। মাকে গাঁও এৰি আহিব নোখোজে। চাকৰিটোৰ দৰমহাৰে অন্ততঃ সি আটাইৰে বাবে পেটৰ ভাতমুঠি যোগাৰ কৰিব পাৰিছে। প্ৰাণবায়ু উৰি গ'লেও সি এই চাকৰিটো হেৰুৱাব নোৱাৰে।

আবেলিও ৰ'দজাকৰ তীব্ৰতা কমা নাই। খাওঁ খাওঁ মূৰ্তি ধৰি আছে। মুখ্য মন্ত্ৰী এতিয়াও নাহিল। সৎৰামৰ ভীষণ ভোক লাগিছে। মূৰৰ ওপৰত ৰ'দৰ পীড়া আৰু কণ্ঠত পিয়াহ। অস্থিৰ হৈ মূৰৰ টুপীটো খুলি পেলালে। তাৰ পেটত যেন একুৰা জুইহে জ্বলিছে। টেঙা টেঙা উগাৰ আহিছে। কঁকালৰ বেল্টডাল শিথিল হৈ পৰিছে। হাতত বেতডাল লৈ থকাৰ শক্তিকণো যেন তাৰ নাই। উৎকট ভোক-পিয়াহত আড়ষ্ট তাৰ ৰ'দপীড়িত শৰীৰ। হঠাৎ সি তলপেটত এটা বিষ অনুভৱ কৰিলে। বিষটো ক্ৰমশঃ উজাই আহিছে। তাৰ মূৰটো খালি খালি লাগিছে। ক্লান্ত-শ্ৰান্ত হৈ সি দলঙৰ ওপৰত বহি পৰিল...।

দলঙৰ ওপৰত সেইদৰে সি কিমান সময় বহি থাকিল ক'ব নোৱাৰে। কিন্তু এজাক মানুহৰ পদ-শব্দতহে তাৰ সম্বিৎ ফিৰি আহিল। উচ্চস্বৰেৰে কথা পাতি মানুহজাক তাৰ ফালে আহি আছে। দূৰৰপৰা উৰি আহিছে তেওঁলোকৰ বাক্যালাপৰ টুকুৰা ঃ

ঃ হেৰা বাপু চি এমৰ লেক্‌চাৰ কেনে পালাহে?

ঃ ভাল—

ঃ বৰ পৰিপাটিকৈ কথা ক'ব জানে...

ঃ শুনিলে শুনি থাকিবৰ মন যায়...

মানুহজাকৰ কথা শুনি বেতডালত ভেঁজা দি সৎৰাম থিয় হ'ল। ব্যগ্ৰচিত্তে সি তেওঁলোকক সুধিলে ঃ

ঃ হেৰি চি এম আহিল নেকি?

ঃ আহিল মানে। মিটিং শেষ কৰিও তেওঁ ইমান পৰে ৰাজধানী পালেগৈ হ'বলা।

মানুহজাকে পৰম কৌতুহলেৰে সৎৰামৰ ফালে চাই সবেগেৰে আঁতৰি গ'ল। হঠাৎ তাৰ মনটো আৰু বিষণ্ণ হৈ পৰিল। মুখ্য মন্ত্ৰীয়ে তেন্তে সিটো পথেৰে চহৰত প্ৰৱেশ কৰিলে আৰু উভতিও গ'ল! সি একো খবৰেই নাপালে!

জেঠমহীয়া দিনৰ বুকুলৈ লাহে লাহে আন্ধাৰ নামি আহিছে। মুনিচুনি পৰত জনশূন্য কাঠৰ দলংখনত সৎৰামক এক অপ্ৰাকৃত অৱয়ৱ যেন লাগিল।

পূৰ্ব প্ৰকাশ ঃ গৰীয়সী, অক্টোবৰ, ৫ম বছৰ, ১ম সংখ্যা, ১৯৯৭

# প্ৰজন্ম

আৰামী চকীখনত অলসভাৱে মূৰটো থৈ শ্ৰদ্ধা বৰুৱা বহি পৰিল। সন্ধিয়া পুতেক-বোৱাৰীয়েক কোনো নাথাকিলে তেওঁ এনেকৈ বাৰাণ্ডাখনতে বহে। বহি ভাল পায়। লাহে লাহে এইটো তেওঁৰ অভ্যাস হৈ পৰিছে। উৎকৰ্ণ হৈ তেওঁ যেন কিবা এটা শুনাৰ চেষ্টা কৰে। অথবা কেতিয়াবা স্থিৰ দৃষ্টিৰে ৰাস্তাত পৰুৱাৰ দৰে অহা-যোৱা কৰি থকা মানুহবোৰলৈ চায়। মানুহবোৰৰ উদ্ভট গতিতো নিহিত আছে এক ছন্দ। এই ছন্দৰ পতন ঘটিলে যেন এক সাংঘাতিক দুৰ্ঘটনা হৈ যাব! এই কথা ভাবি তেওঁ শংকিত হৈ থাকে।

লোহাৰ গেটখনৰ সন্মুখত বোৱাৰীয়েকক ৰিক্সা এখনৰপৰা নমা দেখি বৰুৱা অলপ সজাগ হৈ বহিল। বোৱাৰীয়েক বোধহয় বজাৰৰপৰা আহিছে। হাতত খৰ্‌মৰাই থকা বেগ এটা।

"দেউতা। আন্ধাৰতে বহি আছে দেখোন! লাইটটো জ্বলাই লোৱা নাই কিয়?"

আচলতে তেওঁৰ চৌদিশে আন্ধাৰ যে মনে মনে ক্ৰমশঃ গাঢ় হৈ আহিছে শ্ৰদ্ধা বৰুৱাই গমেই পোৱা নাছিল। আন্ধাৰ আৰু পোহৰৰ পাৰ্থক্য যেন তেওঁ পাহৰি গৈছে। এটা বয়সত আন্ধাৰৰ এই মায়াময় মুহূৰ্তবোৰ তেওঁৰ বৰ প্ৰিয় আছিল। যিটো বয়সত সমগ্ৰ পৃথিৱীখনকে ৰঙে-ৰূপে-ৰসে ভৰপূৰ দেখি— সেইটো বয়সত। সেই দিনবোৰত তেওঁ পাতল আন্ধাৰত বহি অন্তৰংগ বন্ধুৰ সৈতে এৰাঁ প্ৰেমৰ কথা পাতিছিল...।

বোৱাৰীয়েকক তেওঁ ফাকি দিলে— "আন্ধাৰতে বহি ভাল পাইছোঁ অ' আই।"



বাৰাণ্ডাৰ লাইটটো অন কৰি বোৱাৰীয়েক ভিতৰলৈ সোমাই গ'ল।

ষাঠি বছৰ বয়সত চাকৰিৰপৰা অৱসৰ লৈ শ্ৰদ্ধা বৰুৱাই ভাবিছিল— তেওঁ কেতিয়াও বুঢ়া নহয়। মুখত বয়সৰ আঁচোৰ পৰিলেও মনটোক তেওঁ কেতিয়াও বুঢ়া হ'বলৈ নিদিয়ে। এই বয়সতো তেওঁ এটা তজ্‌বজীয়া ডেকাৰ দৰে খোজ কাঢ়ে। খুহুটীয়া কথাত প্ৰাণ খুলি হাঁহে।

চাকৰিৰপৰা অৱসৰ লৈ কি কৰিব সেইটো শ্ৰদ্ধা বৰুৱাই তিনি মাহমান আগতেই ঠিক কৰি ৰাখিছিল। চাকৰি জীৱনৰ ব্যস্ততাৰ বাবে তেওঁৰ বহু কামেই কৰা নহ'ল। বহুতো কথাই তেওঁ ৰাখিব নোৱাৰিলে। এতিয়া তেওঁ এটা এটাকৈ সকলোবোৰ কৰি যাব। প্ৰথমে তেওঁৰ পুৰণি অন্তৰংগ বন্ধুবোৰৰ ঘৰলৈ যাব। যাক লগ পোৱা সম্ভৱ নহয় কষ্ট কৰি হ'লেও ঠিকনা সংগ্ৰহ কৰি তেওঁলোকলৈ চিঠি লিখিব। এদিন চিঠিবোৰৰ উত্তৰ আহিব। চিঠিৰ পিছত চিঠিৰ বিনিময় হ'ব। তেওঁ আগৰ দৰেই ব্যস্ত হৈ পৰিব। মহানগৰীত সঘনে হৈ থকা সভা-সমিতিবোৰলৈ যাব। দহজনৰ সৈতে মতৰ বিনিময় হ'ব। আবেলি চিটী বাছত ওলমি জিলা পুথিভঁৰাললৈ যাব। ৰবি ঠাকুৰৰ প্ৰিয় কবিতাটো পঢ়িব— 'চুল পকলেও মন পকে না'।

কিন্তু অলপ আগতে বোৱাৰীয়েকে আন্ধাৰ হ'ল বুলি সকীয়াই দিয়াৰ দৰে পুতেক-বোৱাৰীয়েকেই যেন এদিন শ্ৰদ্ধা বৰুৱাক ক'লে, "দেউতা তুমি বুঢ়া হৈ গ'লা।" অন্ততঃ তেওঁলোকৰ অস্বস্তিকৰ অনুকম্পা আৰু আচৰণত অতিষ্ঠ হৈ শ্ৰদ্ধা বৰুৱাই এইদৰে ভাবিবলৈ বাধ্য হ'ল। পুতেক-বোৱাৰীয়েকৰ শুশ্ৰূষাৰ আধিক্য আৰু বাধা-নিষেধেই তেওঁক বয়সতকৈ বহুত বেছি বুঢ়া কৰিলে। কেতিয়াবা এইবোৰক তেওঁ গণিকাৰ আলিংগন যেন লাগে।

এদিন শ্ৰদ্ধা বৰুৱা আনে তৈয়াৰ কৰি দিয়া ৰুটিন এখনত সম্পূৰ্ণ জব্দ হ'ল। সময় মতে হিচাপৰ খাদ্য, জোখৰ পথ্য, নিৰ্দিষ্ট বাতৰি-কাকত, নিৰ্দিষ্ট কিতাপ, চিগাৰেট হোপা মানা, মেইনৰোডত অকলে ফুৰা-চকা কৰা মানা...। জীৱন তেওঁৰ বাবে এতিয়া নিস্তৰংগ, স্বাদহীন।

"দেউতা। চাহ দিছোঁ আহক।"

বোৱাৰীয়েকৰ মাত শুনি শ্ৰদ্ধা বৰুৱা বহাৰপৰা উঠিল। সন্ধিয়া পৰত একাপ চাহ খোৱা তেওঁৰ পুৰণি অভ্যাস। কাঢ়া চাহ খাই তেওঁ ভাল পায়। বোৱাৰীয়েকে নিদিয়ে। বোৱাৰীয়েক নাথাকিলে তেওঁ বন কৰা ল'ৰাটোৰ হতুৱাই কাঢ়া চাহ

একাপ কৰাই লৈ খায় আৰু চাহৰ কাপটো লগে লগে তাক ধুই থ'বলৈ কয়।

শ্ৰদ্ধা বৰুৱাই লক্ষ্য কৰিছে— বোৱাৰীয়েকেও কঠোৰভাৱে এখন ৰুটিন মানি চলে। পুৱা চাহ-ভাত ৰন্ধা, তাৰ মাজতে নাতিয়েক পিংকুক পঢ়োৱা, চাৰে ন বজাত অফিচলৈ যোৱা, সন্ধিয়া দুই-এপদ বজাৰ কৰি ঘৰত সোমোৱা ইত্যাদি। কাচিৎহে এই ৰুটিনখনৰ ইফাল-সিফাল হয়।

চাহ খাবলৈ উঠি শ্ৰদ্ধা বৰুৱাৰ মনটো আকৌ বিষণ্ণ হৈ পৰিল। চাহ কাপৰ বাবে তেওঁৰ পুনৰ বাৰ ফুট-দহ ফুট জোখৰ সৰু কোঠাটোত সোমাই পৰিব। আজিলৈ আৰু বাৰাণ্ডাখনলৈ ওলাই আহিব নোৱাৰিব। বাহিৰত ফিৰ্‌ফিৰীয়া চেঁচা বতাহ। এই বতৰত দেউতাকক বাহিৰত দেখি গে'টখনৰপৰাই টাইডালৰ নটটো ঢিলা কৰি অহা পুতেক সুনন্দনে আপত্তি কৰিব— "দেউতা আপুনি বাহিৰত বহি আছে কিয়?" তাৰ পাছত পাকঘৰৰপৰা ভাহি আহিব পুতেক-বোৱাৰীয়েকৰ তৰ্কৰ কোলাহল। এনে পৰিস্থিতি তেওঁ মুঠেই কাম্য নহয়। আচলতে শ্ৰদ্ধা বৰুৱা মানুহজন বৰ শান্তিপ্ৰিয়।

শ্ৰদ্ধা বৰুৱাৰ কোঠাটোৰপৰা খিৰিকীৰে চালে দূৰৈত এজোপা শতায়ু বটগছ দেখি। বটজোপাৰ কাষত সৰু সৰু কৰচ গছ। আকাশ স্পৰ্শ কৰাৰ সংকল্প লৈ যেন বটজোপাই মূৰ তুলি আছে। পুৱা শ্ৰদ্ধা বৰুৱাই এই বটজোপালৈ চায়। তেওঁৰ এক অদ্ভুত অনুভূতি হয়। মনটো সতেজ লাগে। কিন্তু সময় বাগৰাৰ লগে লগে পুনৰ তেওঁ বিষণ্ণ হৈ পৰে। দহ বজাৰ পাছত প্ৰকাণ্ড ঘৰটোত তেওঁ বৰ নিঃসংগ অনুভৱ কৰে। পুতেক-বোৱাৰীয়েক চাকৰিলৈ ঢাপলি মেলাৰ আগতেই ডাঙৰ ডাঙৰ ইংৰাজী আখৰ লিখা বাছ এখনত উঠি নাতিয়েক পিংকু স্কুললৈ যায়। এয়াই তেওঁৰ এটা দুঃসহ দিনৰ পাতনি। তাৰ পাছত আঁতৰি যায় পুতেক-বোৱাৰীয়েক। কাৰো যেন উশাহ লোৱাৰো সময় নাই। খিৰিকীখনৰ কাষত বহি তেওঁ উকা দৃষ্টিৰে সকলো চাই থাকে। ক্ৰমে দেহ-মন অৱশ লাগে। লাহেকৈ উঠি আহি তেওঁ বিছনাখনত শুই পৰে।

ৰাতি টোপনি নহা সত্ত্বেও শ্ৰদ্ধা বৰুৱাই দিনত শুব নোৱাৰে। দুপৰ ৰাতি তেওঁ প্ৰায়ে সৰু ল'ৰা এটাৰ কান্দোন শুনিবলৈ পায়। এই কান্দোনৰ শব্দতে তেওঁ সাৰ পায়। কাষৰ মানুহ ঘৰত ৰাতি সৰু ল'ৰা এটাই ইনাই-বিনাই কান্দে। কান্দি কান্দি সি বিনু বিনু বুলি চিঞৰে। তেওঁ বিনুক চিনি পায়। সেই মানুহ ঘৰৰ বন কৰা ছোৱালী। এই বিনুৱেই ল'ৰাটোক খুৱায়, খেলায়, ফুৰায়— সকলো কৰে। দিনটোৰ



যোল ঘণ্টাই ল'ৰাটো তাইৰ লগতে থাকে। তাৰ প্ৰতি চকু দিবলৈ চাকৰিয়াল মাক-দেউতাকৰ অৱসৰ নাই। সেয়েহে ৰাতিও সি বিনুক বিচাৰি কান্দে। ল'ৰাটোৰ নিচেই কাষতে শুই থকা মাকৰ তেতিয়া বিনুৰ ওপৰতে খং উঠে নেকি? বিনুৰ প্ৰতি মানুহজনীৰ ঈৰ্ষা হয় নেকি? তেওঁৰ মাতৃত্বৰ গৌৰৱত আঘাত পৰে নেকি? শ্ৰদ্ধা বৰুৱাই সেইবোৰকে ভাবি থাকে। তেওঁ আৰু টোপনি নাযায়।

পুতেক-বোৱাৰীয়েক অফিচলৈ যোৱাৰ পাছত বিছনাত শুই শুই তেওঁ *কথা-ভাগৱত*খন পঢ়াৰ চেষ্টা কৰিলে। কিন্তু পঢ়াত সমূলি মন নবহাত বন কৰা ল'ৰা দিলুক মাতিলে। তাৰে সৈতে দুআষাৰ কথা পতা যাওক। দিলু ল'ৰাটো বেঙা। ভালকৈ কথা ক'ব নাজানে। কিন্তু কামত ওস্তাদ। কথাৰ মাজতে সি লাই পাই ক'লে, "দেউতা, এটা ফিলিম চাম। পইচা দিবা?"

কথা বন্ধ কৰি শ্ৰদ্ধা বৰুৱাই কিছু উষ্মাৰে তাৰ ফালে চালে। কিন্তু পাছ মুহূৰ্ততে সহজভাৱে ক'লে, "তই অলপ বাহিৰত ৰ'গে যা।"

দিলুক বাহিৰলৈ পঠিয়াই তেওঁ বিছনাৰ তুলিখনৰ তলৰপৰা পলিথিনৰ মোনা এটা উলিয়াই আনিলে। মোনাটোত কেইবাটাও বান্ধ। বান্ধ সোলোকাই মোনাটোৰপৰা তেওঁ ছাবি এটা উলিয়াই কাঠৰ বাকচ এটা খোলাত লাগিল। অস্থিৰ হৈ দিলুৱে পৰ্দাৰ ফাঁকেৰে জুমি চালে। কাঠৰ বাকচটোৰপৰাও শ্ৰদ্ধা বৰুৱাই পলিথিনৰ এহাতমান দীঘল মোনা এটা উলিয়াই আনিলে। তাতো বান্ধ! বান্ধ খুলি তেওঁ টকা পাঁচটা উলিয়াই আনি দিলুক দি ক'লে, "আৰু নিবিচাৰিবি।"

চুবুৰিটোত শ্ৰদ্ধা বৰুৱাৰ বয়সৰ মানুহ কোনো নাই। সকলো প্ৰতিৱেশীয়েই নতুনকৈ মাটি-ঘৰ কৰি বহিছে। তেওঁলোক সকলোৱেই ডেকা বা আদহীয়া মানুহ। তিনি বছৰমান আগলৈকে এই এলেকাটোত জনবসতি বৰ সেৰেঙা আছিল। বাট-পথবোৰ আজিৰ দৰে প্ৰশস্ত নাছিল। শ্বিলঙৰপৰা ৰাজধানী নমাই অনাৰ পাছত এই ঠাইডোখৰ সকলোৰে পছন্দৰ হৈ পৰিল। ওচৰতে ডাক্তৰখানা, ইংৰাজী মিডিয়ামৰ স্কুল, চিনেমা হল, বিউটী পাৰ্লাৰ, ছুপাৰ মাৰ্কেট আদিৰ পয়োভৰ হ'ল। শ্ৰদ্ধা বৰুৱা এই সকলো পৰিৱৰ্তনৰ সাক্ষী হৈ আছে।

পুতেক-বোৱাৰীয়েক এতিয়াও চাকৰিৰপৰা উভতি অহা নাই। অলপ আগতে নাতিয়েক স্কুলৰপৰা আহিছে। সিনো কি কৰিছে বুলি চাবলৈ যাওঁতে দৌৰি আহি নাতিয়েক তেওঁৰ ওচৰলৈ পালেহি।

"ককা, ককা। মই বাৰু দেখিবলৈ কাৰ নিচিনা?"

হাঁহি হাঁহি নাতিয়েকক কোলাত তুলি লৈ শ্ৰদ্ধা বৰুৱাই ক'লে, "তুমি তোমাৰ নিচিনা আক'! আনৰ নিচিনা হ'বা কিয়?"

"ই— নহয় ককা। মোৰ লগৰ অংকুৰে কৈছে মই হেনো দেখিবলৈ শচীন তেণ্ডুলকাৰৰ নিচিনা। হয়নে ককা?"

ককাকৰ উত্তৰ নাপাই পিংকু কোলাৰপৰা নামি গ'ল। শচীন তেণ্ডুলকাৰ কোন শ্ৰদ্ধা বৰুৱাই নাজানে। তেওঁৰ মনলৈ কেৱল এটা ভাব আহিল— আজিৰ সকলোৰেই অইন কাৰোবাৰ নিচিনা হ'ব খোজে নেকি? নাতিয়েকেও?

লাখুঁটিডালত ভৰ দি তেওঁ গে'টৰ মুখলৈকে ওলাই গৈ কিবা এটা মনত পৰি উভতি আহিল। ঘৰত নাতিয়েক অকলে আছে। দিলুও নাই। অৱশ্যে হঠাৎ এটা পুৰণি কথা মনত পৰিহে তেওঁ বেছি সতৰ্ক হ'ল ঃ কিছুদিনৰ আগলৈকে তেওঁ বিয়লি পৰত ঘৰৰ সন্মুখৰ ৰাস্তাটোত এপাক ফুৰিছিল। এদিন তেওঁ বাটত তেওঁলোকৰ ঘৰত গাখীৰ দিয়া, কোনোবা অফিচৰ নাইট চকীদাৰ ৰামলালক পালে। ৰামলালে তেওঁক আথেবেথে তাৰ ঘৰৰ ফালে লৈ গ'ল। শ্ৰদ্ধা বৰুৱাই ভালেই পালে। বহু দিনৰ মূৰত এইদৰে বাহিৰলৈ ওলাইছে। ৰামলালৰ জীৰ্ণ খেৰীঘৰটোৰ সন্মুখত এখন পাচলিৰ বাৰী। শ্ৰদ্ধা বৰুৱাই বাৰীখন ঘূৰি-পকি চাই ৰামলালক দুই-এটা পৰামৰ্শ দিয়াত লাগিল। ইফালে ঘৰত কোনেও নাজানে তেওঁ ক'লৈ গৈছে। অফিচৰপৰা অহি সুনন্দনে দেউতাকৰ অন্তৰ্ধানৰ খবৰটো পাই বিচাৰ-খোচাৰ আৰম্ভ কৰিলে। সম্ভাব্য সকলো ঠাইতে বিচাৰি নাপাই গোটেই ঘৰখন উৎকণ্ঠিত হ'ল। শেষত কোনে জানো খবৰ দিলে— দেউতাক ৰামলালৰ ঘৰৰ ফালে গৈছে। খবৰটো পাই সুনন্দন ৰামলালৰ ঘৰ পালেগৈ। শ্ৰদ্ধা বৰুৱাই পুতেকক দেখি সকলো বুজি পালে। ৰামলালে বিনয়েৰে সুনন্দনক ক'লে— দেউতাকক সিহে জোৰ কৰি তাৰ ঘৰলৈ আনিছিল।

সেইদিনা পুতেকৰ সৈতে ঘৰলৈ উভতি অহাৰ পথত বৰুৱাৰ এটা কথা বৰকৈ মনত পৰিলে— এদিন তেৰোঁ বল খেলি সময় মতে ঘৰলৈ নহা সুনন্দনক গধূলিৰ পাছত লেম্প এটা লৈ এইদৰে বিচাৰি গৈছিল...।

বাটত সেইদিনা বাপেক-পুতেকৰ মাজত কোনো কথাৰ বিনিময় হোৱা নাছিল। আচলতে পুতেকক তেওঁৰ সেইদিনা বৰ গম্ভীৰ যেন লাগিছিল। সেই



ঘটনাৰ পাছত তেওঁ একপ্ৰকাৰ প্ৰতিজ্ঞাই কৰিছিল— পৰাপক্ষত ঘৰৰপৰা আৰু তেওঁ বাহিৰ নোলায়।

গে'টখনৰ ওচৰৰপৰা উভতি আহি শ্ৰদ্ধা বৰুৱা বাৰাণ্ডাতে বহিল। ধুতিখনৰ আগটোৰে চছ্‌মাযোৰ ছাফা কৰি তেওঁ ওচৰৰ পথাৰখনলৈ চালে। এজাক ল'ৰাই ক্ৰিকেট খেলিছে। কিছু সময়ৰ পাছত বেট ধৰি থকা ল'ৰাটোৰ ফালে চাই সকলোৱে সমস্বৰে "আউট আউট" বুলি চিঞৰিছে। বেটখন এৰি দিবলৈ ল'ৰাটো মান্তি হোৱা নাই। বৰং সি ল'ৰাজাকৰ সৈতে তৰ্ক কৰিছে। পিছে কোনেও তাৰ কথা শুনা নাই। এসময়ত সি বেটখন এৰি দিব লগা হ'ল। শ্ৰদ্ধা বৰুৱাই দৃষ্টি ঘূৰাই আনিলে।

অলপ দূৰত সৰু ল'ৰা এটাই চিলা উৰুৱাইছে। ল'ৰাটোৰে গৰ্বেৰে চিলাখন চাই আছে। আকাশখন অধিকাৰ কৰি চিলাখন উৰি আছে। হঠাৎ শ্ৰদ্ধা বৰুৱাই দেখিলে— চিলাখন কিবা বিজুতিৰ বাবে তললৈ নামি আহিছে। চাৰি মহলীয়া অট্টালিকাটোৰ টিভিৰ এণ্টেনাডালত লাগি চিলাখন বতাহত ধপ্‌ধপাই কঁপি উঠিছে।

তৎক্ষণাত তেওঁ বহাৰপৰা উঠি আহিল। কোঠাটোৰ দুৱাৰখন বন্ধ কৰি তেওঁ বিছনাত বাগৰি দিলে আৰু চকুহাল জপাই কিছু সময় পৰি থাকিল। অলপ পাছত কিবা এটা মনত পৰি তেওঁ বিছনাৰপৰা উঠি আহি কাঠৰ বাকচটো খুলিলে। কৈশোৰ আৰু ডেকা কালৰ বহুতো স্মৃতি তেওঁ সযতনে সাঁচি থৈছে এই বাকচটোত। 'প্লে'-ইলেভেন'ৰ হৈ ফুটবল খেলা দহ নম্বৰী বিবৰ্ণ জাৰ্ছীটো, পুৰণি এলবাম এটা, কোনো দ্বিতীয় ব্যক্তিয়ে নপঢ়া কিছুমান প্ৰেমৰ পদ্য, পুৰণি চিঠি-পত্ৰ, স্কুল কলেজত পোৱা অসংখ্য চাৰ্টিফিকেট, প্ৰশংসা-পত্ৰ, কোনোবা ক্ৰীড়া সংস্থা বা নাট্য গোষ্ঠীয়ে সুন্দৰ ভৱিষ্যৎ কামনা কৰি দিয়া মান-পত্ৰ আদি বহু বস্তু ঠাহ খাই পৰি আছে বাকচটোত। লাহেকৈ তেওঁ বাকচটোৰপৰা সৰু মোনা এটা উলিয়াই আনিলে। মোনাটো পকা মজিয়াত থোৱাত জিৰিক্‌কৈ শব্দ এটা হ'ল। এই শব্দই যেন তেওঁৰ শৈশৱ-স্মৃতিৰ তলিতো এক ঝংকাৰ তুলিলে। তেওঁ একা অদ্ভুত শিহৰণ অনুভৱ কৰিলে। মোনাটো খুলি তেওঁ মাৰ্বল গুটিবোৰ বিছনাত থৈ নাতিয়েকক মাতিলে। কেইবাবাৰো মাতিলত নহা দেখি উঠি গৈ তেওঁ দেখিলে, নাতিয়েকে ৰুবিক কিউব এটা লৈ আপোনমনে খেলি আছে।

পূৰ্ব প্ৰকাশ ঃ প্ৰান্তিক, ১-১৫ মে', ৯ম বছৰ, ১১শ সংখ্যা, ১৯৯০

# সিহঁতৰ আনন্দ উপলক্ষত এটি অবোধ শিশু

নৈশ বাছখনৰপৰা নামি সি বাহিৰলৈ চালে। ভালকৈ পোহৰ হোৱা নাই। গাড়ীৰ হেডলাইটে খেদি দিয়া আন্ধাৰবোৰ আকৌ আহিছে। ঠেঁটুৰৈ ধৰা জাৰত কঁপি কঁপি যাত্ৰীৰ আশাত ৰৈ আছে দুটামান ৰিক্সাৱালা। এটাচীটো হাতত লৈ সি ৰিক্সা এখনত উঠিল।

সোণৰ আজি জন্মদিন। সোণ তাৰ ভতিজা। ঘৰৰপৰা তাৰ মাকো অহাৰ কথা আছিল। কিন্তু কঁকালৰ বিষটোৱে উক দিয়াত আহিব নোৱাৰিলে। আজি সম্পূৰ্ণ পাঁচ বছৰৰ মূৰত সি গুৱাহাটীলৈ আহিছে।

প্ৰশস্ত ৰাস্তা। সি উঠি অহা জীৰ্ণ ৰিক্সাখনৰ কৰ্কশ শব্দৰ বাহিৰে সকলো নিমাত-নিস্তব্ধ। বন্ধ ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ বাৰাণ্ডাত দুই-এটা মানুহ। দূৰত হেলোজেনৰ পোহৰত উদ্ভাসিত এটা উচ্ছিষ্টসন্ধানী কুকুৰ। হঠাৎ নৈঃশব্দক ডোখৰ ডোখৰ কৰি পাৰ হৈ গ'ল মালবাহী ট্ৰাক এখন। বতাহত সিঁচি গ'ল পোৰা ডিজেলৰ গোন্ধ। নাকত ৰুমাল গুজি সি ফুটপাথলৈ চালে।

ভিখাৰীকেইটামান কুচি-মুচি শুই আছে। সিহঁতৰ দেহৰ নিম্নাংশত শতছিন্ন কাপোৰ। প্ৰধান মন্ত্ৰী আহোঁতে হেনো এই ভিখাৰীকেইটাক উচ্ছেদ কৰা হৈছিল। খবৰটো সি কোনোবা এখন কাকতত পঢ়িছিল। সুদূৰৰ মন্দিৰটোৰপৰা ভাহি আহিছে আৰতিৰ শংখধ্বনি। বহুত পৰিৱৰ্তন হ'ল গুৱাহাটীৰ। পুৰণি নগৰ চিহ্নবোৰ অন্তৰ্হিত হৈছে। প্ৰতি বৰ্গফুট মুকলি ঠাইত গঢ় লৈ উঠিছে কংক্ৰিটৰ সুউচ্চ দালান অথবা ঘিঞ্জি বস্তি অঞ্চল। লুইত ক'ত? আগতে সি ইয়াৰপৰাই লুইতখন দেখা পাইছিল।

ৰিক্সাখন এক আৱাসিক অঞ্চলত সোমাই পৰিল। এটা দম্পতীয়ে (?) জগিং কৰিছে। তেওঁলোকৰ শৰীৰত অপ্ৰয়োজনীয় মেদ। সৰু টিলাটোৰপৰা তললৈ নামি আহিছে এজন তজবজীয়া বৃদ্ধ। পিন্ধনত বগা হাফ-পেণ্ট, টি ছাৰ্ট আৰু কেনভাছ। হাতৰ শিকলিত জাৰ্মান শ্বেপহাৰ্ড নে ইটালিয়ান গ্ৰেহাউণ্ড। বৃদ্ধক দেখিলে কোনো অৱসৰপ্ৰাপ্ত সামৰিক বিষয়া যেন লাগে। ডাঠ মোচ, চুটিকৈ কটা চুলি, দৃঢ় খোজ। ক'ৰবাৰপৰা ভাহি আহিছে এটা সুমধুৰ কণ্ঠ। সি অনুমান কৰিলে আৰ চি চি মঞ্জিলবোৰৰ মাজত চেপা খাই থকা সৰু আছাম টাইপ ঘৰটোত কোনোবা কিশোৰীয়ে ৰেৱাজ কৰিছে। এক সুখানুভূতিত সি চকুহাল মুদি দিলে। সি ভালপোৱা শেৱালি ফুলৰ গোন্ধৰ দৰে ভাহি আহিল এটা গীত।

ৰিক্সখন ৰ'ল। সন্মুখত পাহাৰীয়া এছোৱা পথ। ৰিক্সাৱালাটোৱে হাতেৰে ৰিক্সাখন টানি লৈ গ'ল। ইতিমধ্যে সি মহানগৰীৰ ব্যৱসায়িক কেন্দ্ৰবোৰৰ ওচৰ পাইছেহি। দিনৰ জনাকীৰ্ণ ব্যস্ততা ইয়াত শেলমাত্ৰও নাই। তাৰ মনটো ভাল লাগি গ'ল। মহানগৰীৰ দামী বৰ্ণাঢ্য দোকান-পোহাৰবোৰ এইদৰে বন্ধ হৈ থকা দেখিলে তাৰ কিবা এটা ভাল লাগে। কিবা এটা যেন সি নিৰাপত্তা অনুভৱ কৰে। কিয় তেনে হয় বাৰু? এই প্ৰশ্নটোৰ সঠিক উত্তৰ সি বিচাৰি পোৱা নাই। হয়তো সি নিৰ্জনতাক ভাল পায় বাবে। এছাটি শীতল বতাহ তাৰ গাত লাগিল। লুইতৰ পাৰ। সি লুইতলৈ চালে। ধীৰ-শান্ত গতিৰে বইছে চিৰিলুইত। দূৰত এখন-দুখন নাও। সৰু সৰু সোঁতৰ পকনীয়া। হঠাৎ এক উৎকট দুৰ্গন্ধ তাৰ নাকত লাগিল। অদূৰত কিছুমান মানুহে প্ৰাতঃকৰ্মৰ বাবে ব্যৱহাৰ কৰিলে লুইতৰ বালি। লুইতৰ বালিৰ সেই ৰোমাণ্টিক পৰিৱেশ আজি ৰাজহুৱা শৌচাগাৰ! পাৰত কদৰ্য্য বস্তি অঞ্চল। কেৱল লুইতৰ পাৰতে নহয় সমগ্ৰ গুৱাহাটীতে ৰাতাৰাতি গঢ় লৈ উঠিছে জঞ্জাল স্তূপ। সমতল, পাহাৰ সকলোতে অবাধ বেদখল! এবাৰ তাক গুৱাহাটীৰ এজন বন্ধুৱে সিধিছিল ঃ এই মানুহবোৰে মাটি কেনেকৈ দখল কৰে জান? সিহঁতে প্ৰথমে খালী জাগা চাই ইঠাই-সিঠাই ঘূৰি ফুৰে। খালী ঠাই পালেই পুৱাৰ নিত্যকৰ্মৰ বাবে তালৈ আহ-যাহ আৰম্ভ কৰি দিয়ে। মাটিৰ কোনোবা মালিক ওলায় নেকি বা কোনোবাই সিহঁতক বাধা দিয়ে নেকি কেইদিনমান সিহঁতে লক্ষ্য কৰে। এই বিষয়ে নিশ্চিন্ত হৈ লৈ প্ৰথমে সিহঁতে বস্তাৰে বা তৰ্জাৰে সৰুকৈ তাতে চালি এখন দিয়ে। চালিখন সাজি প্ৰথম দিনা সিহঁত তাত নাথাকে। দুই-তিনি দিনৰ পিছতহে দুই এপদ বস্তু লৈ সিহঁত চালিখনত সোমায়। এই পদ্ধতিৰে কৃতকাৰ্য্য নহ'লে সিহঁতে

দখল কৰিব খোজা মাটিডোখৰত এডোখৰ ৰঙা মাৰ্কিন কাপোৰ মেৰিয়াই দিয়ে। দিনে-ৰাতিয়ে তাতে চলে পূজা-পাতল। ইয়াৰ পিছতে সৰু চালি এখন বহে। চালিখন এদিন দোকান হয়—।

ত্ৰিকোণী পাৰ্কখন পাৰ হৈ সি জজপথাৰ পালেহি। জজ পথাৰত এখন প্ৰকাণ্ড মণ্ডপ। মণ্ডপটোৰ সন্মুখত এখন অৰ্ধনিৰ্মিত তোড়ন। বিৰাট মেলাৰ আয়োজন। এবাৰ তাৰ মাজু ককায়েকেও এনেকুৱা এখন মণ্ডপৰ ঠিকা পাইছিল। ঠিকাটো পাবলৈ সি এজন মন্ত্ৰীক দুই লাখ টকা ভেটি দিছিল। মাজুৱে এইবাৰো এই ঠিকাটো পাইছে নেকি? পাবও পাৰে। ৰাজনৈতিক মহলত তাৰ অখণ্ড প্ৰতিপত্তি। প্ৰয়োজন হ'লে সি কোটি টকা খৰচ কৰিব পাৰে। আৰু বেচেৰা ডাঙৰ ককায়েক? আজি ২৪ বছৰ গুৱাহাটীৰে এখন কলেজত প্ৰফেছৰী কৰি গাড়ী এখনকে ল'ব পৰা নাই। অথচ প্ৰি ডিগ্ৰীলৈকে পঢ়া মাজু ককায়েকৰ ঘৰত জক্‌মকাই থাকে তিনিখন সুদৃশ্য বিদেশী গাড়ী। মাজুৱে ডাঙৰ ককায়েকক এখন গাড়ী লৈ দিব খুজিছিল। কিন্তু ককায়েকে আপত্তি কৰিলে।

বাবু ক'ত যাব?

ৰিক্সাৱালাটোৰ ঈষৎ বিৰক্তিমিশ্ৰিত প্ৰশ্নত তাৰ তন্ময়তা ভাগিল। ৰিক্সাখন কোনোবাখিনি পালেহি। মাজু ককায়েকৰ ঘৰত সোমাবলৈ সি কিছুদূৰ উভতি আহিব লগা হ'ল।

কলিং বেলটো স্পৰ্শ কৰাৰ পিছতে হাঁহি মুখেৰে বৌয়েকে তাক আদৰণি জনালে। প্ৰসাধনবিহীন বৌয়েকৰ মুখখন বিশ্ৰী লাগিছে। বৌয়েক আগতকৈ বহুত শকত হৈছে। কঁকালত চৰ্বিৰ মাংসল ভাঁজ। তাক ভিতৰত বহিবলৈ দি বৌয়েকে চাহৰ ফৰমাইছ দিলে। ওপৰ মহলাৰপৰা নামি আহিল মাজু ককায়েক। নিদ্ৰাবিজড়িত স্বৰেৰে তাক ঘৰৰ খবৰ সুধিলে। মাক আহিব নোৱৰা বাবে দুখ প্ৰকাশ কৰিলে। মাজুৰ সাজ-পোছাক, মুখভংগী সলনি হৈছে। মেদৰ ভৰত থুঁতৰিটো ওলমি পৰিছে। মুখখন আগতকৈ মসৃণ হৈছে। তেওঁক দেখিলে অনুভৱ হয় পৃথিৱীৰ আটাইতকৈ সুখী মানুহজন তেৱেঁই! তেওঁৰ দামী ঘড়ীটোৰপৰা পোহৰ বিচ্ছুৰিত হৈছে। জীৱনক অতল তলিলৈকে যেন তেওঁ উপভোগ কৰিছে। চহৰখনৰ আঙুলি মূৰত লেখিব পৰা প্ৰথম শ্ৰেণীৰ ঠিকাদাৰবোৰৰ ভিতৰত তেৱোঁ এজন। আজি তেওঁক দেখিলে কোনেও বিশ্বাস নকৰিব যে তেওঁ পশুপালন বিভাগৰ সামান্য কেৰাণী আছিল।



সেই বিভাগৰে ঠিকাদাৰী কামত সোণৰ খনিৰ সন্ধান পাই তেওঁ চাকৰি ইস্তফা দিলে।

অতি কম দিনৰ ভিতৰতে তেওঁ হৈ পৰিল কোটিপতি। ৰাজঅট্টালিকাসদৃশ তেওঁৰ প্ৰকাণ্ড বঙলাটো আধুনিক বৰ্ণাঢ্য জীৱনৰ সমস্ত লাহ-বিলাহেৰে সম্পূৰ্ণ। আধুনিক ডিজাইনৰ তিনিটা ছোফা ছেট, কেমফ্লেজ কৰা ছোফা ছেটৰ ক'ভাৰ, শ্বেত পাথৰৰ টেবুল, ইটালিয়ান মোজাইক টায়েল্‌ছ, ডাঙৰ স্কাই লাইফ পিতলৰ ইয়েল লক, ভেনিচিয়ান লাইট, বিদেশী গেছ কুকিং ৰেঞ্জ অ'ভান, অভেল ছাইজৰ তিনিখন ডাইনিং টেবুল, ফ্ৰীজ, কালাৰ টি ভি, ভি চি ডি আদিৰে মাজু ককায়েক ৰয়েল লিভিং প্ৰতিযোগিতাত উত্তীৰ্ণ। অভাৱ কি তেওঁ কোনোদিনে অনুভৱ কৰা নাই। প্ৰফেছৰ ককায়েকে গাঁৱৰ ঘৰত থকা তাৰ মাকক সান্ত্বনা দিয়ে— মাজুৱে পঢ়া-শুনা নকৰিলে কি হ'ব? আধুনিক বিলাসী জীৱনৰ প্ৰতিটো বস্তু সি চিনি পায়। উপভোগ কৰিব জানিছে। মাজুৱে মাকক তাৰ লগত ৰাখিব বিচাৰিছিল; কিন্তু মাকে গাঁৱৰ ভেটিটো এৰি থৈ আহিব নিবিচাৰে।

এই মাজুৰে একমাত্ৰ সন্তান সোণৰ আজি জন্মদিন। ৰাজকীয় প্ৰস্তুতি চলিছে।

চাহ-তাহ খাই সি বিছনাত বাগৰ দিলে। ৰাতি বাছত টোপনি নহ'ল। কিছুমান ডুখৰীয়া চিন্তাই তাক অস্থিৰ কৰি তুলিলে। বাৰে বাৰে তাৰ চকুৰ আগলৈ ভাহি আহিছিল মাকৰ যন্ত্ৰণাকাতৰ মুখখন। মাকৰ প্ৰতি সি অত্যধিক অনুৰক্ত নহয়। শিক্ষা অৰ্জনৰ বাবে সৰহভাগ সময় সি ঘৰৰপৰা বাহিৰতে কটাইছে। তথাপি বিধৱা মাকৰ কষ্ট দেখিলে সি অসহ্য বেদনা অনুভৱ কৰে। বাৰ্থডে' পাৰ্টীলৈ সি আহিব খোজা নাছিল। মাকেহে জোৰ কৰি পঠাই দিছে। বহুত চেষ্টা কৰিও তাৰ টোপনি নাহিল। 'আংকুল আংকুল' বুলি সোণ আহি তাৰ গাত উঠিলেহি। উঠি অহা ৰ'দ আৰু সোণৰ কথাৰ উত্তাপে তাৰ অনিদ্ৰাৰ আড়ষ্টতা দূৰ কৰিলে। ইতিমধ্যে ঘৰখন আত্মীয়-কুটুমেৰে গিজ্‌গিজ্। বিশেষকৈ বৌয়েকৰ ঘৰৰপৰা বহুত আলহী আহিছে। চ'ৰা ঘৰত কোনোবাই উচ্চগ্ৰামত কথা পাতিছে। নিশ্চয় তাৰ মাহীয়েক আহি পাইছেহি। অনৰ্গল কথা ক'ব পাৰে মাহীয়েকে। মাহীয়েকক মাত লগাও বুলি সি বিছনাৰপৰা উঠি গ'ল। আকৰ্ণ বিস্তৃত পৰিচিত হাঁহিটো মাৰি মাহীয়েকে তাৰ লগতে ঘৰৰ খা-খবৰ ল'লে। কথা ক'বলৈ পালে মাহীয়েকে কাৰো মুখলৈ নাচায়। পাৰ্য্যমানে অস্বস্তিক আঁতৰ কৰি সি ওচৰতে বহি থকা বৌয়েকৰ ভনীয়েকলৈ

চালে। তাইৰ নাম নিমি। নিমিক সি আগতেও দুবাৰমান দেখিছে। ঈষৎ ৰুক্ষ বাবৰী চুলি। ওঁঠত ডাঠ লিপষ্টিক। মুখ মণ্ডলত এক প্ৰচ্ছন্ন লাৱণ্যৰ আভাস।

'হাই প্ৰদীপ'— তাইৰ মাতত সপ্ৰতিভতা।

সৌজন্যৰে সি মূৰ দুপিয়ালে। বাৰ্থডে'ৰ ব্যস্ততা আৰম্ভ হৈছে। নতুনকৈ সজোৱা হৈছে ঘৰখনৰ প্ৰতিটো বস্তু। ৰং-বিৰঙৰ বেলুন, ৰঙীন কাগজ আৰু নানা তৰহৰ ফুলৰ কাৰুকাৰ্য্য, আলোকসজ্জাৰে ৰচনা কৰা হৈছে এক মায়াৱী পৰিৱেশ। বতাহত ছটিওৱা হৈছে ৰুম ফ্ৰেশ্বনাৰ। ওপৰ মহলাতো বাৰ্থডে'ৰ পৃথক আয়োজন। মাজু ককায়েকে বিশেষভাৱে আমন্ত্ৰণ কৰাসকল ওপৰত বহিব। ইয়াৰ ভিতৰত মন্ত্ৰী-বিধায়কো আছে। আত্মীয়-স্বজন, আলহী-দুলহীৰে ঘৰখন প্ৰাণোচ্ছল হৈ উঠিল। কোনোবা এটা কোঠাত উদ্দাম পাশ্চাত্য সংগীত বাজিছে। ভাহি আহিছে হাঁহি আৰু হাঁহিৰ টুকুৰা।

অকণমান মুকলি বতাহ (?) ল'বলৈ বৌয়েকক কৈ সি বাহিৰলৈ ওলাই গ'ল। আচলতে সি প্ৰফেছৰ ককায়েকৰ ঘৰলৈ যাব। মহানগৰীৰ ৰাজপথত ইতিমধ্যে জানস্ৰোত আৰম্ভ হৈছে। মানুহবোৰ ৰাজপথলৈ ওলাই আহিছে। বৰ্ণাঢ্য দোকানবোৰে সদম্ভে ঘোষণা কৰিছে নিজৰ অস্তিত্ব। নাতিদূৰৰ ৰে'ল ষ্টেচনৰপৰা মন্থৰ গতিৰে এখন ৰে'লগাড়ী ওলাই গৈছে। ওচৰৰ ধাবাজাতীয় এখন সৰু হোটেলৰপৰা নিৰ্গত হৈছে কণী ভজাৰ গোন্ধ। হোটেলখনৰ সন্মুখত এজুম মানুহ। দুজন মানুহে দুৰ্বাদল তৰ্ক কৰিছে। বাক-বিতণ্ডাই শীৰ্ষবিন্দু পাইছেগৈ। উগ্ৰমূৰ্তি ধৰি এজনে আনজনৰ ফালে চোঁচা লৈছে। ঘটনাটোৰ আৰম্ভণি সি দেখা নাই। সেয়েহে ইয়াৰ পৰিণতি সম্পৰ্কে তাৰ কৌতূহল সীমিত। সি ককায়েকৰ ঘৰৰ ফালে খোজ চলাই দিলে। কাজিয়াৰ পৰিণতি চাবলৈ ৰৈ থাকিল ঘটনাটোৰ আৰম্ভণি দেখা মানুহজাক।

আবেলি ডাঙৰ ককায়েকৰ ঘৰৰপৰা উভতি আহি সি মাজুৰ ঘৰৰ আগত দেখিলে এশাৰী সুদৃশ্য গাড়ী। বাহিৰৰ সেউজীয়া ল'নখনতে এজাক সৰু ল'ৰা-ছোৱালীয়ে খেলি আছে। ওচৰৰ ডাষ্টবিনটোত দুটা লেতেৰা কাপোৰ পিন্ধা ল'ৰাই উচ্ছিষ্ট খুঁচৰি আছে। হাতত ডাঙৰ ডাঙৰ উপহাৰৰ টোপোলা লৈ অভ্যাগতসকল শাৰী পাতি ভিতৰলৈ সোমাই গৈছে। হাঁহি মুখেৰে মাজু আৰু বৌয়েকে তেওঁলোকক আদৰণি জনাইছে। সকলোতে এক আনন্দ-উচ্ছ্বাসৰ বন্যা। হাঁহি আৰু হাঁহি। কৌতূহলবশতঃ সি ঘৰৰ ভিতৰত সোমায়েই ৰন্ধনশালা পালেগৈ। বৃহদাকাৰৰ



পৰিপাটি ৰন্ধনশালা। প'ৰছিলিনৰ ষ্টিক, ডেনব'ৰ্ড, ক্ৰ'মিয়াম প্লেকেড গেছ অ'ভেন। অন্তহীনভাৱে ব্যস্ত তিনিজন কাৰিকৰ। চানা, মিঠাই, কেক, মাংস পোলাও আদিৰ বহুল প্ৰস্তুতি। ইতিমধ্যে প্ৰফেছৰ কাকায়েকহঁতো আহি পাইছেহি। ওপৰ মহলা মাজুৰ বিশেষ অতিথিৰে ভৰি পৰিছে। তাৰ এটা কোঠাৰপৰা বিচ্ছুৰিত হৈছে ঈষৎ নীলাভ পোহৰ। ভাহি আহিছে উদ্দাম পাশ্চাত্য সংগীত আৰু মাজে মাজে গিলাচ পিৰিচৰ খুটুং-খাটাং শব্দ। এখন বিয়াৰ সমান মানুহ আহিছে। ব্যস্তভাৱে মাজু ককায়েক আৰু বৌয়েক ইফালে সিফালে ঘূৰি ফুৰিছে। উপহাৰৰ টোপোলাবোৰ হাত পাতি ল'বলৈ তেওঁলোক দুয়োৰে কাষত থিয় হৈ আছে এটা বেহেৰা।

এডোখৰ আলসুৱা শুকুলা মেঘৰ দৰে তাৰ মনত ভাহি উঠিল শৈশৱ-স্মৃতি। পাতনিৰ শিলালিপি। সৰুতে মাকে সিহঁতৰ জন্মদিন পাতিছিল। ঘৰলৈ এজাক গৰখীয়া ল'ৰা মাতিছিল। অশেষ যত্নেৰে মাকে নাৰিকলৰ লাডু আৰু পায়স ৰান্ধিছিল। কলপাত পাৰি সকলোকে পেট ভৰাই খাবলৈ দিছিল। গৰখীয়াহঁতে পাৰে মানে পায়স খাইছিল। খোৱাৰ আগতে হৰিধ্বনি দিছিল। তাৰ জিভাত এতিয়াও লাগি আছে সেই পায়সৰ স্বাদ। মাকে সিহঁতক কৈছিল, "জন্মদিনত ডাঙৰ মানুহ মাতিব নাপায়। ডাঙৰ মানুহে উপহাৰ আনে। উপহাৰে লোভৰ সৃষ্টি কৰে।" যাবৰ সময়ত মাকে গৰখীয়াহঁতৰ প্ৰত্যেকৰে হাতত গুজি দিছিল দহটাকৈ পইচা। জন্মদিনৰ বাবে দন্তেশ্বৰৰ দোকানৰপৰা খুচুৰা পইচা অনাই থৈছিল।

"দাদা, সোণক দেখিছে নেকি?"

বন কৰা ল'ৰা ৰঘুৰ উদ্বেগ-মিশ্ৰিত প্ৰশ্নত তাৰ মগ্নতা ভাগিল। সোণক বিচাৰি পোৱা নাই। বৌয়েকক খবৰ দিয়া হ'ল। বৌয়েকে প্ৰথমতে ভাবিলে আছে নিশ্চয় ক'ৰবাত! বাহিৰত খেলিও থাকিব পাৰে। সোণক বিচাৰিবলৈ কৈ পুনৰ আলহী আপ্যায়নত ব্যস্ত হৈ পৰিল। এটা সুসজ্জিত কোঠাত এটা প্ৰকাণ্ড কেক্ সজাই থোৱা আছে। তাৰ কাষৰ মমবাতিবোৰ জ্বলোৱা হৈছে। ওচৰত হাত চাপৰি বজাবলৈ ৰৈ আছে অভ্যাগতসকল। কিন্তু সোণ নাই। অথচ তাক উপলক্ষ্য কৰিয়েই চলিছে এই ৰাজকীয় আমোদ-প্ৰমোদ। সোণক বিচাৰি গোটেই ঘৰখন চলাথ কৰা হ'ল। বিদ্যুৎ চমকৰ দৰে বৌয়েকৰ চকুত ভাহি উঠিল আতংক। ওপৰ মহলাত পানীয় সেৱনত ব্যস্ত মাজু ককায়েকক খবৰ দিয়া হ'ল। উদ্বিগ্নচিত্তে মাজু ককায়েক তললৈ নামি আহিল। চাৰিওফালে পাত পাত কৰি বিচৰা হ'ল। নাই, ক'তো নাই।

ইমান সৰু ল'ৰাটো ক'লৈ যাব পাৰে! বাহিৰত খেলি থকা সৰু ল'ৰাজাকৰ কোনেও সোণক দেখা বুলি নক'লে। ঘৰৰ প্ৰতিটো কোঠা, ৰাস্তাৰ সিপাৰৰ প্ৰতিঘৰ মানুহ, লন, ফুলৰ বাগিচা সকলোতে সোণক বিচৰা হ'ল। উপস্থিত সকলোৰে মুখত অস্বস্তিৰ চাপ।

সময় যিমানে অতিবাহিত হৈছে উদ্বেগ আৰু দুশ্চিন্তাও সিমানে বৃদ্ধি পাইছে। মাজু ককায়েক সোণৰ সন্ধানত লক্ষ্যহীনভাৱে গাড়ীখন লৈ ওলাই গৈছে। অৱশেষত সোণক বিচাৰি সিও ওলাল। জোতাযোৰ বিচাৰি ড্ৰয়িং ৰুমত সোমাল। আগতে থোৱা ঠাইত জোতাযোৰ বিচাৰি নাপাই সি নবৌয়েকহঁতৰ শোৱনি কোঠা পালেগৈ। জোতাযোৰ তাতো নাপাই অভ্যাসবশতঃ বিছনাৰ তলবোৰ চালে। আচৰিত! বিছনাৰ তলত শুই আছে সোণ। তাৰ মুখৰ অৰ্ধস্পষ্ট হাঁহিটোৱে যেন ঘৰখনৰ আনন্দ উৎসৱক তাচ্ছিল্য কৰিছে। এই বিৰাট ৰাজকীয় অনুষ্ঠানৰ নায়ক সি। অথচ তাৰ খবৰ ল'বলৈ কাৰো আহৰি নাই। বৌয়েকক সোণৰ খবৰ দিয়া হ'ল। ইতিমধ্যে ব্যৰ্থ হৈ মাজু ককায়েকো উভতি আহিছে। উপস্থিত সকলোৰে স্বস্তিৰ নিশ্বাস এৰিলে।

মামৰে ধৰা লোহাৰ দৰজা এখন খুলিলে যেনেকুৱা শব্দ হয় ঠিক তেনে শব্দ কৰি মাজু ককায়েকে হঁহাৰ চেষ্টা কৰিলে। কিন্তু হাঁহিৰ পৰিৱৰ্তে গেঙনিহে ওলাল।

পূৰ্ব প্ৰকাশ ঃ নতুন দৈনিক

# তুলাচনীত সুনীলৰ প্ৰেম

চুলি মেলা বাউলী এগৰাকী নাৰী। প্ৰিয়জনক তেওঁৰ উদ্দাম চুলিয়ে যেন আঁজুৰি আনিব খুজিছে। সমুখত এখন পীত বৰণৰ উড্ডীন উত্তৰীয়। মূৰৰ ওপৰত এছটা ঘন ক'লা ডাৱৰ, যেন বলি কটা দা এখন।

বহুদিন উকা হৈ আছিল কেনভাছখন। সুনীল আকাশ দুৰৰাই আদি পুৱাতে কেনভাছখন সম্পূৰ্ণ কৰিলে। দ্বিমাত্ৰিক ৰং আৰু ৰেখাৰ সুষম সমন্বয়। ছবিখন সম্পূৰ্ণ কৰি দুৰৰাই চিগাৰেট এটা জ্বলাই আৰামী চকীখনত অলসভাৱে গাটো এৰি দিলে। যোৱা ছবছৰে তেওঁ এখনো ছবি অঁকা নাই। তেওঁৰ গুণমুগ্ধসকলে আশংকা কৰিছিল তেওঁ আৰু ছবি আঁকিব নোৱাৰিব। চিত্ৰশিল্পী দুৰৰাৰ অকাল মৃত্যু হ'ল। তেওঁক আঘাত কৰাৰ উদ্দেশ্যেই এদিন এজনে কটু মন্তব্য দিছিল— য়ু হেভ মিছ্ড দ্য বাছ। কিন্তু তেওঁ সামান্যও বিচলিত হোৱা যেন নেদেখুৱায়। তেওঁ কয়— সময় উকলি যোৱা নাই। সময়ৰ দাসত্বৰপৰা তেওঁ মুক্ত। জীৱনত তেওঁ কোনোদিন ঘড়ী পিন্ধা নাই। অথচ কোনোদিন এক মিনিটো পলমকৈ তেওঁ অফিচলৈও যোৱা নাই।

সিদিনাখন অফিচলৈ যোৱাৰ পথত তেওঁ ছোৱালীজনী দেখিছিল। তাইক নেদেখা হ'লে কেনভাছখন উকা হৈয়ে থাকিলহেঁতেন। এজনী দীৰ্ঘদেহী অপূৰ্ব সুন্দৰী যুৱতী। তাইৰ দেহৰপৰা জোনাকী পৰুৱাৰ দৰে জাকি মাৰি ওলাই আহিছে নয়নানন্দ ৰূপ-লাৱণ্য। কি প্ৰাণোচ্ছল সেই হাঁহিটো! দুৰৰাই এটা লহমাৰ বাবে ছোৱালীজনী দেখিছিল। ৰাস্তাটো পাৰ হ'বলৈ গৈ তাই সোঁ মাজতে ৰৈ গৈছিল। ক্ষিপ্ৰতাৰে ব্ৰেক্ মাৰি লাহেকৈ তেওঁ গাড়ীখন তাইৰ সমুখত ৰখাই দিয়াত

ছোৱালীজনী লাজতে ৰঙা পৰিছিল। তলমূৰ কৰি ৰৈছিল দুটামান মুহূৰ্তৰ বাবে। তাৰ পিছত দ্ৰুত খোজেৰে তাই আঁতৰি গৈছিল। যাবৰ পৰত তাই যেন দুৰৱাৰ চকুৰ আগত চৌদিশে টুকুৰা-টুকুৰ ৰূপৰ দ্যুতি হৈ ভাহি উঠিছিল!

ৰাতি উজাগৰে থাকি ছবিখন সম্পূৰ্ণ কৰাৰ পিছত দুৰৱাই এক অদ্ভুত ধৰণৰ স্বস্তি অনুভৱ কৰিলে। বহুদিন আবদ্ধ হৈ থকা নৰ্দমাৰ পানীহে যেন বান্ধ ভাঙি স্বচ্ছন্দ গতিৰে বৈ গ'ল। তেওঁৰ বিষণ্ণ ত্ৰস্ত চকু-মুখ উজলি উঠিল। অপাৰ আনন্দ আৰু তীব্ৰ উত্তেজনাত তেওঁ ক'ব নোৱৰাকৈয়ে পত্নী জুতিকাৰ কোঠা পালেগৈ। পুত্ৰ গোগীক সাবটি জুতিকা সুখ শয়নত। জুতিকাৰ শায়িত নিশ্চল শৰীৰটো দেখি চেতনা ঘূৰাই পোৱা মানুহৰ দৰে তেওঁ দ্ৰুত খোজেৰে নিজ কোঠালৈ ঘূৰি আহিল। কিবা এটা সংকোচে তেওঁক পুনৰ বশ কৰি পেলালে। যোৱা চাৰি বছৰে তেওঁ পত্নীৰ কোঠাত সোমোৱা নাই।

হাতত জ্বলোৱা চিগাৰেটটো লৈ আৰামী চকীখনত বহি দুৰৱাই মনত পেলাবলৈ চেষ্টা কৰিলে ছোৱালীজনীৰ মুখখন। সামান্য চেষ্টাৰো প্ৰয়োজন নহ'ল। কম্পিউটাৰৰ কীব'ৰ্ডত আঙুলি বোলোৱাৰ মাত্ৰকে ফিড কৰি থোৱা কাংক্ষিত ডাটা ওলাই অহাৰ দৰে দুৰৱাৰ চকুৰ আগত উজলি উঠিল ছোৱালীজনীৰ প্ৰতিমা মুখ। আঃ কি অপৰূপ সেই মুখ! তাই যেন ডা ভিঞ্চিৰ *ভাৰ্জিন অব দ্য ৰক্*ছৰ পৰীজনী। নহয়, নহয়, তাই *ভেনাছ*, ৰ'ডাৰ *চাচিকা*...।

চাহৰ কাপ লৈ বন কৰা ল'ৰা ৰঘুৰ সশব্দ প্ৰৱেশত দুৰৱাৰ তন্দ্ৰা ভাগিল। চাহকাপ হাতত লৈ তেওঁ ৰঘুক সুধিলে, "কি হ'ল, তোৰ বাইদেউৰা উঠাই নাই নেকি?"

পুৰা অভ্যাসবশতঃ তেওঁ প্ৰশ্নটো প্ৰায়ে ৰঘুক সোধে। ইয়াৰ উত্তৰ সম্পৰ্কে তেওঁৰ অকণো কৌতূহল নাই। সুধিব লাগে বাবেই সোধে। অন্য দিনাৰ দৰে "নাই" বুলি ৰঘু লাহেকৈ আঁতৰি যায়।

সাত বছৰৰ আগতে দুৰৱাই জুতিকাৰ সৈতে সংসাৰ পাতিছিল। অন্তৰৰ সমস্ত অনুভূতিৰে জুতিকাই তেওঁক আপোন কৰি লৈছিল। প্ৰথম তিনিটা বছৰ ভালদৰেই কাটি গ'ল। প্ৰত্যেক ব্যক্তিৰ সত্তাত এনে কিছুমান এলেকা থাকে য'ত কাৰো প্ৰৱেশৰ পাৰপত্ৰ নাই। দুৰৱাই জানে যে তেওঁৰ জীৱনত এনে এক নিষিদ্ধ এলেকা আছে য'ত জুতিকাতো দূৰৈৰ কথা তেওঁৰো প্ৰৱেশ সম্ভৱ হোৱা নাই।



জুতিকাই ঠিকেই অনুভৱ কৰিছিল যে সুনীল আকাশ দুৰৱা নামৰ এই প্ৰতিভাশালী চিত্ৰকৰজন প্ৰয়োজনাধিক আত্মমগ্ন, পজেছিভ। যি প্ৰখৰ ৰ'দ অথবা প্ৰবল বৰষুণকো আওকাণ কৰি আত্মপ্ৰতিষ্ঠাৰ ঘোঁৰা দৌৰাব পাৰে। কিন্তু জুতিকাই সকলো চম্ভালি লৈছিল। পিছে এদিন দুৰৱাৰ আত্মপ্ৰতিষ্ঠাৰ ইচ্ছা আসক্তিত পৰিণত হ'ল। আসক্তিয়ে মানুহক আত্মবশত থাকিবলৈ নিদিয়ে। গোগী তেওঁলোকৰ সংসাৰলৈ অহাৰ পিছত ক'ৰবাত যেন ছন্দপতন ঘটিল। দুৰৱাই পিতৃ হিচাপে পালন কৰিব লগা ন্যূনতম দায়িত্বও যেতিয়া পাহৰি গ'ল জুতিকাই তেওঁক বাধ্য হৈ সোঁৱৰাই দিব লগা হ'ল সেই দায়িত্বৰ কথা। সেইদিনাই তেওঁলোকৰ মাজত আৰম্ভ হ'ল দুৰ্বাদল কন্দল...।

তাৰ পিছত এঘাৰ বাই এঘাৰ ফুটৰ সৰু কোঠাটোত দুৰৱাই বন্দিত্ব বৰণ কৰিলে। দিনটো অফিচ কৰে, অফিচৰপৰা আহি দুৱাৰ-খিৰিকী বন্ধ কৰি কিতাপ পঢ়ে, অথবা আত্মক্ষয়ৰ ক্ষোভত উত্তেজিত মনটোক শান্ত কৰিবলৈ আনন্দ ভৈৰৱী শুনে। এক নিস্পৃহ নিস্তৰংগ জীৱন-যাপনৰ বলয় তৈয়াৰ কৰি ল'লে তেওঁৰ চাৰিওফালে। কেতিয়াবা বন্ধৰ দিনত গাড়ীখন লৈ ওলায় যায় আৰ্টিষ্টছ্ গীল্ডৰ ফালে।

যোৱা চাৰি বছৰে এখনো ছবি আঁকিব নোৱাৰি দুৰৱাই ভিতৰি ভিতৰি সকলো সময়তে এক উত্তেজনা অনুভৱ কৰিছিল। অনাদৃতভাৱে পৰি আছিল ৰং-তুলিকাবোৰ। বেৰত ওলোমাই থোৱা ছবিবোৰত ধূলিৰ তৰপ পৰিছে। মকৰাই জাল সাজিছে। নিজৰ অক্ষমতাৰ বাবে তেওঁ জুতিকাকে অপৰাধী সজায়। স্মৃতিজড়িত অশান্ত মনক শান্ত কৰিবলৈ তেওঁ খুলি লয় পুৰণি পেপাৰ ক্লিপিংবোৰ ঃ ৰাজ্যিক কলাবীথিকাত তেওঁৰ প্ৰদৰ্শনী চাই চিত্ৰৰসিক সমালোচকে লিখিছিল— দুৰৱাৰ ড্ৰয়িং, ৰূপবন্ধ বৰ্ণচয়ন অসাধাৰণ। তেওঁৰ সৃষ্টিত এক অনুপম শিল্পনৈপুণ্য প্ৰকট। দিল্লী, কলিকতাতো তেওঁৰ চিত্ৰ প্ৰদৰ্শনী হৈছিল। তেওঁৰ বৰ্ণ প্ৰয়োগৰ মসৃণতা যিকোনো চিত্ৰশিল্পীৰ ঈৰ্ষাৰ বিষয়। এই মসৃণতা আয়ত্ত কৰিবলৈ তেওঁ আঁকিছিল অজস্ৰ প'ট্ৰেইট। আজি পুৱালৈকে তেওঁ এই মৃত অতীতটোকে লৈ জীয়াই আছিল।

"ছাৰ গৰম পানী দিছোঁ।"

ৰঘুৰ মাতত সঁহাৰি দি দুৰৱা লাহেকৈ চকীৰপৰা উঠিল। বাথৰুমত সোমাল। প্ৰাতঃকাৰ্য সম্পূৰ্ণ কৰি স্নান কৰোঁতে তেওঁৰ আজি অন্য দিনতকৈ অধিক সময় ল'লে। বাথৰুমৰপৰা ওলাই আহি তেওঁ খৰধৰকৈ ব্ৰেকফাষ্ট খালে। অফিচলৈ যোৱা পলম হ'ব। টিফিনটো হাতত লৈ গাড়ীখনৰ দুৱাৰ খুলিবলৈ লৈ দেখিলে—

গাড়ীখনত ধূলি-মাকটি জমা হৈ আছে। আন দিনা হোৱা হ'লে ৰঘুক মাতি আনি তেওঁ খং কৰিলেহেঁতেন।

আজি তেওঁ গাড়ীখনৰ ওচৰত থিয় হৈ থাকি ৰঘুক মাতিলে।

ঃ গাড়ীখন ধূলিৰে পোত খাই আছে। চাফা নকৰ কিয় ?

ৰঘুৱে ক্ষিপ্ৰতাৰে চৰাই পাখিৰ ব্ৰাছটোৰে গাড়ীখনৰ ধূলিবোৰ আঁতৰাই দিলে। ঘণ্টাত চল্লিশ কিল'মিটাৰ স্পীডত গাড়ী চলাই দুৰৱা অফিচ পালেগৈ। নিজৰ অফিচ কক্ষত বহিয়েই তেওঁ টেবুলত কেইবাদিনো ধৰি দ'ম হৈ থকা ফাইলবোৰ তন্ন তন্নকৈ পৰীক্ষা কৰিলে। কিছুমানত সেউজীয়া চিয়াঁহিৰে টোকা আদি লিখিলে।

দ্ৰুততাৰে ফাইলবোৰ পৰীক্ষা কৰি তেওঁ নিজৰ কোঠাটোৰ চাৰিওফালে চালে। কোনো বিসংগতি দেখা নাপাই আশ্বস্ত হৈ চকীখনত গা এৰি দিলে। তেওঁৰ চকুৰ আগত ভাহি উঠিল সেই ছোৱালীজনী।

"ছাৰ, ছাৰ!"

দুৰৱাই তন্ময় হৈ আগন্তুকৰ ফালে চাই থাকিল। তেওঁ কিবা দিবাস্বপ্ন দেখিছে নেকি? চকুহাল মোহাৰি পুনৰ তেওঁ দুৱাৰখনৰ ফালে চালে। তেওঁৰ কোঠাত প্ৰৱেশৰ অনুমতি প্ৰাৰ্থনাৰে ৰৈ আছে এজনী ছোৱালী।

হয় হয়। তেওঁৰ অকণো ভুল হোৱা নাই। সিদিনা দেখা সেই ছোৱালীজনী। অনিন্দ্য সুন্দৰী। তাইৰ ৰূপ-সৌন্দৰ্য্যৰ সৈতে মিলি আছে যৌৱনৰ চপলতা। ক'তো কোনো খুঁত নাই, নাই কোনো আড়ষ্টতা। অপলক নেত্ৰে সেই ৰূপ দৰ্শন কৰি দুৰৱা বিমুগ্ধ-বিস্মিত। ছোৱালীজনীয়ে পুনৰ "ছাৰ" বুলি মতাতহে তেওঁৰ নিৰিষ্টতা ভাগিল। তেওঁ সব্যস্ততাৰে ছোৱালীজনী আৰু তাইৰ লগত অহা বান্ধৱীক কোঠাত বহুৱালে। চাহ-চ'পৰ অৰ্ডাৰ দিলে। আপ্যায়িত হৈ ছোৱালীজনীয়ে আগমনৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। ব'হাগী উৎসৱ পাতিছে। ছাৰে চান্দা দিব লাগে।

দুৰৱাই আৰু দিয়াৰ ইচ্ছা আছিল কিন্তু দিব নোৱাৰি দুঃখিত এনে ভাব দেখুৱাই টকা দুশ ছোৱালীজনীৰ হাতত দিলে। যাবৰ পৰত তাইৰ নামটো সুধিলে। যথা সময়ত ব'হাগী উৎসৱলৈ যোৱাৰ প্ৰতিশ্ৰুতিও দিলে।

ছোৱালীজনীৰ নাম লীনা। স্থানীয় কলেজৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰী। লীনা নামটো উচ্চাৰণ কৰি দুৰৱাই এটা দীৰ্ঘ নিশ্বাস পেলালে। এটা সন্মোহনে তেওঁক যেন টানি লৈ গৈ আছে। তেওঁ মন্ত্ৰমুগ্ধ, আৱিষ্ট। দ্বিতীয় মহলাত থকা তেওঁৰ অফিচ কক্ষৰপৰা



তললৈ নামি যোৱা লীনাৰ পদশব্দ তেওঁ উৎকৰ্ণ হৈ শুনি থাকিল।

যথা সময়ত ব'হাগী উৎসৱৰ আনুষ্ঠানিক নিমন্ত্ৰণ পালে দুৰৱাই। উদ্যোক্তাসকলে তেওঁক বিয়লি চাৰি বজাত মাতিছে। সেইদিনা এক মিনিটো পলম নকৰাকৈ তেওঁ উৎসৱথলী পালেগৈ। একান্তভাৱে লগ পালে লীনাক। লীনাই তেওঁক মাক-দেউতাকৰ সৈতে পৰিচয় কৰাই দিলে। চিত্ৰশিল্পী হিচাপে তেওঁলোকে আগতেই দুৰৱাৰ নাম শুনিছে। সেইদিনা লগ পাই আন্তৰিকতাৰে কথা পাতিলে।

এদিন অপ্ৰত্যাশিতভাৱে দুৰৱাই লীনাৰ ঘৰলৈও নিমন্ত্ৰণ পালে। অফিচৰ পিয়নজনে লৈ আহিছে চিঠিখন ঃ মিষ্টাৰ দুৰৱা, কাইলৈ আমাৰ বিবাহবাৰ্ষিকী। এখন্তেক দেখা দিলে কৃতাৰ্থ হ'ম। সময় বিয়লি পাঁচ বজা।

পিছদিনা সন্ধিয়া ঠিক পাঁচ বজাৰ লগে লগে দুৰৱা লীনাহঁতৰ ঘৰত উপস্থিত। সুদৃশ্য ফুলনিখনলৈকে আগুৱাই আহি এটা মিঠা হাঁহিৰে লীনাই তেওঁক আদৰণি জনালে। তেওঁক হাতত ধৰি ড্ৰয়িং ৰুমলৈ নি বহুৱালে। দুৰৱাই আকৌ এবাৰ প্ৰাণভৰি লীনাক চালে। পৃথিৱীৰ সমস্ত ৰূপ আত্মসাৎ কৰি তাই অনন্যা। এটা ৰহস্যময় হাঁহিৰে লীনাই যেন দুৰৱাৰ চাৱনিৰ অৰ্থ পঢ়ি পেলাইছে। দুৰৱাই অধিক প্ৰগলভতাৰে তেওঁৰ পুৰণি ছবিবোৰৰ কথা কৈছে। লীনাই তেওঁৰ নতুন ছবিখন চাবলৈ উৎসুকতা প্ৰকাশ কৰিছে। দুৰৱাই লীনাক ছবি আঁকিবলৈ উদগনি দিছে। লীনাই দুৰৱাক তাইৰ এখন প'ট্ৰেইট আঁকিবলৈ অনুৰোধ কৰিছে। কণ্ঠত তাইৰ আব্দাৰৰ সুৰ।

বিবাহ বাৰ্ষিকীৰপৰা গৈ সেই ৰাতিয়েই দুৰৱাই লীনাৰ এখন প'ট্ৰেইট আঁকিলে। কাইলৈ আবেলি চাৰি বজাত লীনা তেওঁৰ অফিচলৈ আহিব। তাইক অবাক কৰি তেওঁ প'ট্ৰেইটখন দাঙি ধৰিব। তাই আনন্দত বিভোৰ হৈ পৰিব। তাৰ পিছত তেওঁলোকে পৰিকল্পনা অনুসৰি মহানগৰীৰ এখন অভিজাত হোটেললৈ যাব। তাতে পালন কৰিব দুৰৱাৰ চল্লিশতম জন্মদিন। তেওঁলোকৰ সম্পৰ্ক বিঘ্নিত হোৱাৰ পিছতো প্ৰতি বছৰে জুতিকাই দুৰৱাৰ জন্মদিন পাতে। অনিচ্ছা সত্ত্বেও তেওঁ ইয়াত যোগ দিব লগা হয়। জুতিকাই তেওঁক জন্মদিনৰ ওলগ জনায়। আকস্মিক ছুটী লৈ এই দিনটোত তেওঁ ঘৰতে থাকে।

পিছদিনা পুৱা গা ধুই দুৰৱা প্ৰয়োজনতকৈ অধিক সময় আৰ্চীৰ সমুখত থিয় হৈ থাকিল। ৰূপালী বৰণ লোৱা চুলিবোৰত কলপ সানিলে। নীলা জিন্‌ছ পেণ্ট আৰু বগলীৰ পাখি যেন বগা টি ছাৰ্টটোৰে তেওঁক আজি বেছ স্মাৰ্ট দেখাইছে।

ব্ৰেক্‌ফাষ্ট খাই গাড়ীখনৰ স্পীডৰ মিটাৰ শূন্যৰপৰা চল্লিশৰ ঘৰলৈ উঠাই ঠিক দহ বজাৰ লগে লগে তেওঁ অফিচ পালেগৈ।

অফিচৰ ফাইলৰ মাজত সোমাই তেওঁ পাৰ কৰি দিলে দুপৰীয়াৰ সময়খিনি। আবেলি তিনি বজাৰ লগে লগে তেওঁ পুৱাৰেপৰা অনুভৱ কৰি থকা উৎকণ্ঠাই তীব্ৰ ৰূপ ল'লে। চাৰি বাজিবলৈ আৰু মাত্ৰ এঘণ্টা সময় বাকী। ষাঠিটা মিনিট। সাধাৰণতে তেওঁ অফিচত চিগাৰেট নোহোপে। কিন্তু আজি তেওঁ প্ৰথমবাৰৰ বাবে অফিচ কক্ষত চিগাৰেট হুপিলে। তেওঁ সোঁফালৰ খিৰিকীৰে দেখা ৰাস্তাটোলৈ চালে। এই ৰাস্তাটোৰে লীনা আহিব। ধূসৰভাৱে হ'লেও তেওঁৰ অফিচ কক্ষৰপৰা এই ৰাস্তাটোৰে যোৱা-অহা পথচাৰীক দেখা পোৱা যায়। চাৰি বজাৰ লগে লগে লীনাই তেওঁৰ অফিচ পাবহি বুলি কথা দিছিল। কলিং বেলটো টিপি পিয়নটোক মাতি দুৰৰাই এটা ৰুম ফ্ৰেছ্নাৰ অনালে। নিমিষতে সুবাসিত হৈ পৰিল তেওঁৰ কোঠাটো। কোঠাৰ আচবাব-পত্ৰ যথা স্থানত আছে নে নাই পৰীক্ষা কৰি তেওঁ খিৰিকীৰে ৰাস্তালৈ চালে। দেৱাল ঘড়ীটোৰ লগতে তেওঁৰ হাত ঘড়ীটোলৈ চাই নিশ্চিত হ'ল চাৰি বাজিবলৈ পোন্ধৰ মিনিট বাকী। পুনৰ ৰাস্তাৰ ফালে চাই দেখিলে দৃঢ় খোজেৰে এগৰাকী নাৰী তেওঁৰ অফিচৰ ফালে আহিছে। তেওঁ যি গতিৰে খোজ কাঢ়িছে সেই গতিৰে আহি থাকিলে ঠিক চাৰি বজাত দুৰাৰৰ অফিচ কক্ষ পাবহি। নিশ্চয় সেয়া লীনা আহিছে। তাই পিন্ধি অহা বেঙুনীয়া শাৰীখন তেওঁ চিনি পাইছে। সেই শাৰীখন তেওঁ উপহাৰ দিছিল।

চাৰি বাজিবলৈ মাত্ৰ তিনি মিনিট বাকী। দুৰৰাই শুনিবলৈ পালে এক মৃদু পদশব্দ। উৎকৰ্ণ হৈ ৰ'ল তেওঁ। খট্ খট্ খট্। তেওঁৰ ভুল হোৱা নাই, সেয়া নাৰীৰ খোজৰ শব্দ। শব্দবোৰ স্পষ্ট হৈ পৰিছে। চিৰি বগোৱাৰ শব্দ। উল্লাসভৰা উৎকণ্ঠাৰে ৰৈ আছে তেওঁ। পদশব্দবোৰ তেওঁৰ কোঠাৰ ফালে আহিছে। ঠিক চাৰি বাজিছে। তেওঁৰ কক্ষত দৃঢ় খোজেৰে প্ৰৱেশ কৰিছে সেই বেঙুনীয়া শাৰী পিন্ধা নাৰী।

স্তব্ধ অনড় বিমূঢ় হৈ তেওঁ জুতিকাৰ মুখলৈ চাই থাকিল।

ঠিক চাৰি বজাত জুতিকাই দুৰৰাৰ কোঠাত ভৰি দি জন্মদিনৰ ওলগ জনালে। প্ৰত্যুত্তৰত দুৰৰাই কিবা এটা ক'বলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁৰ মুখৰপৰা নিৰ্গত হ'ল এটা নিৰৰ্থক শব্দ।

পূৰ্ব প্ৰকাশ ঃ গৰীয়সী, চতুৰ্থ বছৰ, দশম সংখ্যা, জুলাই ১৯৯৭



# ক্লেদ, আচ্ছন্নতা ইত্যাদি

চাধাপালি মুখত ভৰাই বলোৰে দেৱাল ঘড়ীটোলৈ চালে। নামনিমুৱা বাছবোৰ আহিবৰ হৈছে। ঘৈণীয়েকক শুই থাকিবলৈ কৈ সি বাৰাণ্ডালৈ ওলাই আহিল। সি শুবলৈ সকীয়াই থৈ আহিলেও ঘৈণীয়েক সাৰে থাকে। কথাটো সি জানে। তথাপি সদায় কৈ অহাৰ দৰে আজিও সি ঘৈণীয়েকক শুই থাকিবলৈ ক'লে।

বাহিৰত ভৰপূৰ অন্ধকাৰ। টৰ্চৰ পোহৰ পেলাই জপনাখন চাই সি অলসভাৱে বেঞ্চখনত গাটো এৰি দিলে। শিৱসাগৰৰ জী-জোঁৱাই আহিব বুলি আজি বজাৰৰপৰা ৰৌমাছ এচকল আনিছিল। বাৰীৰ লফা শাকেৰে ঘৈণীয়েকে জুতি লগাকৈ ৰান্ধিলে। সেয়েহে ভাতকেইটামান আজি তাৰ পেটলৈ সৰহকৈ গ'ল। গাটো গধুৰ গধুৰ লাগিছে। ভাত ঘুমটিয়ে ধৰিছে। বাৰাণ্ডাখনতে সি দুখোজমান চলালে। নিশা এঘাৰমান বজাত বাছবোৰ আহে। শাৰী পাতি ইখনৰ পিছত সিখনকৈ তাৰ ঘৰৰ সন্মুখতে ৰয়। আধাঘণ্টামান সময় ৰখাই বাছবোৰ পুনৰ গন্তব্যস্থানলৈ ৰাওনা হয়। এই আধাঘণ্টা সময় সি পৰম উদ্বেগ আৰু উৎকণ্ঠাৰে বাৰাণ্ডাতে নিতাল মাৰি বহি থাকে। নামনিমুৱা বাছবোৰহে তাৰ ঘৰৰ সন্মুখত ৰয়। উজনিমুখী বাছবোৰ সিহঁতৰ ঠাইখন পায়হি মানে তাৰ হাল নিবলৈ উঠিবৰে হয়।

যিটো ঘটনাৰ বাবে বলোৰে নিতৌ নিশা এপৰমান বাৰাণ্ডাত খাপ দিয়ে সেই ঘটনাটোৰ উমান পোৱা আজি সৰহদিন হোৱা নাই। প্ৰথমতে সি কথাটো সিমান খেয়াল কৰা নাছিল। নৈশ বাছবোৰ তাৰ ঘৰৰ সন্মুখতে ৰয়। মাজনিশাও সিহঁতৰ সৰু ঠাইখন প্ৰাণচঞ্চল হৈ থাকে। কথাটো সি প্ৰথমতে বেয়া পোৱা নাছিল। কিন্তু দুৰ্গন্ধত যেতিয়া সি কাঁহিৰ ভাতমুঠিও সুখেৰে খাব নোৱৰা হ'ল, কিবা ঘিণ

ঘিণ লাগে, পথৰুৱায়ো তাৰ পদূলিৰ ওচৰত নাক সিঙতাই যোৱা দেখিলে, সেইদিনাই সি থিৰাং কৰিলে এই কথাই কথা নহয়। কিবা এটা হেস্ত-নেস্ত কৰিবই লাগিব। বাৰী-ঘৰৰ চাৰি চুক পোহৰাই ৰাখিব পৰাকৈ বিজুলী বাতি লগাবলৈ তাৰ সামৰ্থ্যই নুকুলায়। পোনতে সি ভাবিছিল, পদূলিমূৰতে গুমটি এখনকে দিব। কিন্তু ৰামলাল দোকানীয়ে দিয়া খৰচৰ অংকটো দেখি তাৰ সাহ নহ'ল। শেষত সি আঁচনিখন পাণ্ডি ঘৈণীয়েকক ক'লে। ঘৈণীয়েকে এটা বেঁকা হাঁহি মাৰি আঁতৰি গ'ল। ঘৈণীয়েকৰ ভেঙুচালি দেখি সি সেইদিনাৰপৰাই ৰাতি বাৰাণ্ডাত বহিবলৈ আৰম্ভ কৰিলে। হাতত টৰ্চটো আৰু কাষতে নাল-দীঘল দাখন।

বাছবোৰ অহাঁলৈ এতিয়াও কিছুপৰ বাকী। আহিলে প্ৰায় লানি নিছিগাকৈ আহে। পুনৰ চাধা এপালি মুখত ভৰাই সি পদূলিলৈ ওলাই গ'ল। কঠীয়াতলীত জোক গুচাবলৈ সি প্ৰথমে চূণ-চাধাত হাত দিছিল। তেহেলৈ জোক গুচাবলৈ নিয়া চাধা খাই তাৰ অভ্যাসত পৰিণত হ'ল।

তাৰ ঘৰৰ পদূলিমুখ আৰু চোতালখনৰ বাহিৰে চাৰিওফালে দিন যেন পোহৰ। দোকান-পোহাৰবোৰত যাত্ৰীৰূপী খন্তেকীয়া গ্ৰাহকক আকৰ্ষণ কৰাৰ সীমাহীন ব্যস্ততা। কেইবাটাও ৰেকৰ্ড প্লেয়াৰ, টেপ ৰেকৰ্ডাৰৰপৰা নিৰ্গত হৈছে শেহতীয়া হিন্দী গীতৰ ধাতৰ কলৰৱ। কোনে কিমান উচ্চা-স্বৰেৰে কোলাহলৰ সৃষ্টি কৰিব পাৰে, তাৰহে যেন এক অঘোষিত প্ৰতিযোগিতা! হোটেল-ৰেষ্টোৰাঁবোৰৰপৰা ওলাইছে মাছ-মাংস ৰন্ধা, কণী ভজাৰ এক মিশ্ৰিত গোন্ধ। এই ঠাইৰ মানুহখিনিয়ে যেন কোনো দিন আন্ধাৰ দেখা নাই। মাত্ৰ চাকিৰ তলৰ ছাঁৰ দৰে তাৰ ঘৰটোহে আন্ধাৰত ডুবি থাকে।

ক'লৈ যায় ইমানবোৰ মানুহ? সকলোৰে একেদিনাই কি কাম থাকে? দেখি সি হতভম্ভ হৈছিল। সৰহভাগ যাত্ৰী গুৱাহাটীলৈ যায়। কি আছেনো গুৱাহাটীত? কৌতূহলবশতঃ সিও এবাৰ গুৱাহাটীখন চাবলৈ মন মেলিলে। পোনতে ঘৈণীয়েককো নিয়াৰ কথা ভাবিছিল। কিন্তু অচিন মুলুক দেখি সাহ নকৰিলে। বন্দৱস্ত অনুসৰি সি শোৱা গাৰুটোতকৈও কোমল ছীট এটাত বহি গুৱাহাটী পালেহি। তেতিয়াও ভালকৈ পোহৰ হোৱা নাই। সি অনুমান কৰিলে হাল নিবলৈ উঠাৰ পৰতে গুৱাহাটী পাইছেহি। বাছৰপৰা নামি চাৰিওফালে চালে। পুৱাৰ কামফেৰা কৰাৰ বাবে তাক এডোখৰ সুচল ঠাই লাগে। ক'তো আন্ধাৰ অকণো নাই।



চাৰিওফালে চকু ছাট্‌মাৰি ধৰা বিজুলীবাতিৰ পোহৰ। ঠাই বিচাৰি সি চলাথ কৰিছে। ইফালে তাৰ চুৰিয়াতে যোৱা অৱস্থা! কিছু নিলগত এডোখৰ মুকলি ঠাই দেখি সি প্ৰায় দৌৰি যোৱাদি গ'ল। ইফালে-সিফালে চাই তাতে বহি পৰিল। কামফেৰা সম্পূৰ্ণ কৰিবলৈ নৌপাওঁতেই আহিল খেদা মাৰি লাঠীধাৰী চিপাহী এজন। চিপাহীৰ ৰুদ্ৰমূৰ্তি দেখি সি থৰহৰি কম্পমান। ফাট দিয়া বসুমতী পাতালে লুকাও অৱস্থা। চিপাহীয়ে তাক হাজোতলৈ নিয়েহে লাগে। তাৰ অপৰাধ গুৰুতৰ। পুলিচ থানাৰ সন্মুখতে সি সৰুপানী চুলে। সি কঁপি কঁপি চিপাহীক জয়দেউ কাকুতি কৰিছে। চিপাহীয়ে তাক শুদাই নেৰিলে। দহ টকা জৰিমনা বিচাৰিলে। নহ'লে ৰঙাঘৰৰ ভাত। টকা দহটা চিপাহীৰ হাতত গুজি দি সি তৎক্ষণাৎ সেই স্থান ত্যাগ কৰিলে। সেইদিনাই সি শপত খালে গুৱাহাটীলৈ আৰু কেতিয়াও নাহে। কেতিয়াবা ঘৈণীয়েকে গুৱাহাটী চাবলৈ অহাৰ কথা ক'লে মিলাই সাতোলাই পুতেকহঁতক হাতুৰী-বটালী নুচুবলৈ ডবিওৱাৰ দৰে সি ডবিয়াই উঠে।

পদূলিমুখলৈ ওলাই চাৰিওফালে চালেই তাৰ খেৰী ঘৰটোৰ জৰাজীৰ্ণ ৰূপটো অধিক প্ৰকট হৈ উঠে। সুদৃশ্য পকী মঞ্জিলবোৰৰ মাজত তাৰ ঘৰটো আৱৰ্জনাৰ দ'ম যেন লাগে। তাৰ পূৰ্বপুৰুষ এটা সিধিশতিকা ধৰি এই ঠাইতে বাস কৰি আহিছে। এই ভেটিটোতে তাৰ বাপেক-মাকে হাড় পেলালে। কতজনে যে তাক এই মাটিডোখৰৰ বাবে কত প্ৰলোভন দিছে, কিন্তু একোৱেই তাক টলাব পৰা নাই। বেচো বুলিলে মাটিডোখৰৰ বাবদ লাখ টকা পাব। সেই ধনেৰে সি ভিতৰুৱা ঠাইত অনায়াসে তিনি-চাৰি বিঘা মাটি কিনিব পাৰিব। কিন্তু পিতৃ-পুৰুষৰ ভেটি এৰিব কিয়? সিপুৰীবাসী হোৱাৰ আগতে ৰোগশয্যাৰপৰাই পিতাকে তাক শেতেলিৰ কাষত বহুৱাই লৈ কৈছিল; বোপাই, কোনোদিন এই ঘৰ-মাটি এৰি নাযাবি। স্থান হেৰালে মান হেৰায়।

ইয়াৰ দুদিন পিছতে পিতাকে চকু মুদিলে। কি খামিডাঠ মানুহ আছিল তেওঁ! বৰকৈ লৰিব-চৰিব নোৱৰা অৱস্থাতো পৰিপাটিকৈ ঘৰ চলাইছিল। দীৰ্ঘদিন শয্যাশায়ী হৈ থাকিও কোনো দিন বিছনাত প্ৰস্ৰাৱ-পাইখানা নকৰিলে। চুঁচৰি-বাগৰি হ'লেও বাহিৰলৈ উঠি গৈছিল। শয্যাৰপৰাই তাক নিৰ্দেশ দিয়ে কি কঠীয়া পাৰিব লাগিব, কোনডৰা মাটি কঁহাব লাগিব, জেওৰাৰ বাবে কোনজোপা বাঁহ কাটিব লাগিব। কোনোবাই তেওঁক নোসোধাকৈ বাঁহ কাটিলে যেন বিহহে খালে।

খঙত তেওঁ অগ্নিশৰ্মা হৈ উঠে। শব্দ শুনিয়েই তেওঁ গম পায়, কোনে বাঁহ কাটিছে। কোনে কাটিছে, কিয় কাটিছে ইত্যাদি প্ৰশ্ন কৰি সকলোকে ব্যতিব্যস্ত কৰে। পিতাক থকালৈকে বলোহঁতৰ ঘৰলৈ অহা আলহী তেনেই সেৰেঙা আছিল। পিতাকৰ একাচেকা স্বভাৱটোৰ বাবে ওচৰ-চুবুৰীয়াই তেওঁক সমীহ কৰি চলিছিল। য'তে-ত'তে তামোল খাই পিকালে বা চুণ সানিলে যিমানে ডাঙৰ মানুহ নহওক পিতাকে কাকো ৰেহাই নিদিছিল। ভালকৈ এজাৰণ দিয়ে। কিন্তু তেওঁৰ অন্তৰখন বৰ নিৰ্মল আছিল। ঘৰলৈ লগৰ সমনীয়া আহিলে বলো বৰ সাৰধান হৈ থাকে। কিজানি লগৰীয়াই পিতাকৰ অপ্ৰিয় কাম এটা কৰি পেলায়। বৰকৈ চলা-ফুৰা কৰিব নোৱৰা অৱস্থাতো বুঢ়াই দুই আঁঠুৰ ভিতৰত মূৰটো সুমুৱাই আগ-চোতালত বহি থাকে। খোজৰ শব্দ শুনিয়েই কোন আহিছে, কোন গৈছে কৈ দিব পাৰে। তেওঁক মাত নিদিয়াকৈ অহা মানে বৰলৰ বাহত হাত দিয়া। বলোৰ মাক আছিল পিতাকৰ সম্পূৰ্ণ বিপৰীত। বৰ সাদৰী আৰু সহিষ্ণু আছিল তাৰ মাক। মাতত যেন মৌ বৰষে। মাকে ৰন্ধা বিবিধ ব্যঞ্জনৰ জুতি এতিয়াও তাৰ জিভাত লাগি আছে। পথাৰৰপৰা আহি পুখুৰীত জোবোৰা মাৰি সি যেতিয়া ঘৰত সোমায়, বৰ ঘৰত পাণধোৱা কাঁহিত ভাত সজাই বৈ থাকে মাক।

ঃ আই, দমৰা গৰুৰেও ডেও দিব নোৱৰা এই দ'ম কাৰ ভাত অ'...।

ঃ এই দ'ম তোৰে, খাহি আহ্...

ঃ অ' সেইকেইটা মোৰহে...

মাকে হাঁহি হাঁহি বাগৰি পৰে।

শাওণৰ মন্থৰ মেঘৰ দৰে তাৰ মনত ভাহে স্মৃতিৰ টুকুৰাবোৰ। দৈত্য গৰ্জনেৰে পাৰ হৈ যোৱা এখন মালবাহী ট্ৰাকৰ শব্দত সি বাস্তৱলৈ ঘূৰি আহিল। ভাব জগতত আচ্ছন্ন হৈ সিনো কোন মুহূৰ্তত বাৰাণ্ডাৰ বেঞ্চখনত বহিলহি গমকে নাপালে। নিশা ভালেখিনি হ'লহি। দুৱাৰখন কানি দুৱৰীকৈ মেলি টৰ্চটো মাৰি দেৱাল ঘড়ীটোলৈ চালে। বাছবোৰ অহাৰ সময় উকলি যোৱা নাই। পুনৰ চাধা এপালি মাৰি মুখত ভৰালে। টৰ্চৰ পোহৰ সিঁচি চাৰিওফালে চালে। বাহিৰত পৰিপূৰ্ণ অন্ধকাৰ। গাড়ীৰ শব্দ শুনি সি কাণ উনাই থাকিল। সি ঠিকেই শুনিছে। বাছবোৰ আহিব লাগিছে। কোনটো বাছৰ শব্দ, কোনটো ট্ৰাকৰ শব্দ সি নিৰ্ভুলকৈ কৈ দিব পাৰে। এইমাত্ৰ প্ৰথম বাছখন আহি তাৰ পদূলিমুখত ৰৈছেহি। যাত্ৰীৰ খদম্দম্ সি বাৰাণ্ডাৰপৰাই দেখা পাইছে। এজন যাত্ৰী খৰধৰকৈ তাৰ ঘৰৰ ফালে আহিছে। যাত্ৰীজনৰ গতি-গোত্ৰ দেখি সি গলখেকাৰি মাৰিলে। অভীষ্ট সিদ্ধি নকৰাকৈ যাত্ৰীজন অহা বাটেৰে উভতি গ'ল। দুজনমান যাত্ৰীয়ে আন্ধাৰত ডুবি থকা তাৰ চোতালখনৰ ফালে ভুমুকি মাৰিছে। টৰ্চৰ পোহৰ সিঁচি সি তাৰ অস্তিত্বৰ জাননী দিছে। এখন এখনকৈ বাছবোৰ আহি আছে। শাৰীপাতি তাৰ ঘৰৰ সন্মুখত ৰৈছেহি। চকু-কাণ সজাগ কৰি সি বাৰাণ্ডাত বহি আছে। আজি তাৰ ঘৰৰ ফালে ভুমুকি মৰা যাত্ৰী কম। মানুহবোৰে তাৰ অস্তিত্বৰ উমান পাইছে নেকি?

লাহে লাহে ইখন-সিখনকৈ বাছবোৰ গ'লগৈ। ঠাইডোখৰ তথাপি নিজম পৰা নাই। বাৰাণ্ডাৰ বেঞ্চখন ভিতৰলৈ সুমুৱাই সি শুবলৈ সাজু হ'ল। ঠিক তেনেতে নাতিদূৰত দেখিলে দুটা ছায়ামূৰ্তি। দ্ৰুত খোজেৰে তাৰ ঘৰৰ ফালে আহিছে। জপনা খোলাৰ শব্দ হৈছে। সি য'তে আছে ত'তে নিশ্চুপ হৈ ৰ'ল। হাতেৰে খামুচি ধৰিলে দাখন। ছায়ামূৰ্তি দুটা তাৰ ফালে আগবাঢ়ি আহিছে। সিহঁতৰ ভৰিৰ শব্দ সি স্পষ্টভাৱে শুনিবলৈ পাইছে। ছায়ামূৰ্তি দুটাই চোতালত ভৰি দিছে। লগে লগে সি গৰজি উঠিল ঃ নৰাধমহঁত মুতিবলৈ ঠাই বিচাৰি নাপালি। মাৰ-বাপেৰে ইয়াত মুতা ঘৰ সাজি থৈছে?

ঃ পিতাই, অ' পিতাই। আমিহে, বাটত গাড়ী বেয়া হ'ল।

বলোৱে খৰধৰকৈ বেঞ্চখনত এৰি থৈ অহা টৰ্চটো আনি চাই দেখে শিৱসাগৰৰ জী-জোঁৱাই।

প্ৰস্তৰ মূৰ্তিৰ দৰে দুয়ো চোতালত ৰৈ আছে।

পূৰ্ব প্ৰকাশ ঃ গৰীয়সী, তৃতীয় বছৰ, একাদশ সংখ্যা, আগষ্ট ১৯৯৬

# চৰিত্ৰ

'হেৰি আপুনি সাধু এটা জানে নহয়। সেই যে ধূৰ্ত শিয়ালটোৱে কাউৰীজনীক গান গাবলৈ কৈ তাইৰ ঠোঁটৰ মঙহডোখৰ সৰকালে! আজিকালি কিন্তু সাধুটো ওলোটাকৈ কয়! কাউৰীজনীয়ে এতিয়া আগৰ দৰে গান নাগায়। মঙহডোখৰ পাখিৰ তলত লৈ ঠোঁট জোকাৰি ক'ব— "আগৰ দিন নাই নহয়।"

বিশ্ববিদ্যালয়ৰ নামী ক্ৰিকেটাৰ দেৱজিৎ বৰুৱাৰ ইন ছুয়িংগাৰটো দুৰ্জয় শৰ্মাই এনেদৰেই বাউণ্ডেৰীলৈ ওভতাই পঠালে। বৰুৱাৰ কাণ-মূৰ ৰঙা পৰিল। প্ৰথমটো বলতে আউট হৈ পেভিলিয়নলৈ অহা বেটছমেনৰ দৰে তেওঁ তলমূৰ কৰিলে। পিছে ঘটনাটো বৰ্ণনা কৰা মোৰ উদ্দেশ্য নহয়। মই বিচাৰোঁ মোৰ ৰুমমেট দুৰ্জয় শৰ্মাৰ আচৰিত কাণ্ড-কাৰখানাবোৰ পাঠকে জানক। বুজাৰ চেষ্টা কৰক। সেয়েহে শৰ্মাৰ কীৰ্তি-কাহিনীবোৰ লিখি ৰখাৰ হেঁপাহ বহুদিনৰে।

দুৰ্জয় শৰ্মাক বুজা বৰ সহজ নহয়। কিজানি ফ্ৰয়েড, য়ুংহঁতেও তাৰ মনঃস্তত্ত্ব অসুবিধা পালেহেঁতেন। জেম্‌ছ জয়চ বা কনৰাডৰ চৰিত্ৰৰ দৰে মন সমীক্ষণধৰ্মী বিচাৰ-বিশ্লেষণৰ প্ৰয়োজন শৰ্মাৰ ক্ষেত্ৰতো তীব্ৰ হৈ উঠিব পাৰে।

দুৰ্জয় শৰ্মা। হোষ্টেলৰ আৱাসীৰ বাবে এটা সাঁথৰ। এটা বৰ্ধমান কৌতূহল। সৰস আলোচনা— আড্ডাৰ কেন্দ্ৰবিন্দু।

শৰ্মা কেনেকৈ মোৰ ৰুমমেট হ'ল বহুতে সোধে। যথাসম্ভৱ বৰ্ণনা কৰি উত্তৰ দিওঁ— অতি আকস্মিকভাৱে। প্ৰিভিয়াছ পাছ কৰি আকৌ হোষ্টেললৈ আহিলোঁ। ১৫ নং কোঠাত মই আৰু নিউকামাৰ ৰূপেন। এদিন গমহ গমহকৈ দুৱাৰত নক কৰি সোমাই আহিল বিৰাট বপুৰ দুৰ্জয় শৰ্মা। পিন্ধনত 'ড'ন্‌ট তাচ মি' লিখা এটা টী ছাৰ্ট। কোটৰগত চকু। চকুহাল কোঠাটোত পিত্‌পিতাই ফুৰিছে। হঠাতে কিবা আৱিষ্কাৰ কৰাৰ দৰে শৰ্মাই প্ৰায় চিঞৰিয়েই দিলে— "আৰে আপোনাৰচোন ৰেজৰ আৰু ছেভিং ক্ৰিম আছে। আৰু মোৰ ব্ৰাছ আৰু লোচন আছে। হেৰি তেনেহ'লে আমিচোন একেলগে থাকিব পাৰোঁ।" মই হা-না একো ক'বলৈয়ে নাপালোঁ। শৰ্মাই নিউকামাৰ ৰূপেনক ক'লে— "অ' তই ১৮ নম্বৰলৈ যা। আমি বৰুৱাই মই একেলগে থাকিম।" সেইদিনাৰপৰা শৰ্মা মোৰ নতুন ৰুমমেট হ'ল। ডাড়ি কটা সঁজুলিৰে গঢ়ি উঠা এটা সম্পৰ্ক। যান্ত্ৰিক। শৰ্মাৰ বা মোৰ যদি ডাড়ি নাথাকিলেহেঁতেন? সঁচাকৈয়ে মই বঞ্চিত হলোঁহেঁতেন এটা বিচিত্ৰ চৰিত্ৰৰ সান্নিধ্যৰপৰা। ক'ৰবাত শৰ্মাৰ কাহিনী শুনি গাজাখুৰি গল্প বুলি উৰাই দিলোঁহেঁতেন। কলোঁহেঁতেন— শৰ্মা ফ্ৰিক মেডকেপ।

দুৱাৰত টোকৰ শুনিছোঁ। আঁঠুৱা তৰি শৰ্মা ইতিমধ্যে শুলে। লেখাখিনি লুকুৱাই থৈ কৈছোঁ— "ইয়েছ গেট ইন।" বিশেষ ভংগিমাৰে সোমাই আহিছে ৰমেন আৰু মনজিৎ।

ঃ অ' ৰাজীৱ। শৰ্মা শুলে নেকি?

ঃ শুলে।

ঃ আচ্ছা ৰমেন, ধৰি ল শৰ্মাৰ আঁঠুৱাখন এখন জাল। আঁঠুৱাৰ তলত সেইটো কি মাছ? (শৰ্মাৰ স্পেচিয়েল পেপাৰ ফিচাৰী)

ঃ এনেকৈ দীঘল দি পৰি থাকিলে শ'ল মাছ আৰু মুখখন মেলি থাকিলে ক'ব কমন কাৰ্প বুলি— ৰমেনৰ 'আম খাম গান গাম' ধৰণৰ উত্তৰ শুনি হাঁহিৰ বোমা ফুটিল। শৰ্মাই সাৰ পালে। মনজিতে পলম নকৰি শৰ্মাক গুড নাইট দিলে।

দুৰ্জয় শৰ্মাৰ নিজৰ লেপ নাই। আৰ-তাৰ লৈয়ে দুবছৰ চলাই দিলে। ফেব্ৰুৱাৰী মাহ। প্ৰচণ্ড জাৰ পৰিছে। লেপ বিচাৰি শৰ্মাই চলাথ কৰিছে। হোষ্টেলৰ ইমূৰৰপৰা সিমূৰলৈ ঢপলিয়াই আছে। অৱশেষত কমল কছাৰীৰ লেপখনকে তাৰ ৰুমমেটৰ বুলি আনিলে উঠাই। ইফালে লেপ বিচাৰি কছাৰী হায়ৰাণ। কথাটো গম পাই শৰ্মা নিতাল মাৰিলে। কাণে-মূৰে লেপখন লৈ টোপনিৰ ভাও জুৰিলে। কছাৰীয়ে দুৱাৰত নক্ কৰিলেহি। দুৱাৰ খোলাৰ আগতে লেপ নাই বুলি মই শৰ্মাৰ ইংগিতত কছাৰীক জনাই দিলোঁ। সি আঁতৰি গ'লত শৰ্মাই ক'লে— "তাৰ

ৰুমমেটনো এনে হাৰামিনে বাৰু লেপখন লৈ যাব লাগে।” তেতিয়াই শৰ্মাক লেপ এখন নিজাকৈ যোগাৰ কৰি নলয় কিয় বুলি ক'ম বুলি ভাবিছিলোঁ; নক'লোঁ।

পিছদিনা কথাটো সদৰি হ'ল। শৰ্মাই কছাৰীক কি উত্তৰ দিলে নাজানিলোঁ। দুয়ো কিন্তু আগৰ দৰেই অন্তৰংগ হৈয়ে থাকিল।

চিনেমা হলত বীৰদৰ্পে 'কিউ' নামানি টিকেট কটাত শৰ্মাৰ দৰে দ্বিতীয় এজন হোষ্টেলতে নাই। প্ৰকৃততে তেওঁ ভীষণ ভয়াতুৰ। ৰাতি সিৰিক্ কৰে কিবা শব্দ শুনিলেই শৰ্মাই ভয়ে ভয়ে সোধে— “মানুহ নে কোন অ?” ৰাতি বাহিৰলৈ অকলে নোলায়। জোৰ কৰি মোক লগত নিয়ে। হাতত থাকে ব্ৰেড কটা ছুৰীখন। বাহিৰৰপৰা আহি দুৱাৰত হুক লগাই মোক সকীয়াবলৈ নাপাহৰে— “এইটোকে আকৌ আপুনি মনজিতহঁতক ক'ব নালাগে।”

“... বৰফেৰে ঢকা উপত্যকাটোৰেদি আমি গৈ আছোঁ। মোৰ হাতত বৰ্ণালীৰ বেগটো। এটা গধুৰ বোজা। কিন্তু ঠাইডোখৰৰ সৌন্দৰ্য্যই সকলো পাহৰাই ৰাখিছিল। প্ৰায় তিনি কিলোমিটাৰমান গৈ আমি সোমাই পৰিলোঁ এটা শিলৰ সুৰংগৰ ভিতৰত। বৰ্ণালীহঁতৰ হাঁহিবোৰ প্ৰতিধ্বনিত হ'ল। ঠেকা খালে শিলৰ বুকুত। কাৰোবাৰ হৃদয়ত। তাৰপাছতে পালোঁগৈ আমাৰ লক্ষ্যস্থান— বৈদ্যনাথ। দৰ্শনাৰ্থীৰ দলদোপ-হেন্দোলদোপ। এটা অন্ধকাৰ গহ্বৰত ত্ৰিলোচনৰ মূৰ্তি। শুধ বগা বৰফৰ। গৰমকালি বৰফ গলি গ'লেও হেনো মূৰ্তিৰ আকাৰ সলনি নহয়। অদ্ভুত মহিমা। তাত এযোৰ পাৰ চৰাই আছে। বৰফৰ দৰে বগা। সিহঁতৰ বয়স কোনেও নাজানে। সেইযোৰ হেনো অমৰ পাৰ। অমৰ পাৰ বোলে যিকোনো মানুহে নেদেখে। ভাগ্য লাগিব। মই এজন মানুহক পালোঁ তেওঁ সাতবাৰ বৈদ্যনাথ দৰ্শন কৰিও অমৰ পাৰযোৰ দেখা নাই। বৈদ্যনাথত ঘূৰি ফুৰোঁতে দেখিলোঁ এজুম মানুহে থৰ লাগি কিবা চাই আছে। ওচৰলৈ গৈ দেখিলোঁ— এযোৰ পাৰ চৰাই। পাৰযোৰলৈ চাই সকলোৰে নমস্কাৰ কৰিছে। বুজিবলৈ বাকী নাথাকিল। ময়ো নমস্কাৰ কৰিলোঁ। আমি যোৱাৰ তিনি দিন আগতে ৰাজীৱ গান্ধীও হেনো বৈদ্যনাথলৈ গৈছিল। তেওঁ হেনো অমৰ পাৰ নেদেখিলে। ভাগ্য লাগিব ভাই।” — অলপতে এক্সকাৰচনৰপৰা অহা ৰমেনৰ বৈদ্যনাথৰ বৰ্ণনা শুনি দুৰ্জয় শৰ্মাৰ ভক্তিপ্ৰাণ উথলি উঠিল। দীঘল হুমুনিয়াহ এটা এৰি ক'লে— “বৈদ্যনাথৰ নিশ্চয় কিবা মহিমা আছে বুজিছা। নহ'লেনো পাৰ চৰাই অমৰ হ'ব পাৰেনে? মানুহেই অমৰ হ'ব পৰা নাই।” কম্পিউটাৰ বিজ্ঞানৰ ছাত্ৰ ভৰেশে শৰ্মাৰ মতকে সমৰ্থন কৰিলে। ইয়াৰ পাছতে আৰম্ভ হ'ল তাচৰ আড্ডা। এজাপ পালেই পৰীক্ষা পাছ। মনজিৎ, ৰমেন, ভৰেশ— প্ৰত্যেকে এজাপকৈ পালে। বাকী থাকিল দুৰ্জয় শৰ্মা। চতুৰ্থ জাপো ৰমেনে পোৱাত শৰ্মাৰ কাণ-মূৰ গৰম হ'ল। আলকাতৰাৰ দৰে ক'লা মুখখনত হঠাৎ আন্ধাৰ নামিল। পইণ্ট টুৰ চছ্মাযোৰ খুলি থোৱা মনজিতে শৰ্মাৰ মুখখন নেদেখা হ'ল। শৰ্মাৰ অৱস্থা দেখি হোষ্টেলখ্যাত হস্তৰেখাবিদ ৰমেনে গম্ভীৰ স্বৰেৰে ক'লে— “শৰ্মা, আপোনাৰ শনি বেয়া। আপুনি এযোৰ ক'লা পাৰ আমাৰ হোষ্টেলৰ বেলগছজোপাৰ তলত এৰি দিব। সব ঠিক হৈ যাব।”

শৰ্মাই আশ্বস্ত হৈ “দিম বাৰু” বুলি ক'লতে আৰম্ভ হ'ল পঞ্চম জাপৰ খেল। মনজিতৰ ইংগিতত কাৰ্ডমাষ্টাৰ ৰমেনে ছাফ্ল কৰিলে। শনিৰ নাম স্মৰণ কৰি শৰ্মাই পাত দাঙিলে। তাৰপাছত “মই পাইছোঁ” বুলি কৈ শৰ্মা ৰৈয়ে নাথাকিল। ট্ৰাংক খুলি এশটকীয়া নোট এখন লৈ একেবাৰে বজাৰ পালেগৈ। ক'লা পাৰ বিচাৰি পাত পাত কৰিলে। বিমুখ হৈ তেওঁ উভতিব লগা নহ'ল। কাৰণ তেওঁৰ পিছে পিছে গৈছিল ৰমেনহঁত। শৰ্মাক সিহঁতে বুজালে পাৰ নহ'লেও হ'ব। কুকুৰা হ'লেও কামত লাগিব। একে জীৱহে! পলম নকৰি শৰ্মাই কুকুৰা কিনিলে। ৰমেনহঁতৰ কথাৰ পাকত বেলগছৰ কথা পাহৰি শৰ্মাই কুকুৰাটো বজাৰতে মৰাই আনিলে। ৰাতি কুকুৰা মাংসৰ ভাত খাই দীঘল উগাৰ এটা মাৰি শৰ্মাই মোক ক'লে— “কোনোবাই মোক অন্ধবিশ্বাসী বুলি ক'ব পাৰে। কিন্তু শনিৰ নামত পাৰ এযোৰ দিম বুলি কোৱাতহে তাচজাপ লাগিল। কথাটো মন কৰিব।”

অথচ শৰ্মা অতি কৃপণ। কোনোৰে আজিলৈকে টকা পাঁচটা ধাৰে বিচাৰি বা কেণ্টিনত চাহ একাপো শৰ্মাৰপৰা সৰকাব পৰা নাই। শৰ্মাৰ কৃপণালিৰ এটা প্ৰখ্যাত নমুনা আছে। শৰ্মাৰ এখন পুৰণি চাইকেল আছে। চাইকেল আনক চলাবলৈ দিয়া দূৰৈৰ কথা। চাইকেলৰপৰা নামি কথা পাতিব লগা হ'লে প্ৰথমে সদায় তেওঁ টিলিঙাটো ধৰি লয়। কথা পাতি থাকোঁতে টিলিঙা পকোৱা বহুতৰে বদ অভ্যাস বুলি শৰ্মাই ভালকৈ জানে।

ৰাজনীতি মানে দুৰ্জয় শৰ্মাৰ মতে মুকলি পথাৰৰ এজোপা গছ। চৌদিশৰপৰা মানুহ আহিছে-গৈছে। ৰাজনীতি মানে স্বাৰ্থ আৰু স্বাৰ্থ মানেই ৰাজনীতি। ইটো

সিটোৰ পৰিপূৰক। সেয়েহে শৰ্মাই গুৱাহাটী মহানগৰীত চাকৰি নাপালে হেনো শিলঘাটলৈ ৰাজধানী উঠাই নিয়াৰ বাবে জোৰদাৰ প্ৰচাৰ চলাব। ছহিদ পৰিয়ালক লৈ মিটিং কৰিব। চৰকাৰৰ ভণ্ডামিবোৰ উদঙাই দিব। অৱশ্যে শৰ্মাই যোৱা নিৰ্বাচনত বৰ্তমান এগৰাকী কেবিনেট মন্ত্ৰীৰ হৈ খুব খাটিলে।

মোৰ ৰুমমেট দুৰ্জয় শৰ্মা আজি হোষ্টেলৰপৰা যাবগৈ। মনটো ভাৰাক্ৰান্ত হৈ পৰিছে। কিবা এটা বোবা বেদনা অনুভৱ কৰিছোঁ। ডাঢ়ি কটা সঁজুলিৰে গঢ়ি উঠা আমাৰ সম্পৰ্কটো অনুভৱৰ অতলত প্ৰৱেশ নকৰিলেও শৰ্মাৰ সান্নিধ্যই মোক বহুত শিকালে। মানৱ চৰিত্ৰ সম্বন্ধে মোৰ বহুতো অমীমাংসিত প্ৰশ্নৰ উত্তৰ দিলে। সঁচা— দুৰ্জয় শৰ্মা অংকৰ ছাত্ৰৰ বাবে ডাইনেমিক্‌ছ, ইংৰাজী সাহিত্যৰ ছাত্ৰৰ ষ্ট্ৰাক্‌চাৰেলিজম। শৰ্মা আইজেনষ্টাইনৰ ছবিৰ এটা চৰিত্ৰৰ দৰে।

পূৰ্ব প্ৰকাশ ঃ ৰংঘৰ, জুন ১৯৮৮



# ফান্দী, পুত্ৰ আৰু নাতি

তুমি সেই নিৰ্বিশেষ মুখ
যাক তুমি চাব খুজিছিলা মোৰ
চঞ্চল-মতি লাজুক আৰ্চিত
আজি সেই মুখ বাৰে বাৰে প্ৰক্ষেপ কৰিছোঁ
মোৰ শোক, তাপ আৰু ব্যথাভৰা মুখত
পিতা, তুমি এতিয়া মোৰ পুত্ৰ
মই আদেশ, তুমি পালোঁতা...

মই সাৱধানে-সচেতে তোমাৰ পিছ লৈছোঁ। তুমি থপ্‌থপ্‌কৈ আকৌ দৌৰিবলৈ শিকিছা। মাটিত বাগৰি পৰিছা। কুমলীয়া আদা যেন হাতৰ আঙুলি এটা মুখত ভৰাইছা।... এয়া কি, তুমি আকৌ মাটি খাইছা! কিন্তু তুমিতো এতিয়া ‘বৰটো’ হ’লা। কাকো নোকোৱাকৈ ঘৰৰপৰা ওলাই যোৱাৰ কি মজা! তুমিও যাবা। তাৰ আগতে কৈ যাবানে তোমাৰ সুশীল জীৱন কথা। পাতনিৰ সেই নীৰৱ সোঁৱৰণ। কৈ যোৱা, আধা ফুটা মাতেৰে হ’লেও। মই জানো তুমি ক’বা। কাৰণ তুমি মোৰ একান্ত বাধ্য। মই আদেশ— তুমি পালোঁতা। আমি অভিন্ন সত্তা।

তুমি কৈ গ’লে, তাৰ ফাঁকে ফাঁকে ময়ো দুই-এটা ক’ম। তুমি কথা মথি থাকোঁতে ময়ো মূৰ উলিয়াই চাম। যিদৰে বাবা ব্ৰহ্মপুত্ৰৰ সোঁতত শিহুৱে ভুটুংকৈ মূৰ উলিয়ায়। কঁকিলামুখত বালিভাত খাবলৈ গৈ লুইতত শিহু দেখাৰ কথা তোমাৰ নিশ্চয় মনত আছে। পঞ্চল্লিশ বছৰৰ আগৰ কথাবোৰ তোমাৰ ফট্‌ফটীয়াকৈ মনত

থাকে। অথচ পঞ্চলিশ মিনিট আগৰ কথাবোৰ তুমি সমূলি পাহৰা। এহো বাহ্য। আৰু পলম নকৰিবা। কৈ যোৱা...

মোৰ এই দহোকুৰি অনুৰোধ নেওচিব নোৱাৰি এয়া দেউতাই কিবা ক'বলৈ মুখ মেলিছে। মই তেওঁৰ মুখলৈ ব্যগ্ৰতাৰে চাইছোঁ।

ঃ এতিয়া আমাৰ বয়স আশীৰ ওচৰ চাপিছে। জীৱনটো কেনেকৈ আঙুলিৰ ফাঁকেৰে সৰকি গ'ল গমেই নাপালোঁ। এই বয়সত আমাৰ নিজৰ বাবেই হওক বা সমাজৰ বাবেই হওক, লাভ-লোকচানলৈ আওকাণ কৰি কিছু কথা ক'ব লগা আছে। দ্বিধাহীনভাৱে। নহ'লে আমি ইহ সংসাৰৰপৰা বিনাকষ্টে বা শান্তিৰে মৰিব নোৱাৰিম। কিবা গুপুত কথা লুকুৱাই ৰাখিলেও মৃত্যুৰ বেলাত তাক প্ৰকাশ কৰিহে মৰিব লাগিব। অন্যথা জীৱ বাজ হৈ যাব হোৱাৰে। আমাৰ মন-অন্তৰ সদায় পৱিত্ৰ কৰি ৰাখিব লাগে।

১৯৩৫ চনত লক্ষ্মী পূৰ্ণিমাৰ দিনা মোৰ জন্ম হৈছিল। নগা পাহাৰৰ দাঁতিত যোৰহাট জিলাৰ বৰহোলাৰ ওৰঙ্গিয়াল গাঁৱত। দৰঙৰ ওৰাং নামৰ ঠাইখনৰপৰা আমাৰ পূৰ্বপুৰুষ তালৈ উঠি গৈছিল। সেয়েহে গাঁওখনৰ নাম ওৰঙ্গিয়াল। গাঁও নহয় যেন দ্বীপহে। চাৰিওফালে পানী। গাঁওখনৰ উত্তৰ দিশত কাকডোঙা নদী। পশ্চিমে এটা ডাঙৰ জলাশয়। দক্ষিণ-পূবত এটা জান আৰু এখন বহল দ খেতি-পথাৰ। তাত হাল বালে ম'হৰ বুকু মাটিত লাগি যায়গৈ। বাৰিষা আমি তাতে আবদ্ধ হৈ থাকিব লাগে। নাও বা দলং নহ'লে ক'লৈকো ওলাই যাব নোৱাৰি। মোৰ পিতাৰ নাম মিনাৰাম। হাতী চিকাৰ কৰিছিল। ফান্দ লগাই হাতী ধৰিছিল বাবে বহুতে তেওঁক মিনাৰাম ফান্দী বুলিও মাতিছিল।

ঃ দেউতা, মই শুনিছিলোঁ ককাদেউতা থাউকাল চেহেৰাৰ যদিও বৰ বলৱান পুৰুষ আছিল। সোঁহাতৰ তৰ্জনীৰে তেওঁ কলগছ বিদ্ধ কৰিছিল। ভৰ বাৰিষা দৈয়াং নদীৰ ইটো পাৰৰপৰা সিটো পাৰলৈ ঔটেঙা দলিয়াই ঘৰলৈ আনিছিল। তেওঁ মুঠ এশ পাঁচ বছৰ জীয়াই আছিল। আমৃত্যু তেওঁৰ দাঁত সৰা নাছিল। তেওঁ হেনো নিতৌ ভেৰেনা গছৰ ঠানিৰে দাঁত মাজিছিল। ধোঁৱা ওলাই থকা তপত ভাত আৰু হাতীখুজীয়া বাতিৰে এবাতি তপত গাখীৰ খাইছিল। গাখীৰ তপত হৈ নাথাকিলে নাখাওঁ বুলি দলিয়াই দিছিল। জীৱনৰ শেষ দিনকেইটাত তেওঁ কোনো আহাৰ গ্ৰহণ নকৰিলে। মৃত্যুৰ আগদিনা মায়ে হেনো তেওঁক সুমথিৰা ৰস খুৱাইছিল। ককাৰ হাতী ধৰা মন্ত্ৰ কিছুমান আছিল। সেইবোৰ সাঁচিপাতত লিখা। আমাৰ ঘৰৰ একমাত্ৰ কাঠৰ আলমাৰিটোত মন্ত্ৰবোৰ সযতনে ৰখা হৈছিল। মই পুৰণি অসমীয়াত লিখা মন্ত্ৰবোৰ পঢ়ি চাইছিলোঁ। পঢ়োঁতে পঢ়োঁতে দুই-এটা মন্ত্ৰ মুখস্থ হৈ গৈছিল। এদিন মোৰ এই মুখস্থ বিদ্যা মাৰ আগত জাহিৰ কৰোঁতে মাই সন্তোষ পোৱাৰ সলনি গভীৰ আশংকাহে প্ৰকাশ কৰিলে। যাদু-মন্ত্ৰ মুখস্থ থকাজনৰ গাত হেনো অপদেৱতাই লম্ভে। মন্ত্ৰবোৰ পাহৰি যাবলৈ মায়ে মোক বহুদিন সকীয়ালে, ডবিয়ালে। দুদিনমান 'কৃষ্ণ কৃষ্ণ' বুলি গাত সৰিয়হ গুটি ছটিয়াই তাৰে এমুঠিমান মোৰ মুখৰ আগত দুবাৰমান ঘূৰাই জুইত পুৰিলে। মুখ ভাঙিলে। মন্ত্ৰবোৰ মই পাহৰি গ'লোঁ। পিছে এবাৰ মুখস্থ কৰাৰ কথা জানি-শুনি পাহৰিবলৈ কিমান যে কষ্ট হয়! চোৱাচোন দেউতা, তোমাক ক'বলৈ দি মইহে বকলা মেলিছোঁ। বাজিব লাগে টেমি কটাৰী, বাজিছে হাঁচতি! তুমি কৈ যোৱা দেউতা। অৱশ্যে তুমি ভাল শ্ৰোতাও। সৰুতে তোমাৰ অন্তৰংগ বন্ধু নবীন বুঢ়াগোহাঁই ছাৰ আমাৰ ঘৰলৈ আহোঁতে তেওঁ অনৰ্গল কথা কৈছিল। তুমি নীৰৱে শুনিছিলা। বুঢ়াগোহাঁই ছাৰৰ কথাৰ মাজতে তোমাৰ এষাৰ সাৰুৱা কথা শুনিবলৈ মই ব্যগ্ৰতাৰে বাট চাই আছিলোঁ। এতিয়া তুমি কৈ যোৱা। তুমি কথক, মই শ্ৰোতা। তুমি ওজা, মই পালি। অ' দেউতা, তুমি ঢোল আৰু খোল বাব জানিছিলা। তোমাৰ সখী, আমাৰ তাৰৈ, নিপুণ খোলবাদক আছিল। দেউতা, এতিয়া তোমাৰ পাল, কৈ যোৱা...

ঃ মই ঘৰখনৰ পেটমোচা সন্তান। আমাৰ ককাই-ভাই পাঁচজন আৰু বাই-ভনী দুজনী। মাতৃৰ নাম বিলাহী কোচ। মুখৰ বৰণ বিলাহীৰ দৰে আছিল বাবেই এই নাম।

ঃ দেউতা, তোমাৰ গাৰ বৰণো বিলাহীৰ দৰেই আছিল আৰু বিলাহীৰ পুৰা পিটিকা খাই তুমি বৰ তৃপ্তি পাইছিলা।

ঃ মা সহজ-সৰল ৰঙিয়াল অশিক্ষিত মহিলা। 'ক'ৰ চুককেইটা নাজানিছিল। মই গাঁৰৰ প্ৰাইমেৰী স্কুলত পঢ়া-শুনা আৰম্ভ কৰোঁ। স্কুলখন সেই সময়ত প্ৰাদেশীকৃত নাছিল। নাছিল স্থায়ী শিক্ষক। 'ক' আৰু 'খ'মানৰ শ্ৰেণী দুটা কেইবাজনো শিক্ষকৰ তলত পঢ়িব লগা হৈছিল। ইজনৰ পিছত সিজন শিক্ষক বদলি হৈছিল। দুটা শ্ৰেণী পঢ়াৰ পিছত ককাইদেউৰ লগত সৰু কছাৰী গাঁওলৈ আহিলোঁ। তাতে তুৰাৰাম হাজৰিকা ছাৰৰ তলত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণী পঢ়ি এল পি স্কুলৰ শিক্ষান্ত

পৰীক্ষাত উত্তীৰ্ণ হ'লোঁ। সৰু কছাৰী স্কুলখন চৰকাৰী সাহায্যপ্ৰাপ্ত আছিল। স্কুলখনলৈ যোৱা আলিবাটটো পি ডব্লিউ ডিৰ হ'লেও কেঁচা আৰু ঠেক আছিল। আমাৰ ঘৰৰপৰা স্কুলখনলৈ দূৰত্ব আছিল প্ৰায় দুই কিলোমিটাৰ। স্কুলত পঢ়াৰ সময়ত ঘৰত খেতি-বাতি কৰিব লগা হৈছিল। নাঙলৰ মুঠিত ধৰা নাছিলোঁ যদিও হাল বোৱা ম'হটোৰ নাকি ধৰি আগে আগে যাব লগা হৈছিল। নহ'লে ম'হটোৱে হালোৱাজনক উভতি ধৰে। তদুপৰি ঘাঁহ কটা, কঠীয়া ৰখা, কোৰ মৰা আদি কামৰ ভাৰ মোৰ ওপৰত আছিল। এদিন ম'হৰ পিঠিত উঠি চৰাই ফুৰোঁতে টোপনিয়ে হেঁচা মাৰি ধৰাত ম'হটোৰ আগতে মই বাগৰি পৰিছিলোঁ। ভাগ্যে বৰ ডাঙৰ আঘাত নাপালোঁ।

ঃ দেউতা, পিছৰ জীৱনতো তোমাক সময়ে-অসময়ে টোপনিয়াই থকা দেখিছিলোঁ।

ঃ উচ্চ শিক্ষা ল'ব লাগে। দেউতাই মোক লৈ বৰ আশা কৰিছিল। সেয়েহে গোলাঘাট চহৰৰ ফণী বৰদলৈ টাউন হাইস্কুলত নামভৰ্তি কৰাই দিলে। তেতিয়া আজিকালিৰ দৰে গোলাঘাটলৈ যাবলৈ বাছ-মটৰ নাছিল। মই খোজ কাঢ়ি অহা-যোৱা কৰিছিলোঁ। প্ৰায় দহ মাইল বাট। পিছত দেউতা আৰু ককাইদেৱে স্কুলৰ ওচৰতে বাঁহ-বেত আৰু টকৌ পাতেৰে ঘৰ এটা সাজি তাত থকাৰ ব্যৱস্থা কৰি দিছিল। প্ৰতি শনিবাৰে ঘৰলৈ আহোঁ। এসপ্তাহৰ কাৰণে চাউল জলপানৰ মোনা লৈ সোমবাৰে আকৌ খোজকাঢ়ি উভতি যাওঁ। বাটত ঘিলাধাৰী নদীখন পাৰ হ'বলৈ তিয়নি এখনো লৈ যোৱা মনত পৰে। সোমবাৰে স্কুল খোলাৰ ঠিক আগে আগে গোলাঘাট নগৰ পাওঁগে। চাউল-জলপানৰ মোনাটো বৰ্ডিঙত থৈ হাত-মুখ ধুই কিতাপ জাপ লৈ স্কুললৈ যাওঁ। পানী খোৱা ছুটীত আহিহে চাহ-জলপান অলপ খাওঁ।

ঃ তুমি বিপ্লৱী বীৰ শংকৰ বৰুৱাৰ ঘৰৰ চৌহদত আছিলা। বাহিৰৰপৰা পঢ়িবলৈ যোৱা ছাত্ৰসকলৰ বাবে এই প্ৰখ্যাত স্বাধীনতা সংগ্ৰামীগৰাকীৰ সেই ঘৰখন আশ্ৰয়ৰ থল আছিল। তেখেতে ছাত্ৰসকলক তেওঁৰ চৌহদত ঘৰ সাজি থাকিবলৈ অনুমতি দিছিল। এবাৰ তোমাক সেইফালে ফুৰাবলৈ নিওঁতে সেই ঠাইখন তুমি মোক দেখুওৱা মনত আছে।

ঃ আমাৰ গাঁৱৰ ঘৰৰপৰা তিনি কিলোমিটাৰ আঁতৰত ফুলনি গাঁও। সেই গাঁওখনৰ হৰিপ্ৰসাদ গগৈ আমাৰ স্কুলতে পঢ়িছিল। তেওঁ মোৰ সৈতে বৰ্ডিঙত থাকিবলৈ ল'লে। তেওঁ মোতকৈ দুবছৰমান ডাঙৰ আছিল। আমি বৰ্ডিঙত থকা সময়ত দেউতাই বাঁহ খৰি আদি কান্ধত লৈ গৈ আমাক যোগাৰ ধৰিছিল। পিছলৈ হৰিপ্ৰসাদ গগৈৰ ফুলনি গাঁৱৰ ঘৰখন মোৰ ভাতঘৰ হ'ল। তেওঁলোকৰ ঘৰতে খাই-বৈ ৰাতিটো কটাই একেলগে স্কুললৈ যাওঁ। শনিবাৰে ঘৰলৈ আহিলেও এটা ৰাতি তেওঁলোকৰ ঘৰতে কটাওঁ। ঘৰলৈ আহিলে দিনটোৰ ভিতৰতে ঘূৰি যাওঁ। আমাৰ ঘৰৰপৰা আলিবাটলৈ ওলাবলৈ এখন ডাঙৰ পথাৰ পাৰ হ'ব লাগে। ব'হাগ বিহুত সেই পথাৰখনৰ মাজত থকা এজোপা ডাঙৰ আমগছৰ তলত গাঁৱৰ গাভৰুহঁতে হাতত টকা লৈ বিহুনাম গাই নাচে। তেওঁলোকৰ বিহু নাচ চাবলৈ ডেকা-বুঢ়া-ল'ৰা সকলো আহে। কোনোজন ডেকা ল'ৰাই পেঁপা বজায়। গাভৰুহঁতে হাত-মেলি, কঁকাল ভাঙি নাচে। এই বিহু প্ৰায় পোন্ধৰ দিনলৈকে চলিছিল। বিহু শেষ হোৱাৰ আগতেই স্কুল খোলে। বিহু চলি থাকোঁতেই হাতত চাউলৰ মোনাখন লৈ বহল পথাৰখনৰ মাজে মাজে মই অকলশৰে নগৰলৈ বাট লৈছিলোঁ। ভাবি মনত দুখ পাইছিলোঁ। লগৰীয়াসকল বিহুত মতলীয়া। মইনো কিয় ব্যতিক্ৰম ? হে প্ৰভু, মোকনো ক'লৈ নি আছা ?

ঃ সেয়া যে তোমাৰ এক্লা চলোঁ ! সঁচাকৈয়ে দেউতা সেই দুৰ্গম, আওহতীয়া অঞ্চলটোত তুমি ব্যতিক্ৰম আছিলা।

ঃ মই সপ্তম মানলৈ উত্তীৰ্ণ হোৱাৰ সময়তে বৰহোলাৰপৰা যোৰহাটলৈ এখন বাছ চলাচল আৰম্ভ হয়। এই সুবিধা লৈ গোলাঘাট স্কুলৰপৰা বদলিৰ প্ৰমাণ-পত্ৰ লৈ তিতাবৰৰ চৰকাৰী সাহায্যপ্ৰাপ্ত মিহিৰাম শইকীয়া হাইস্কুলত অষ্টম মানত নামভৰ্তি কৰালোঁ। তেতিয়াহে শিক্ষা লাভৰ বাবে নগৰলৈ অহা-যোৱাৰ কষ্টৰ অন্ত পৰিল।

তিতাবৰত তোমাৰ সহপাঠী আছিল প্ৰসিদ্ধ কবি-সমালোচক আৰু মোৰ শিক্ষাগুৰু হীৰেন্দ্ৰ নাথ দত্ত।

ঃ মই হাইস্কুলত পঢ়াৰ সময়তো আমাৰ গাঁৱৰ বা কাষৰ-পাঁজৰৰ গাঁৱৰ কোনেও স্কুললৈ যোৱা নাছিল। অৱশ্যে মই স্কুলত নাম লগোৱাৰ দুবছৰৰ পাছত আমাৰ গাঁৱৰ দুজন ল'ৰাই মই পঢ়া বিদ্যালয়খনতে নামভৰ্তি কৰাইছিল। কিন্তু এবছৰ হ'ল কি নহ'ল তেওঁলোকে বিদ্যালয় এৰিলে। সেই কালত কাৰোবাৰ ঘৰত

সকাম বা বিয়া-বাৰু পাতিলে গোটেই গাঁওখন তাত উবুৰি খাই পৰে। সেই দিনটো গোটেই গাঁওখনৰ বাবেই এটা আনন্দময় দিন। তাৰপৰা বঞ্চিত হয় বুলিয়েই আমাৰ ককাইদেউ আৰু অন্য দুজন ল'ৰাই এল্ পিলৈকে পঢ়ি আধাতে স্কুল এৰিলে। শিক্ষাৰ গুৰুত্ব নাছিল। বহুতেই কোৱা শুনিছিলো— "আমাৰ ল'ৰাই পঢ়ি-শুনি কেৰাণী-মহৰী হ'ব নালাগে। খেতি কৰিয়ে খাব।" তেতিয়া বৰহোলা চাহ বাগিচাত কাম কৰাসকলকে শিক্ষিত লোক বুলি ভবা হৈছিল। এই চাহ বাগিচাখনত প্ৰতি দেওবাৰে এখন বজাৰ বহিছিল। আগতে বৰহোলা কেৱল এখন চাহ বাগিচাহে আছিল। ব্ৰিটিছে পতা বাগিচা। বাগিচাখন খোলাৰ সময়ত প্ৰথমে অসমীয়া বনুৱাই তাত কাম কৰিছিল। এই বাগিচাখনক কেন্দ্ৰ কৰি এখন দেওবৰীয়া হাট বহিছিল। বাগিচাৰ মানুহৰ চাহিদা পূৰাইছিল। কালক্ৰমত এই বজাৰখনৰ পৰিসৰ বাঢ়িল। বৰহোলাৰ কাষৰ-পাঁজৰৰ ঠাইবোৰৰ লগতে নগা পাহাৰৰ চাংপাং বস্তিৰ ল'থা নগাসকল এই বজাৰলৈ আহিবলৈ ল'লে। তেওঁলোকৰ পিঠিত বৰ বৰ হোৰা। হোৰাত আদা, জলকীয়া, বনৰীয়া আলু, ৰঙা লাউ, সুমথিৰা আদি। বজাৰত তেওঁলোকে সেইবোৰ ভৈয়ামৰ মানুহৰ লগত সলাইছিল। ভৈয়ামৰপৰা তেওঁলোকে পাহাৰলৈ নিমখ নিছিল। লোণপুৰীয়া গাঁৱৰ নিমখ! কেতিয়াবা তেওঁলোকে বাটে-ঘাটে ঘূৰি ফুৰা গৰাকীবিহীন কুকুৰো ধৰি নিছিল। 'কুকুৰী পিঠা' তেওঁলোকৰ প্ৰিয় খাদ্য। এই বজাৰখনলৈ আঠখেলিয়াৰপৰা মকৰঙলৈকে, তৰাণিৰপৰা ৰজা বাহাৰলৈকে আৰু আনকি বছা গাঁৱৰ লোকো আহিছিল। বজাৰখনেই বৰহোলা অঞ্চলৰ পৰিসৰ বঢ়ালে। ধান উৎপাদনত গোটেই অসমতে বৰহোলাৰ সুনাম। এতিয়া পনীয়া সোণো ওলাইছে। অ' এন জি চিয়ে খনন চলাইছে। বৰহোলা এখন তৈলনগৰী হ'বলৈ সৰহদিন নাই। আহোম ৰজাৰ দিনতো বৰহোলাৰ সুখ্যাতি আছিল। ইতিহাসত আমি আহোম-কছাৰীৰ যুদ্ধৰ কথা পঢ়িবলৈ পাওঁ। এবাৰ কছাৰীসকলে যুঁজত টিকিব নোৱাৰি কাকডোঙা নদীৰ পাৰ পায়হি। তেতিয়া কাকডোঙৰ নাম দিলখিৰি। এই নদীখনে যোৰহাট আৰু গোলাঘাট জিলাৰ মাজৰ সীমা নিৰ্ধাৰণ কৰিছে। নদীখন নগালেণ্ডৰ মোককচাং জিলাৰ উত্তৰাঞ্চলৰপৰা ওলাইছে। তাত এই নদীৰ নাম ৰংপং। অতীজত কাকডোঙাৰ পাৰত কেইবাখনো নগৰ আছিল। সকলোকে একেলগে বছাদৈয়াং বুলিছিল। আহোম ৰজাৰ দিনতো এই বৃহৎ অঞ্চলটো ধানৰ ভঁৰাল আছিল। বুৰঞ্জীত আছে ১৫২৬ চনত স্বৰ্গদেউ



চুহুংমুঙৰ সেনাই মৰঙিৰ ধনশিৰি পাৰত বাস কৰা কছাৰীসকলক আক্ৰমণ কৰে আৰু আক্ৰমণ ৰুধিব নোৱাৰি কছাৰীসকল ডিমাপুৰলৈ ভটিয়াই যায়। ১৫৩৬ খ্ৰীষ্টাব্দত আকৌ কছাৰী-আহোমৰ এঘঁড়ি যুঁজ হয় আৰু যুঁজত কছাৰী ৰজা ডেটচুং পৰাজিত হ'ল আৰু লগে লগে সমগ্ৰ বছাদৈয়াং অঞ্চল আহোম স্বৰ্গদেউৰ তলতীয়া হ'ল। স্বৰ্গদেউ প্ৰতাপ সিংহই কছাৰীসকলে এৰি থৈ যোৱা এটা অঞ্চল নতুনকৈ গঢ়িলে। কাৰণ কছাৰী ৰজা-প্ৰজা সকলো ডিমাপুৰৰ ফালে ভাগি যোৱাত এই অঞ্চলটো প্ৰায় জনশূন্য হৈ পৰে। স্বৰ্গদেউৰ আদেশ মতে ৰাজ বিষয়া মোমাই তামুলী বৰবৰুৱাই বিভিন্ন ঠাইৰপৰা মানুহ আনি বছা দৈয়াং পাতিলে। আমাৰ পূৰ্বপুৰুষ আহিছিলে দৰঙৰ ওৰাং নামৰ ঠাইখনৰপৰা। সৰু কছাৰী আৰু বৰকছাৰী গাঁৱত অৱশিষ্ট কছাৰীসকলে থিতাপি লৈছিল। আমাৰ গাঁৱৰ কাষতে লোণপুৰীয়া গাঁৱত লোণ তৈয়াৰ কৰা হৈছিল। কাক বাঁহৰ চুঙাত লুণীয়া পানী ভৰাই পুৰি উতলাই ডাঠ কৰি নিমখ তৈয়াৰ কৰা হৈছিল। বছা গাঁওখন আহোম ৰজাই ধানৰ কাৰণে নিৰ্বাচন কৰিছিল। বছা পথাৰৰ খেতি-বাতিৰ তদাৰক কৰিছিল নাঙল বৰাই। এই অঞ্চলৰ 'ৰজা বাহৰ'ত আহোম ৰজাই ফুৰিবলৈ আহি বাহৰ পাতিছিল। চকীয়ালত আছিল নগা কটকী। ইয়াত পাহাৰ-ভৈয়ামৰ প্ৰীতিৰ হাট বহিছিল। নগাৰ খাতবোৰে তাৰ সাক্ষী দিয়ে। লো-শলীয়া, নাওখেলীয়া, বাৰীচোৰা, গাহৰিচোৰা আদি ঠাইবোৰেও ঐতিহ্য বহন কৰি আছে। বছা দৈয়াঙত লোৰ উৎপাদন হৈছিল। নগা পাহাৰৰপৰা ওলোৱা কুলাজান, ৰাইডাংজুৰি, নেঘেৰিজান, বালিজান, বোকাজান, বজালকটা জান (যাক তেৰি-মেৰি জানো বোলে), গটঙাজান, ঘিলাজান, চৰাইপানীজান, চুঙীজান, কাছজান, গড়জান, পাণজান আদি জান-জুৰিবোৰে ভৈয়ামলৈ লোৰ আঁকৰ থকা মাটি কঢ়িয়াই আনিছিল। লো-শলীয়াসকলে এই মাটিবোৰ ধুই-পখালি লো তৈয়াৰ কৰিছিল। নাওখেলীয়াৰ প্ৰজাই ৰজা আৰু ৰাজ বিষয়াসকলৰ যাতায়াতৰ বাবে নাও পাতিছিল। ওৰঙ্গিয়াল গাঁৱত এই নামৰ কছাৰীসকল আছিল। ৰজা বাহৰৰ ৰজাৰ বাৰী চোৰা-চিতা কৰাসকল আছিল বাৰীচোৰা গাঁৱত আৰু ৰজাৰ গাহৰি প্ৰতিপাল কৰাসকল আছিল গাহৰিচোৰাত। টিপামৰপৰা অহাসকলক টিপমীয়াত আৰু টাইসকলক ৰাজ বিষয়াই টায়াৰকুৰী নামৰ ঠাইখনত থাপিছিল। আহোমৰ দিনত নগা পাহাৰৰ নামনিত বৰহোলা চাহ বাগিচাৰপৰা নেঘেৰী ঔৰঙ্গিয়াল ঘিলাধাৰী হৈ নোগোৱালৈ প্ৰকাণ্ড ডাঠ বনাঞ্চল

আছিল। তাতে আমাৰ দেউতাই হাতী ধৰিছিল। হাতীৰ মাউত হ'বলৈ নগা-পাহাৰলৈ গৈ আমাৰ গাঁৱৰ দুজনমান ডেকাই নগা ছোৱালী বিয়া কৰাই আনিছিল বা তাতে সংসাৰ পাতিছিল।

ঃ দেউতা, তুমিচোন বৰহোলাৰ চমু ইতিহাসকে কৈ পেলালা। তোমাৰ ল'ৰালিৰ কিবা কথা মনত পৰেনে?

ঃ ঘৰখনৰ নুমলীয়া ল'ৰা হোৱা বাবেই মই অসুখীয়া আইৰ শুশ্ৰূষা কৰিব লগা হৈছিল। আই পালজ্বৰত ভুগিছিল। দুদিনৰ মূৰে মূৰে জ্বৰ উঠে। তেতিয়া মই ৰুগীয়া আইৰ লগত থাকি আলপৈচান ধৰিছিলোঁ। গাঁৱত বিয়া বা নাম-কীৰ্তন পাতিলে সেইদিনা আইৰ পালজ্বৰ হ'ব নে নাই হিচাপ কৰিছিলোঁ। আগতেই কৈছোঁ বিয়া-সৰাহ পাতিলে আমাৰ গাঁওখন উৎসৱমুখৰ হৈ পৰে। আইৰ পালজ্বৰৰ দিনা তাত ভাগ ল'বলৈ পোৱা নাছিলোঁ। এই কথাই মনত দুখ দিছিল। মই লগৰ ল'ৰাৰ লগত বৰকৈ খেলা-ধূলা কৰা নাছিলোঁ। মই যিহেতু ঘৰখনৰ সৰু ল'ৰা গতিকে মোৰ লগত খেলিবলৈ ঘৰখনত কোনো নাছিল। আমাৰ বাইদেউ দুজনী। প্ৰথমগৰাকীৰ নামটোকে পাহৰিলোঁ। মই জন্ম হোৱাৰ আগতেই তেওঁক বিয়া দিলে। বিয়া দিয়া মানে আজিকালিৰ দৰে তেতিয়া বিয়া পতাৰ নিয়ম নাছিল। ছোৱালী খোজা-বঢ়া কৰাৰো নিয়ম নাছিল। ছোৱালী নিয়াৰ পাছতহে ল'ৰাৰ ঘৰৰ মানুহে দুজনমান লগত লৈ আহি ছোৱালী ঘৰত জাননী দিয়ে। কথা-বতৰা হৈ অনুষ্ঠান এটা পতাৰ দিন-বাৰ ঠিক কৰে। সেইদিনটোত দৰাই ন-কইনা আৰু মাক-বাপেকসহ কিছু লোক লগত লৈ ছোৱালী ঘৰলৈ যায়। এটা ৰাজহুৱা অনুষ্ঠান পাতে। ঘৰৰপৰা নিয়া দৈ, কোমল চাউল, চিৰা আদিৰে ৰাইজক জলপান এটা খুওৱা হয়। সেইদিনাই ছোৱালী ঘৰেও ছোৱালীজনীক দিব পৰা দুই-এপদ বস্তু দিয়ে। উভয় পক্ষৰ লোকক যাক-যেনেকৈ কৰিব লাগে সেৱা-সৎকাৰো কৰা হয়। ইয়াকে ছোৱালী ধৰি নি 'মিতিৰ চিনা' পতা বুলি কয়। আজি-কালিও ঠাইবিশেষে এই প্ৰথা চলি আছে। অৱস্থা চাই ব্যৱস্থা! কোনেও কাকো বেয়া নাপায়।

ঃ দেউতা, আমাৰ মাৰ পক্ষৰ ককাইচোন আইতাক (বৌটি বুলি মাতিছিলোঁ) ঢেঁকী দি থাকোঁতেই হেজাৰী গাঁৱৰপৰা পলুৱাই আনিছিল।

ঃ তিতাবৰৰ মিহিৰাম শইকীয়া হাইস্কুলত আঠ বছৰ পঢ়িছিলোঁ। মোৰ স্থানীয় অভিভাৱক আছিল পানীৰাম দুৱৰা। তেওঁৰ পৰামৰ্শ মতে মই 'বৰুৱা' উপাধি লিখিবলৈ ল'লোঁ। ১৯৫৩ চনত মই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ডিগ্ৰী পঢ়াৰ বাবে যোৰহাটৰ জে বি কলেজত নামভৰ্তি কৰাওঁ। তেতিয়া জে বি কলেজখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আছিল। মই টকা চাৰিটা দি ১৯৫৪ চনৰ ১১ নৱেম্বৰত বিশ্ববিদ্যালয়ত নাম পঞ্জীয়ন (নং ৩৫২৯) কৰাইছিলোঁ। যোৰহাট নগৰত আমাৰ কাৰো লগত চিনাকি নাছিল। দূৰ সম্বন্ধীয় মানুহ এজনো নাছিল। কলেজত পঢ়িবলৈ গৈ যোৰহাটত ক'ত থাকিম? ঘৰৰ সকলোৱে চিন্তা কৰিলে। যোৰহাটৰ তৰাজানত কাণ শইকীয়া নামৰ এগৰাকী নামী সোণাৰি আছিল। তেওঁ কিছুদিন বৰহোলালৈ গৈ আমাৰ ঘৰত থাকি সোণৰ ব্যৱসায় কৰিছিল। সেই চিনাকিসূত্ৰে মই যোৰহাটৰ তৰাজানৰ সোণাৰি গাঁৱত এই মানৱদৰদী মানুহজনৰ ঘৰত থাকিবলৈ পালোঁ। কাণ শইকীয়াৰ পৰিয়ালটোৰ চাৰিজন সদস্য। মই দুই নম্বৰ পুতেক অৰ্থাৎ কণ ল'ৰাৰ ঘৰত আছিলোঁ। মানুহজনক মই বৰ ভাল পাইছিলোঁ। তেখেতে মোক নিজৰ ঘৰৰ ল'ৰাৰ দৰেই আদৰ-সাদৰ কৰিছিল। তেওঁলোকৰ কথা নক'লে মোক দোষে চুব। সকলোৱে সোণৰ কাম কিৰিছিল। খেতি-খোলা বেছি নাছিল। অৱশ্যে চাউলকিটা কিনি খাব নালাগিছিল। তেওঁলোকৰ হাতী এটাও আছিল। সোণৰ ব্যৱসায় আৰু হাতীটোৰপৰা হোৱা উপাৰ্জনে ডাঙৰ পৰিয়ালটো ওৱাদানিকৈ চলিছিল। কাণ শইকীয়াৰ চাৰিজন পুত্ৰৰ ভিতৰত দুজনৰহে পৰিয়াল আছিল। ডাঙৰজনৰ পো-বোৱাৰী আছিল। তেওঁলোকৰ ল'ৰা দুটা। ছোৱালী দুজনী। তেওঁলোকৰ পঢ়া-শুনা নাছিল। মাত্ৰ সৰুজনৰ ডাঙৰ ল'ৰাটোৱে প্ৰৱেশিকা পাছ কৰি ঘৰতে বহি আছিল। পিছত তেওঁ মৰিয়নি হাইস্কুলত চাকৰি এটা পালে। আজি বহুত দিন হ'ল তেখেতসকলক লগ পোৱা নাই। মোক দেখিলে তেখেতসকলে বৰ ভাল পাব। ময়ো বৰ আনন্দ পাম। সঁচাকৈয়ে এদিন তালৈ যাবলৈ মন আছে। কটকী পুখুৰীৰ ওচৰতে তেখেতসকলৰ ঘৰ। তেখেতসকলৰ মাটি কেইডৰামান পৰিবহন নিগমে ল'লে। ৰৰ্কশ্বপ পাতিছে। ইমান ওচৰতে থাকিও তেখেতসকলক দেখা দিব পৰা নাই। তাৰ বাবে ময়ে দোষী। তেখেতসকলে মোক বিচৰাৰ প্ৰশ্নই নুঠে। মই ক'ত আছোঁ তেখেতসকলে নাজানে। 'মই মই' বুলি বহুতবাৰ ক'লোঁ। এই মইটোত অহমিকাৰ ভাব লুকাই থাকে। 'মই' নহয় 'আমি' বুলিহে ক'ব লাগে। 'মই' মানে 'আমি' দুজন। পুৰুষ আৰু প্ৰকৃতি। অ' কি কৈ আছিলোঁ? অ' কাণ শইকীয়াৰ ঘৰখনৰ কথা। দুখৰ কথা যে মই তেওঁলোকৰ নামবোৰ পাহৰি গ'লোঁ।

মই কেৱল কণ ল'ৰাৰ নামটোহে জানো। তেতিয়া তেওঁৰ বয়স প্ৰায় ৫৬ বছৰ। ঘৈণীয়েক আগতেই ঢুকাল। আমি তেওঁক নেদেখিলোঁ। তেওঁলোকৰ ঘৰখনতে থাকি কাণ শইকীয়াৰ এজন পুতেকৰ জীয়েকৰ জীয়েক এগৰাকীয়েও জে বি কলেজত বি এ পঢ়িছিল। তেওঁৰ নাম চুলপ্ৰভা বড়া। পিছলৈ চুলপ্ৰভা বৰুৱা হৈছিলগৈ। বি এ পাছ কৰি তেওঁ তিতাবৰ গোমতী দেৱী স্কুলত শিক্ষকতা কৰিছিল।

ঃ দেউতা, সিদিনা গুৱাহাটীৰ কাহিলিপাৰাৰ ভাৰাঘৰত মই চুলপ্ৰভা খুৰীক বিচাৰি উলিয়ালোঁ। খুৰী এতিয়া ৰোগশয্যাত। কিন্তু তোমাক ভালকৈ মনত ৰাখিছে। খুৰীয়ে জনালে যে সেয়া ১৯৫৪-৫৬ চনৰ কথা। তুমি খুৰীৰ মাকৰ দদায়েক কণল'ৰা শইকীয়াৰ ঘৰত আছিলা। খুৰী তোমাতকৈ এবছৰ সৰু আছিল। বি এ মহলাত তেৰোঁ তোমাৰ দৰে দৰ্শন-শাস্ত্ৰ পঢ়িছিল। তুমি হেনো বৰ নিৰ্জু স্বভাৱৰ। তুমি দেখাত তেতিয়া খুৰীয়ে তোমাক পিছত লগ পোৱাৰ দৰেই আছিলা। তেতিয়া পিছৰ বয়সৰ দৰে কুঁজা নাছিলা। তোমালোক থকা সেই যৌথ পৰিয়ালটোত তেতিয়া কাণ শইকীয়া জীয়াই নাছিল। অৱশ্যে তেওঁৰ হাতীজনী আছিল। তাইৰ এটা পোৱালি জগিছিল। দেউতা, যোৰহাটত য'ত এতিয়া 'আমাৰ অসম'ৰ কাৰ্য্যালয়টো পাতিছে তাৰ ওচৰতে কাণ শইকীয়াৰ নামত এটা পথ আছে। অখ্যাত আৰু আওহতীয়া গাঁৱৰপৰা নগৰত পঢ়িবলৈ অহা সুশীল নামৰ নিৰ্জু ল'ৰাটোক সহায় কৰাৰ বাবে মই সেইদিনা খুৰীৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। ভৰি চুই প্ৰণাম কৰি খুৰীৰ আশীৰ্বাদ ল'লোঁ। তেওঁৰ আশু আৰোগ্য কামনা কৰিলোঁ। অ' দেউতা, খুৰীৰ গাভৰু কালৰ ফটো এখনো দেখিলোঁ। সঁচাকৈয়ে খুৰী তেতিয়া বৰ ধুনীয়া আছিল। কি হ'ল দেউতা, কান্দিছা কিয়?

ঃ তেওঁলোকৰ কথা মনত পৰি বেজাৰ লাগিছে।

ঃ এইবাৰ যোৰহাটলৈ গ'লে তোমাক লৈ যাম। তোমাৰ মনটো ভাল লাগিব। আৰু কোৱাচোন দেউতা, তোমাৰ কথাবোৰ কৈ যোৱা।

ঃ সোণাৰি গাঁৱৰপৰা জে বি কলেজলৈ প্ৰায় দুই কিলোমিটাৰ বাট। খোজ কাঢ়ি অহা-যোৱা কৰোঁ। বিশেষ কষ্ট নাই। কলেজৰপৰা আহি ঘৰত পিঠাগুড়ি বা সান্দহৰ জলপান খাওঁ গুড় অথবা নিমখেৰে। ১৯৫৫ চনত মই জে বি কলেজৰ পৰা ইণ্টাৰমিডিয়েট পৰীক্ষা পাছ কৰোঁ। তাৰ পিছৰ তিনিটা বছৰ কলেজৰ দিনবোৰ সুকলমেই গ'ল। ফাইনেল পৰীক্ষা দিয়াৰ সময়তে আগৰ সেই অসুখটো আকৌ



হ'ল। দুটা পৰীক্ষা দি পিছৰটো দিবলৈ যোৱাৰ দিনাই মোৰ কঁপি কঁপি জ্বৰ উঠিল। মই হেনো পিছত অচেতন হৈ পৰিছিলোঁ। বহুতো ডাক্তৰ-কবিৰাজ বেজ-জ্ঞানী লগালে। অনেক চিকিৎসা চলিল। শেষত চেতনা ঘূৰাই পালেও মোৰ স্বাস্থ্য ভাগি পৰিল। বহুদিন ঘৰতে বহি থকাৰ পিছত এদিন বৰহোলা হাইস্কুলত শিক্ষকতা কৰিবলৈ ল'লোঁ। সেয়া ১৯৫৬ নে ১৯৫৭ চনৰ কথা। অস্থায়ী শিক্ষক। স্কুলখনো প্ৰাদেশিকীকৰণ হোৱা নাই। ছাত্ৰ-ছাত্ৰীসকলৰ ফিজৰ পইচাৰে আমি দৰমহা লওঁ। মাহিলি কেতিয়াবা ৫০ টকামান পাইছিলোঁ ল'ৰা-ছোৱালীহঁতক পঢ়াই, সিহঁতৰ সংগ ভাল পাওঁ। ১৯৬৬ চনত মই জে বি কলেজৰপৰাই কোনোৰকমে বি এ পাছ কৰোঁ। প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে। পৰীক্ষাটো পাছ কৰাৰ পিছত দৰমহাকেইটাও বাঢ়িল। দৰমহা দুশ টকা হ'লগৈ। ১৯৬৯ চনত মোৰ চাকৰিটো স্থায়ী হ'ল। তাৰ ঠিক আগে আগে ভাইৰ (সঞ্জীৱ) জন্ম হৈছিল। আমি সেয়েহে তাক ভাগ্যৱান বুলি ভাবোঁ। ভাইৰ জন্ম হোৱাৰ তিনি বছৰ পিছত দীন (দিগন্ত)ৰ জন্ম। সিও ভদীয়া। তহঁত তিনিওটাৰে জন্ম ভাদ মাহত। চুবুৰীয়াসকলে ক'লে, তিনি ভদীয়াই হাতী বান্ধে। এয়া আমাৰ সমাজৰ লোকবিশ্বাস। দেউতাই আমাৰ ঘাই ঘৰৰ পদূলিত হাতী বান্ধিছিল। সেই হাতীটোক মই কলগছ কাটি খুৱাইছিলোঁ। তহঁত তিনিওটা ভদীয়া ল'ৰাই হাতী বান্ধিবি বুলি আশা কৰা নাছিলোঁ। সদায় ভাবিছিলোঁ, তহঁত ভাল মানুহ হ। ভালকৈ পঢ়া-শুনা কৰি সমাজৰ কামত অহা মানুহ হ।

ঃ দেউতা, কলেজীয়া জীৱনৰ কথা বেছি নকলাইচোন?

ঃ কলেজীয়া জীৱনৰ বহু কথা ক'বলৈ আছে। সকলো কথা কৈ লাভ নাই। এটা কথা কওঁ— মোৰ কলেজলৈ অহা-যোৱা কৰা পোছাক মাত্ৰ এযোৰ আছিল। এখন ধুতি আৰু কামিজ এটা। প্ৰতি দেওবাৰে সেইযোৰকে ধুই সোমবাৰে পিন্ধিব লাগে। যোৰহাটৰ পানীবোৰো ভাল নহয়। কাপোৰ বগা হোৱাৰ পৰিৱৰ্তে ৰঙাহে হয়। উপায় নাই, তাকে পিন্ধো। চাবলৈ সময় নাই। পুৱা ৮ বজাত ক্লাছলৈ গৈ আবেলি চাৰিটা বজাতহে ঘৰ সোমাওঁগৈ। ঘৰলৈ গৈয়ে পিঠাগুড়ি বা সান্দহৰ জলপান খাওঁ। তাৰ পিছত ঘৰতে পঢ়ি থাকোঁ। ওলাই-সোমাই ফুৰাৰ সময় নাই বা দৰকাৰো নাই। কোট চোলা এটা জীৱনত পিন্ধি নাপালোঁ। এতিয়াও নাই। অ' এটা আছিল নেকি? এজন দৰ্জীয়ে চিলাই দিছিল। তেওঁৰ ছোৱালীজনীক মই পঢ়াই দিছিলোঁ।

ঃ দেউতা, চাকৰি জীৱনৰ কথা কোৱাচোন। তুমি কেতিয়া শিক্ষকতা কৰিবলৈ ল'লা?

ঃ তিতাবৰত প্ৰৱেশিকা পৰীক্ষা দি আহিয়েই মই গাঁৱৰ এল পি স্কুলখনত শিক্ষকতা কৰিছিলোঁ। সেয়া ১৯৫৩ চনৰ কথা। প্ৰয়াত ৰোযেশ্বৰ মহন্তই কাকডোঙা দলঙৰ সমীপত এখন এম ই স্কুল খুলিছিল। গৃহৰক্ষী বাহিনীৰ ঘৰ এটাত এই স্কুলখন পাতিছিল। এয়াই বৰহোলা হাইস্কুলৰ আৰম্ভণি। সেয়া ১৯৪৮ চনৰ ১৮ মাৰ্চৰ কথা। ১৯৫১ চনতহে বৰ্তমান স্কুলখনৰ স্থায়ী ভেটিটো গঢ়ি উঠিছিল। কলেজত পঢ়ি থকা সময়তো দীঘলীয়া বন্ধ পালে মই বৰহোলাৰ এম ই আৰু হাইস্কুলত শিক্ষকতা কৰিব লগা হৈছিল। শিক্ষক নাছিলেই। শিক্ষক বিচাৰি ফুৰিব লগা হৈছিল। বাঁহ-বেত টকৌ পাতেৰে গাঁৱৰ ৰাইজে স্কুলঘৰটো সাজি দিছিল। এইক্ষেত্ৰত ৰাইজ বৰ উদ্যোগী আছিল। নগৰত পঢ়ি থাকোঁতে ঘৰলৈ আহিলে গাঁৱৰ খেতিয়কসকলৰ অৱস্থা দেখি মনটো বৰ বেয়া লাগিছিল। গাঁওখন কেনেকৈ স্বাৱলম্বী হ'ব পাৰে সেই চিন্তা কৰিছিলোঁ। সৰুৰেপৰা চিন্তাশীল আছিলোঁ।

ঃ তুমি কেতিয়াও উচ্চ স্বৰত কথা কোৱা নাছিলা। কথাবোৰ ভাবি-চিন্তিহে কৈছিলা। সঁচাকৈয়ে তুমি সদালাপী আছিলা।

ঃ আৰু দুই-এটা উল্লেখযোগ্য ঘটনা কওঁ। আই এ পাছ কৰি শিক্ষকতা কৰি থাকোঁতেই মোৰ বিয়া হ'ল। সেয়া ১৯৬০ চনৰ কথা। কইনা যোৰহাটৰ কৰঙা গজপুৰীয়া গাঁৱৰ পদ্মাৱতী বড়া। পদ্মা গজপুৰীয়া গাঁৱৰ যদুনাথ বড়াৰ পঞ্চম সন্তান। মোক পদ্মাক দেখুৱাইছিল আমাৰ সহকৰ্মী প্ৰয়াত ৰোযেশ্বৰ মহন্তৰ পত্নীৰ আত্মীয় এজনে। এবাছ বৰযাত্ৰী লৈ কইনা আনিবলৈ গৈছিলোঁ। মোৰ বন্ধু শিক্ষক তীৰ্থ দত্তৰ সহায়ৰ কথা কেতিয়াও নাপাহৰোঁ। মোৰ ছাতি ধৰিছিল বাল্যবন্ধু বংশী বৰুৱাই।

ঃ তাৰৈ ভাল খোলবাদক আছিল। তেওঁৰ পৰিচালনাত মই ওৰঙ্গিয়াল গাঁৱত এখন ভাওনা কৰিছিলোঁ। সত্ৰাজিতৰ ভাও লৈছিলোঁ। একুট-দুকুট বচনৰ লগতে সূৰ্য্য দেৱতাক পূজা কৰি সত্ৰাজিতে গোৱা সংস্কৃত শ্লোকটো আজিও মনত আছে।

ঃ ভেন্সাৰ স্কুল মাষ্টৰৰ সংসাৰ। মাহিলি ৫০ টকাৰে একোৰে জোৰা নমৰে। ধাৰ-ঋণ কৰি চলোঁ।



ঃ দেউতা, তুমি ধাৰ পৰিশোধ কৰিবলৈ কেতিয়াও নাপাহৰিছিলা। এবাৰ এজন দোকানীৰ ধাৰ তুমি ২১ বছৰৰ পিছত পৰিশোধ কৰিছিলা। কাৰপৰা কি ধাৰ কৰিছিলা ডায়েৰীত লিখি থৈছিলা।

ঃ তেতিয়া চাউল-পাতৰ বাবেও মাজে-সময়ে শহুৰৰ ঘৰত হাত পাতিব লাগে। এফালে টানিলে, আনটো ফাল ওলাই পৰে। বেমাৰ-আজাৰ হ'লেতো কথাই নাই। সহায় বিচাৰি শহুৰৰ ঘৰ পাওঁগৈ। শহুৰৰ ঘৰৰ অৱস্থা নদন-বদন। শহুৰ ভাল পকা মিস্ত্ৰী। গজপুৰীয়া অঞ্চলটোত মিলাই মিস্ত্ৰী বুলি ক'লে বুলিবৰ নাই। বাগানত কাম কৰে। খেতি-বাতিও শকত। খুলশালীহঁতো বৰ পৰিশ্ৰমী। বায়েক-ভিনিহিয়েকক তেওঁলোকে বৰ ভাল পায়। ৰাতি-বিয়লিও আমাৰ বাবে কেতিয়াবা ডাক্তৰ-কবিৰাজ, কেতিয়াবা ঔষধ-পাতি বিচাৰি যোৰহাট-মৰিয়নিলৈ চাইকেল মাৰি যায়। তেওঁলোকৰ সহায়ৰ কথা মই কেনেকৈ পাহৰিম? মইতো শূন্যৰপৰা সংসাৰ আৰম্ভ কৰিছিলোঁ। পদ্মাই কেতিয়াবা কিবা কথাত খং উঠিলে গালি পাৰে— "তোৰ নিজৰ বাটি এবখলাও নাছিল।" অন্য সময়ত তেওঁ মোক 'আপুনি' বুলিয়েই সম্বোধন কৰে। গালিৰ ভমকত 'আপোনাৰ'টো 'তোৰ' হয়গৈ। 'আপুনি'টো 'তই' হয়গৈ। কি ক'ম মই? নীৰৱে সহি থাকোঁ সকলো। মাৰাৰ মনটো ভাল। তোৰ মাৰাইহে মোৰ ঘৰখন ধৰি ৰাখিলে। মই তহঁতক কেতিয়াও 'পঢ়' বুলি ক'ব লগা নহ'ল। তহঁতৰ বেমাৰ-আজাৰ হ'লে দিন-ৰাতি একাকাৰ কৰি মাৰাইহে আলপৈচান ধৰে। বৰ সাহসী তেওঁ। এবাৰ এজন দখলকাৰীয়ে আমাৰ ভেটি-মাটিকেইডৰা দখল কৰিব খুজিছিল। দেউতাই 'তোক পঢ়াই দিলোঁ বুলি' মোক ঘৰৰ মাটি সম্পত্তিৰ ভাগ নিদিলে। মাষ্টৰী কৰি থাকোঁতেই বাগানৰ প্ৰাক্তন বনুৱা এজনৰপৰা মাটিকেইডৰামানৰ দখলীস্বত্ব কিনিছিলোঁ। তাতে নিজৰ ঘৰ এটা বান্ধিব খুজিছিলোঁ। সেই মাটিখিনিকে দখল কৰিবলৈ অহাত— মাৰাই দখলকাৰীক সকীয়াই দিলে— "মোৰ ল'ৰাই ভাত খাবলৈ নাপালে তহঁতৰ ঘৰৰ ভাতৰ কাঁহি কাঢ়ি আনিমগৈ।"

ঃ মাৰ অসমীয়া ভাষাৰ উচ্চাৰণ বৰ ভাল। প্ৰায় নিখুঁত। অকল সেয়ে নহয়। দেউতা-মায়ে নিজেই কলগছ চোঁচৰাই নি মাটিডোখৰত ৰুই দিলেগৈ। নহ'লে আমাৰ থাকিবলৈ ভেটি-মাটি এডোখৰ নাথাকিলেহেঁতেন। দেউতা, মোৰ জন্মৰ কথা মনত পৰেনে?

ঃ কিয় নপৰিব ? যোৰহাটৰ পুৰণি চিভিল হাস্পতালত তোৰ জন্ম। আমি তেতিয়া কৰঙাৰ মামাৰ ঘৰৰপৰা তালৈ গৈছিলোঁ। হাস্পতালৰ বাৰাণ্ডাতে তোৰ জন্ম হৈছিল। সেইদিনা হেনো হাস্পাতালত ছীট্ নাছিল। হাস্পতালৰ বাৰাণ্ডাত প্ৰসৱকাতৰ মাৰাক ৰখা হৈছিল আৰু সিয়েই মাৰাৰ চেৰাশালি হৈছিল।

ঃ দেউতা, মই শুনিছিলোঁ বৌটি (মাৰ মাক) মাৰ লগত আছিল। দুদিন-দুৰাতি বৌটিয়ে কেৱল পানী আৰু বিস্কুট খাই প্ৰসৱ যন্ত্ৰণাত কাতৰ মাক হাস্পতালৰ সেই বাৰাণ্ডাখনতে ৰখিছিল। বৌটি কি যে সাদৰী আছিল ! কঁকালটো হাউলি পৰি কুঁজা হ'লেও বৌটিয়ে নিতৌ ২০/২৫টা মানুহৰ বাবে ভাত ৰান্ধিছিল। ৰান্ধনিশালৰ বাহিৰত চ'ৰাঘৰত চাহৰ খোলাখন। তাতে জুইত অহৰ্নিশে ক'লীয়া অসুৰৰ দৰে কেট্‌লী এটাত পানী গৰম হৈ থাকে। তাৰপৰাই বাঁহৰ একোছা লাগনি খৰি জ্বলাই লৈ বৌটি কেতিয়া আখললৈ যায় তালৈ মই অধীৰ হৈ আছিলোঁ। ভোকত কল্‌মটিয়াই থকা দিনবোৰত সেয়াই আছিল মোৰ প্ৰিয় দৃশ্য। কেতিয়াবা ভোক গুচাবলৈ কোনেও গ'ম নোপোৱাকৈ ঘৰৰ পিছফালে থকা মাজু মামাৰ বাৰীৰ কুমলীয়া তিয়ঁহ ছিঙি খাইছিলোঁ। কি সোৱাদ আছিল ! মই প্ৰায়ে বৌটিৰ কাণৰ লতি দুটা আৰু হাতৰ শোটোৰা পৰা ছালবোৰ চুই বৰ ভাল পাইছিলোঁ। ডাঙৰ আৰু গধুৰ কেৰুমণিযোৰৰ ভৰত বৌটিৰ কাণৰ লতি দুটা তললৈ বৈ পৰিছিল। "যা, এইটো" বুলি বৌটিয়ে মোক মিঠা ধমকি এটা শোধালেও খুন্দনাত খুন্দা তামোলৰ এভাগ দিবলৈ পাহৰা নাছিল। নৰকান্তৰ আইতাৰ তামোলৰ পিক্ সনা, জধলা চুমাৰ সুখ-স্পৰ্শ মই তেতিয়াই অনুভৱ কৰিছিলোঁ।

ঃ দেউতা, আমি গাঁৱত কিমানদিন আছিলোঁ ?

ঃ তোৰ চাৰি বছৰ বয়সলৈকে আমি গাঁৱত আছিলোঁ। গাঁৱৰপৰা খোজ কাঢ়ি বৰহোলা হাইস্কুললৈ অহা-যোৱা কৰিছিলোঁ। লগত সহকৰ্মী ৰোযেশ্বৰ মহন্ত। তেওঁৰ লগত খোজ কঢ়া সহজ নাছিল। বৰ খৰকৈ খোজ কাঢ়িছিল। মাজু ককাইদেউ থকা বাৰীখনতে (য'ত এশ বাইশজোপা বিভিন্ন জাতৰ আম গছ আছিল) খেৰ-বাঁহৰ সৰুকৈ ঘৰ এটা সাজি থাকিবলৈ লৈছিলোঁ। ভাইৰ জন্ম হোৱাৰ পিছত ককাইদেউৰ  সংসাৰখনো দুগুণে বাঢ়িল। ঠাইৰ নাটনি হ'ল। পদ্মায়ো সেইখন ঘৰৰ লগত মিলি থাকিব নোৱৰা হ'ল। ভতিজা এটাই আমাৰ ঘৰৰ পিৰালিতে নিতৌ প্ৰস্ৰাৱ-পায়খানা কৰি অতপালি চলালে। মাৰাৰ খং উঠে। বৰহোলা হাইস্কুলৰ



কাষতে শিক্ষকসকল থকাৰ বাবে এশাৰী খেৰ-বাঁহৰ ঘৰ আছিল। স্কুলৰ কোৱাৰ্টাৰ বুলি ক'লে বুজিবলৈ সহজ হ'ব। তাৰে এটা খালী হ'ল। সহকৰ্মী বীণা হাজৰিকাই কোৱাৰ্টাৰ এৰি নিজাকৈ সজা পকী ঘৰলৈ উঠি গ'ল। এদিন মোৰ প্ৰিয় গাঁওখন এৰি সেই খালীঘৰটোলৈকে উঠি আহিলোঁ।

ঃ দেউতা, নিজৰ গাঁওখন এৰিব লগা হোৱা সেই দিনটোৰ কথা সুঁৱৰিলে আজিও মনটো বিষণ্ণ হৈ উঠে। আচলতে সিদিনাই আমি গাঁও এৰি নগৰমুখী হৈছিলোঁ। কিন্তু গাঁৱৰ সেই পৰিৱেশ আজিও মোৰ বৰ আপোন। পুৱাতে বান্দৰ টুপীটো পিন্ধি কান্ধত কুঠাৰখন লৈ তুমি যে হাবিলৈ গৈছিলা, পিছে পিছে মই। ডাঠ কুঁৱলি ফালি আমি দুয়ো হাবিৰ খৰি কাটি আনিছিলোঁ। কুঠাৰৰ ঘাপত গছৰ প্ৰকাণ্ড মূঢ়াৰপৰা উফৰি পৰা চলি খৰিবোৰ মই বুটলিছিলোঁ। মোৰ এটা কবিতাত আহিছে সেই দৃশ্যটো ঃ কুঁৱলীৰ মাজে মাজে/কান্ধত কুঠাৰ লৈ দেউতা গৈ আছে/ হাবি ভাঙোতে বৈ যোৱা/ ডাঙৰ গছৰ মূঢ়া এটাক অকলে পাই/ আযোণৰ কুঁৱলীয়ে ধৰিছে ঘেৰি/গছৰ মূঢ়াক কুঁৱলীয়ে পিন্ধোৱা ৰহস্য সাজ/ কুঠাৰে খুলিছে এপদ এপদকৈ.../গৰম কেৰাহীৰ আখৈবোৰৰ দৰে/ যেনি-তেনি ছিটিকিছে চলিখৰিবোৰ... (চলিখৰি)।

ঃ দেউতা, সঞ্জীৱ জন্ম হোৱাৰ কথাও মোৰ মনত আছে। চেৰাশালিত মাক পৰি থকা দেখিছিলোঁ। ঘৰৰ মূধচৰ খুঁটাত ওলোমাই বান্ধি লোৱা ৰছী এডাল ধৰি তেওঁ প্ৰসৱ যাতনাত কেঁকাইছিল। নাচাবলগীয়া দৃশ্য লুকাই লুকাই চোৱাৰ বাবে দেউতা-মা, মই তোমালোকৰ ক্ষমাপ্ৰাৰ্থী। এবাৰ ধান খোৱা ডাঙৰ ডুলিটোৰপৰা তললৈ জঁপিয়াই দিওঁতে মই বাওঁহাতত আঘাত পাইছিলোঁ। সেই আঘাতৰপৰা এটা ডাঙৰ টেমোনা হৈছিল। টেমোনাটো ইমানেই পীড়াদায়ক আছিল যে তাক ফুটাই দিবলৈ অহা কম্পাউণ্ডাৰগৰাকীয়ে মোক কোলাত লৈছিল আৰু চোতালৰ সন্মুখত তামোল গছত ওলমি থকা টোকোৰা চৰাইৰ বাহবোৰ দেখুৱাই মোৰ অলক্ষিতে টেমোনাটো ফুটাই দিছিল। বহুত তেজ-পূঁজ ওলাইছিল। মোৰ চেনেহৰ গাঁওখন এৰি চহৰলৈ উঠি অহাৰ বিষাদময় স্মৃতি সুঁৱৰিছোঁ এই কবিতাটোত ঃ দুখন গৰু গাড়ীত উঠি আহিল এখন ঘৰ/পিছত এৰি থৈ আহিছিল দুবৰি নগজা এখন চোতাল/এজোপা বুঢ়া তুলসী আৰু এশাৰী ক্ষীণকায় সৰণ খেৰৰ জুপুৰি/হাতৰ তলুৱাত গজা জলাতক আন্ধাৰত/গৰু গাড়ীত ওলোমাই অনা

লেম্পটোত কঁপি উঠা শিখাত/এটা সুৰৰ ৰাগি ছন্দোময় যাত্ৰা অযাত্ৰিকৰ (ঘৰ)।

মোৰ স্পষ্টকৈ মনত আছে দুখন গৰু গাড়ীত আমাৰ ঘৰৰ সকলো বয়বস্তু লাদি দিওঁতে বৰদেউতাৰ ল'ৰা এটাই বাকী থাকি যোৱা পুৰণি কেৰাচিন তেলৰ লেম্পটোও গৰু গাড়ীখনত ওলোমাই দিছিল আৰু কৈছিল— "যা, এইটোও লৈ যা।" মোৰ কাণত আজিও বাজে বৰদেউতাৰ সেই কথাষাৰ— "যা, চহৰলৈ যা। হাকিম-মুঞ্চিপ হ'গৈ।" হয়তো বৰদেউতাই আমি গাঁওখন এৰি থৈ অহাৰ কাৰণে দুখ পাইছিল। আজিও কথাবোৰ বুজি নাপালোঁ।

ঃ বৰহোলাত শিক্ষকসকলৰ চুবুৰিত থাকিবলৈ ল'লোঁ। কাষতে এখন পিতনি। ডাঠ মেটেকাৰে ভৰা। সমুখত বৰ পুখুৰীটো। তাৰ পানীকে গোটেই চুবুৰিটোৱে খাওঁ। সহকৰ্মী শিক্ষক হেমানন্দ শাস্ত্ৰী, অমূল্য সন্দিকৈ, হেমলেট বক্স আৰু পিছলৈ ভূপেন হাজৰিকা আমাৰ চুবুৰিবাসী হৈছিল।

ঃ দেউতা, অমূল্য সন্দিকৈ ছাৰে মোক কথা প্ৰসংগত সিদিনা এইদৰে কৈছিল— "বৰুৱা, মোতকৈ সাত বছৰমান সৰু। অতিশয় শান্ত আৰু ধৈৰ্য্যশীল লোক তেওঁ। ১৯৫৫ চনত মই ফৰকাটিঙৰপৰা আহি বৰহোলা হাইস্কুলৰ শিক্ষক হওঁহি। দৰমহা বুলিবলৈ নাছিলেই আমাৰ। স্কুলৰ ল'ৰা-ছোৱালীবোৰৰ ফিজবোৰ আমি শিক্ষকসকলে মাহৰ শেষত ভগাই লৈছিলোঁ। তোমাৰ দেউতাৰা বৰ ধাৰ্মিক আছিল। ডেকা কালতে শৰণ-ভজন লোৱা মানুহ। সদায় গা ধোৱে আৰু ধূপ-দীপ জ্বলাই সেৱা কৰে। আমি তেতিয়া তেওঁক হাঁহোঁ। ডেকাকালত সেইবোৰৰ মূল বুজি পোৱা নাছিলোঁ। তোমাৰ দেউতাৰাই দহ টকা এটা পালেও তাৰে দুটকা ঘৰত দি থৈ আহে। ঘৰখনৰ যাতে অসুবিধা নহয়। অথচ তেতিয়া তেওঁক দহ টকাটোৰ অত্যন্ত প্ৰয়োজন আছিল।

ঃ বৰহোলা স্কুলৰ কাষত শাৰী শাৰীকৈ সজা বাঁহ-কাঠৰ আমাৰ ঘৰকেইটা। তাৰে এটাত সন্দিকৈৰ পৰিয়ালটো আছিল। কেনে আছে সন্দিকৈ?

ঃ ছাৰ ভালে আছে। তোমাৰ খবৰ লৈছে।

ঃ সন্দিকৈৰ ঘৰটোৰ পিছতে হেমলেট বক্সৰ ঘৰ। আমাৰ ঘৰটো একেবাৰে শেষত আছিল বাবে শাক-পাচলিৰ খেতি কৰিবলৈ আমি এডোখৰ মুকলি ঠাই পাইছিলোঁ। নতুন ঠাইখন তই ভালপোৱা নাছিলি। বৰহোলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ত তোৰ নাম লগাই দিলোঁ। তই পিছে স্কুললৈ নোযোৱা হ'লি। মই মহা বিপদত পৰিছিলোঁ। অনেক বুজাই-বঢ়ায়ো তোক স্কুললৈ নিব নোৱাৰিছিলোঁ। এদিন তই স্কুললৈ যোৱাৰ ভয়ত ঘৰৰ কাষৰ মেটেকানিডৰাত কোনোমতে মুখখন উলিয়াই লুকাই আছিলি। অনেক বিচাৰি-খুঁচাৰি তোক তাৰপৰা উঠাই আমি খঙতে বৰকৈ কোবাইছিলোঁ।

ঃ দেউতা, তোমাৰ সেই কোবকেইটা মনত পৰিলে আজিও মোৰ শৰীৰ বিষায়। তোমাৰ এছাৰিৰ কোব খাইহে মই স্কুলৰ বাট ল'লোঁ। আচলতে স্কুলৰ চাৰি বেৰৰ জীৱন মই মুঠেই ভালপোৱা নাছিলোঁ। মই যে গাঁৱৰ মুকলি চৰাই আছিলোঁ!

ঃ দেউতা, মোৰ কথাহে বেছিকৈ কৈছা। মাৰ কথা কোৱাচোন?

ঃ মাৰাৰ কথানো কি ক'ম? অ' এটা কথা মনত পৰিছে। এবাৰ মাৰাৰ জিভাত কিবা গুটি এটা ওলাইছিল। ভাত গিলিব পৰা নাছিল। যিকোনো বেমাৰ-আজাৰ হ'লেই কৰঙাৰ ককাহঁতৰ ঘৰলৈ যাওঁ। সেইবাৰো যাবলৈ ওলালোঁ। বৰহোলাৰপৰা তেতিয়া যোৰহাটলৈ প্ৰাইভেট বাছো চলিবলৈ লৈছে। "যাবলৈ দিয়ক ককাইটি বৰহোলাৰ বাছ" বুলিলে সকলোৱে চিনে। বাছত উঠাৰ আগতে মাৰাৰ দিহা মতে সদায় বাছৰ চকাত লাগি থকা মাটিৰ ফোট এটা লৈছিলোঁ। এইবাৰো ল'লোঁ। বাছত উঠি কোনোমতে চাৰিটা ছীট্ উলিয়াই বহি ল'লোঁ। মাৰাৰ ছীট্ একেবাৰে আগত। বাছ চলিবলৈ ধৰিলে। অলপ দূৰ যোৱাৰ পিছত দেখিলোঁ বাছৰ কণ্ডাক্টৰটোৱে মাৰাৰ পিঠিত আঙুলিৰে খুচি দিছে। স্বাভাৱিকতে মাৰাৰ খং উঠিল। ময়ো বহাৰপৰা উঠি গৈ কণ্ডাক্টৰজনক ধম্‌কি শোধালোঁ।

ঃ দেউতা, সেইদিনা তোমাৰ দ্বিতীয়বাৰৰ বাবে খং উঠা দেখিছিলোঁ। আচলতে কণ্ডাক্টৰজনে পিছফালৰপৰা মাৰ ভাৰাটো বিচাৰিছিল। তুমি কৈছিলা ঃ মানুহৰ পিঠিত খুঁচি ভাৰা বিচাৰে নেকি?

ঃ মাৰাৰ দীঘলীয়া চিকিৎসা হৈছিল। সকলোৱে আদৰ-যত্নত মাৰা ভাল হৈ উঠিছিল।

ঃ সেইবাৰ মা যেন মৃত্যুমুখৰপৰাহে ঘূৰি আহিছিল। কোনোমতে জিভাখন ঘূৰাই সেহাই সেহাই তেওঁ মোক কৈছিল— "ডাঙৰ পোনা, মই আৰু বাচি নাথাকোঁ...।' মোৰ কণমানি বুকুখন শোকে মুচৰি পেলাইছিল। এবাৰ মোৰ আই ওলাইছিল। সেইবাৰো মাহঁত মামাৰ ঘৰলৈ ঢাপলি মেলিছিল। বসন্ত ওলাই মোৰ

সৰ্বশৰীৰ গেলি গৈছিল। উপায়হীন হৈ মোক হেনো ছদিন কলপাতত শুৱাই থৈছিল আৰু এটা কথা মনত পৰিছে দেউতা। দিনটো ধূলি-বালি লৈ, তামোলৰ ঢকুৱা চোঁচৰাই, বগুঁৱাই বগুঁৱাই ফুটুকলাৰ গুটি খাই ঘূৰি ফুৰি সন্ধিয়া মই চিনিব নোৱৰাটো হৈ মামাৰ ঘৰ সোমাইছিলোঁগৈ। তুমি মোক গা ধুৱাই দিছিলা। কি কঠিন তোমাৰ হাতৰ স্পৰ্শ! মোৰ কোমলীয়া দেহে সহিব পৰা নাছিল। তোমাৰ শিল যেন হাতৰ আঘাত আৰু মামা-মাহীৰ বাৰীত ফুলি থকা তগৰ ফুলৰ গোন্ধ মই একেলগে পাইছিলোঁ।

ঃ কি হ'ল দেউতা, ৰৈ গ'লা যে! এবাৰ তাচ পাত খেলিবলৈ গৈ মাৰ গালি খোৱাৰ কথা পাহৰিলা নেকি?

ঃ কিয় পাহৰিম। আচলতে সেই দিনবোৰ বৰ আমনিদায়ক লাগিছিল। বিশেষকৈ সন্ধিয়া একো কামেই নাছিল। সেইবাবে বন্ধু দুজনমানৰ লগত সন্ধিয়া ব্ৰীজ খেলিবলৈ যাওঁ। তেতিয়া জহৰী দোকানৰ দাঁতিতে আমাৰ ক্লাবটো আছিল। চেণ্ট্ৰেল ক্লাব। সন্ধিয়াতে তালৈ যাওঁ, ৰাতিহে ঘৰ সোমাওঁ। ঢাকোন খুলি বাঢ়ি থোৱা ভাত খাওঁ। লগতে মাৰাৰ গালি। আমাৰ লগত ব্ৰীজ খেলিবলৈ নেইমুদ্দিন আহমেদো (অভিনেতা, পালোৱান) আহিছিল। সোণাধৰ ৰাজখোৱাও আহে। তেওঁ তেতিয়া বিজ্ঞানৰ শিক্ষক হৈ বৰহোলালৈ নতুনকৈ আহিছে।

ঃ দেউতা, তুমি মাৰ গালি খাই থাকোঁতে মই লেম্পত ক্ষীণ পোহৰত তুমি আনি থোৱা 'প্ৰকাশ' আলোচনীখন পঢ়ি আছিলোঁ। এদিন ৰেডিঅ'ত বজা বছিৰৰ গল্পৰ আধাৰত কৰা নাটক শুনি আছিলোঁ। সেই যে নাৰায়ণী। পিছলৈ তাকে লৈ আদুৰ গোপালকৃষ্ণনে 'মাথিলুকল' চিনেমাখন কৰিছিল।

ঃ আগতেও কৈছিলোঁ— বি এ পঢ়ি থাকোঁতে মোৰ পোছাক আছিল এযোৰ। ধুতি এখন আৰু কামিজ এটা। স্কুলত কাম কৰাৰ পিছত পোছাক দুযোৰ হ'ল। কাপোৰ দুযোৰ মাৰাৰ কাপোৰৰ লগতে আল্‌নাডালত থওঁ। এদিন ধুতি এখন বিচাৰি নাপাই পিছত গম পালোঁ, ধুতিখন তই নিছিলি। স্কুল বন্ধৰ দিনত ৰুম এটাত তহঁতে নাটক কৰিছিলি। মোৰ ধুতিখন তহঁতৰ মঞ্চৰ আঁৰ কাপোৰ হৈছিল।

ঃ হয় দেউতা, তোমাৰ চুৰিয়া আৰু মাৰ চাদৰেৰে আমি মঞ্চ সাজিছিলোঁ। বগা চোলাবোৰ ৰঞ্জক চাবোনত সিজাই সেউজীয়া কৰি সৈন্যৰ পোছাক তৈয়াৰ কৰিছিলোঁ। ভাৰত-পাকিস্তানৰ যুদ্ধৰ নাটক কৰিছিলোঁ। তোমাৰ চুৰিয়াত সেই



নাটকৰ নেইমকাষ্টিং কৰিছিলো। ভঙা আইনাত কেৰাচিন তেলৰ চাকিৰপৰা ওলোৱা ধোঁৱা লগাই তাতে লিখিছিলোঁ নামভূমিকাত অমুক-তমোক বুলি। তাৰ পাছত মঞ্চ আন্ধাৰ কৰি টৰ্চ লাইটেৰে পোহৰ সিঁচি নেইম কাষ্টিং কৰিছিলোঁ। আৰু এটা কথা মনলৈ আহিছে— ভাৰত পাকিস্তানৰ যুদ্ধৰ সময়ত তুমি আমাৰ বাৰীখনৰ পিছফালে দন্তীয় 'দ'ৰ দৰে গাঁত এটা খান্দিছিলা। কৈছিলা— চাইৰেন বাজিলেই হেনো আমি তাত সোমাব লাগিব। পিছত সেইখিনি ঠাইতে মায়ে সিঁচি দিয়া ছিঁৰাল গুটিবোৰ গজিছিল। পকা ছিঁৰাল গাখীৰৰ সৈতে তুমি তৃপ্তিৰে খাইছিলা। সেই ছিঁৰাল মোৰ ঘৰুৱা শিক্ষক মতিছাৰকো দিছিল। পাঠ নোৱাৰিলে মোৰ গালত পৰা মতি ছাৰৰ কাঠ চৰকেইটা কেনেকৈ পাহৰোঁ! মায়ে তেতিয়া কৈছিল ঃ ল'ৰাটোক আজি বৰকৈ মাৰিছে। মতিছাৰক চাহ দিয়া দেৰি হ'ল নেকি? ততাতৈয়াকৈ তুমি মালপোৱা ভাজি ছাৰক চাহ যোগাইছিলা আৰু ছাৰে সশব্দে সেই চাহ খাই মোক অংকটো আকৌ বুজাই দিছিল। মই যে অংকত বৰ কেঁচা আছিলোঁ!

ঃ দেউতা, তুমি চাইকেল চলাই বৰ ভাল পাইছিলা, কেতিয়াবা বৰহোলাৰপৰা যোৰহাটলৈকে তুমি চাইকেল চলাই গৈছিলা।

ঃ শহুৰে দিয়া হাৰ্কিউলিছ কোম্পানীৰ চাইকেল এখন আছিল। শিক্ষকৰ অভাৱী সংসাৰখন দেখি শহুৰে মোক ওকালতি পঢ়িবলৈ পৰামৰ্শ দিছিল। পিছে মই আজীৱন শিক্ষকতাকে কৰি যাম বুলি থিৰাং কৰিছিলোঁ। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলৰ মুখবোৰ দেখি সুখ পাওঁ। এক কথাত তেওঁলোকৰ প্ৰতি মোৰ মায়া ওপজিছিল। মই নৱম মানত সমাজ অধ্যয়ন পঢ়াইছিলোঁ। মোৰ শ্ৰেণীৰ ছাত্ৰ তয়ো আছিলি। ল'ৰা-ছোৱালীবোৰে মোৰ শ্ৰেণীকোঠাত বৰ কোৰ্হাল কৰে। সিহঁতৰ প্ৰতি মই কঠোৰ হোৱা নাছিলোঁ। এই কথাত কোনো কোনোৱে মোক বেয়াও পাইছিল।

ঃ দেউতা, তুমি আমাক সমাজ অধ্যয়ন পঢ়াওঁতে জোন-বেলি-তৰা, বিভিন্ন গছ-গছনিৰ কথা কৈছিলা ঃ মানুহে বেলিটোক পূজা কৰিছিল, যাতে বেলিটো পিছদিনাও উদয় হয়। অন্ধবিশ্বাসৰ প্ৰসংগ ওলালে মোৰ মনত পৰে হেম্‌লেট বক্স ছাৰৰ ছোৱালী লিলিয়ানৰ কথা। এদিন তাই গণিত শিক্ষকে পঢ়াই থাকোঁতে বাহিৰৰ ঘাঁহনিত পৰি থকা এযোৰ শালিকী চৰাই দেখিলে। শালিকীযোৰ দেখি তাই সোহাঁতৰ আঙুলি দুটা ওঁঠৰ কাষলৈ আনি চুম্বন কৰিলে। মৃদু শব্দ হ'ল। এনে কৰিলে হেনো

কৰোঁতাৰ মঙ্গল হয়। পিছে সেইদিনা লিলিয়ানে গণিত শিক্ষকজনৰ কাণমলাহে খাব লগা হ'ল। তেতিয়াই বুজিছিলোঁ অন্ধবিশ্বাস কিমান অন্ধ!

ঃ আৰু এটা কথা কওঁনে? ক'লে কিজানি তই এতিয়া লাজ পাবি।

ঃ কোৱা দেউতা, আজি মই সকলো শুনিবলৈ সাজু।

ঃ শুন, তেতিয়াহ'লে। বিম মানে বিমলা তোৰ মাহী। তই তাইক খুওব ভাল পাইছিলি। কৰঙালৈ গ'লে তই মাহীয়েৰাৰ ছাঁটোৰ দৰে লাগি ফুৰিছিলি। মাহীয়েৰায়ো তোক বৰ মৰম কৰিছিল। বৰহোলালৈ ঘূৰি অহাৰ সময়ত তই প্ৰতিবাৰেই বিমক লগত লৈ আহিব খুজিছিলি। তই বৰ জেদী আছিলি। কোনোমতেই তোক বুজাব নোৱাৰিছিলোঁ। বিমনো ক'ত সদায় আমাৰ লগত বৰহোলালৈ আহিব পাৰে? আমাক বাছত উঠাবলৈ গঁড়আলিলৈকে আহে। তোক আগত উঠাই তায়ো বাছত উঠা যেন কৰি বাছখন এৰাৰ ঠিক আগে আগে নামি যায়। তই মাহীয়েৰাক বাছত নেদেখি কান্দোনত গছৰ পাত সৰুৱাইছিলি। ধামধামকৈ মূৰটোৰে বাছৰ ব'ডীত খুন্দিয়াইছিলি। মূৰত টেমুনা বান্ধিছিল। এবাৰ এই ঘটনাৰ সাক্ষী আছিল নেইম (নেইমুউদ্দিন আহমেদ)। তেৰোঁ সেইখন বাছতে যোৰহাটৰপৰা আহি আছিল। তেওঁ তোৰ সেই ৰুদ্ৰ ৰূপ দেখি ধম্‌কি দিছিল। ধম্‌কি খাইহে তই শান্ত হৈছিলি।

ঃ দেউতা, আৰু এটা কথা মনত পৰিলে মই লাজ পাওঁ। কি জানানে? মই কলেজত পঢ়ি থাকোঁতে তোমালোকে যে মোৰ গাত এবাৰ অপদেৱতা লম্ভা বুলি ভাবিছিলা। দহ পইচা এটাৰ সৈতে চাউল দুটামান কলপাতত বান্ধি গোসাঁইলৈ আগবঢ়াইছিলা। দহ মাইল চাইকেল চলাই গৈ তুমি ৰাটিওৰ গোসাঁইৰপৰা সেই ভূত খেদিবলৈ পানী জৰাই আনিছিলা। সেই জৰোৱা পানী আনিবলৈ গৈ ফৰকাটিং ষ্টেচনৰ ওচৰত ৰেলৰ চিৰিত তুমি চাইকেলৰপৰা বাগৰি পৰিছিলা। ভাগ্যক্ৰমেহে গাড়ী এখনে তোমাক নুখুন্দিয়ালে। দেউতা, আজি মই স্বীকাৰ কৰোঁ— মোৰ গাত কোনো অপদেৱতা বা ভূতে লম্ভা নাছিল। সেয়া আছিল মোৰ প্ৰথম প্ৰেমৰ অভিঘাত। প্ৰেমিকাৰ প্ৰত্যাখ্যানে যেন ভূত হৈ মোক অশান্ত আৰু অস্থিৰ কৰিছিল। সেই ঘটনাৰ বাবে তুমি মোক ক্ষমা কৰি দিবানে?

... ... ...

ঃ দেউতা, তুমি কবিতা লিখিছিলা নহয়?

ঃ ও লিখিছিলোঁ। পিছে সেইবোৰ কবিতা হৈছিল নে নাই নাজানো। কবিতা মই ভাবোঁ— হৃদয়ৰ অনুভূতি মুখে বাজ হয়, সেয়ে জানো কবিতা নহয়? হোমেন বৰগোহাঞিক সাহিত্যিক হিচাপে শ্ৰদ্ধা কৰোঁ। তেৰোঁ এদিন মোৰদৰে এখন অখ্যাত গাঁৱৰপৰা ওলাই আহিছিল। মোৰ একমাত্ৰ কবিতা পুথি *A few dew drops*-খন মই তেওঁৰ নামত উছৰ্গা কৰিছোঁ। এই ক্ষুদ্ৰ পুথিখন পঢ়ি তেওঁ মোলৈ এখন চিঠিও লিখিছিল। মই তেওঁৰ ওচৰত কৃতজ্ঞ।

ঃ দেউতা, হোমেনদাই সেই চিঠিখনত কি লিখিছিল— মই পঢ়ি দিওঁ।

"শ্ৰদ্ধাস্পদেষু,

আপোনাৰ কবিতা পঢ়িলোঁ। মাজতে দুদিনমান মই পানী লগা জ্বৰত ভুগি কাহিল হ'লোঁ। সেই কাৰণে আপোনালৈ লেখা পলম হ'ল।

কেতিয়াবা মানুহে নিজৰ লগত কথা পাতিবলৈ কবিতা লিখে আৰু জীৱনৰ কোনো কোনো সময়ত নিজৰ লগত কথা পতাটো আনৰ লগত কথা পতাতকৈ বেছি জৰুৰী আৰু লাভদায়ক হয়। মোৰ ধাৰণা হৈছে যে আপুনি নিজৰ লগত কথা পাতিবলৈ এই কবিতাকেইটা লিখিছে। পঢ়ি ভাল পালোঁ।

মই নানা কামত অনবৰতে ব্যস্ত হৈ থাকিব লগা হয়। আনকি সদালাপ কৰিবলৈকো সময় নাপাওঁ।"

ঃ দেউতা, তুমি ইংৰাজী ভাষাত লিখিছিলা। ভাষাটোৰ প্ৰতি তোমাৰ ভালপোৱা আছিল। ৰ'বা তুমি লিখা দুটামান কবিতাৰ উদ্ধৃতি দিওঁ— লগতে অনুবাদো কৰোঁ।

**What am I**

What am I
I am playing
The game of
The children
Throwing stones
At the innocent frogs
In a well.

(মইনো কোন

মইনো কোন, ভৈয়াই
খেলি আছোঁ ল'ৰাহঁতে খেলা
সেই খেলটোকে
নাদৰ নিমাখিত ভেকুলীবোৰলৈ
শিল দলিয়াই...)

## Variation

I have a variation
In my hand,
Must have been
From the equillibrium
Oh! no, it is not.
But a deduction
From your own end.

(ভিন্নতা

মোৰ হাতত আছে ভিন্নতা
নিশ্চয় সি ভাৰসাম্যৰপৰা ওপজা
অ' নহয়, নহয়
সেয়া যে তোমাৰপৰাই বিয়োগ কৰা।)

## The Mind

My mind was inclined
To the gratification
Of the senses
I pro-c-eed
But these lead me
To nowhere
But to the hell
I stop
And retreat to reason
Of the soul
Remembering that
The senses are superior
To the body
And the mind is
The leader of the senses
But the soul is
Supreme of all

(মন

মোৰ মন ঢাল খাইছিল
ইন্দ্ৰিয় তুষ্টিৰ ফালে
সিহঁতে মোক নৰকৰ বাহিৰে
আন ক'লৈকো নিব নোৱাৰিলে
মই উভতি আহিলোঁ যুক্তিৰ ওচৰলৈ
দেহকাব্যত বোধেই উত্তম অধ্যায়
মন ইন্দ্ৰিয়বোৰৰ অধিনায়ক
কিন্তু আত্মাই সৰ্বোত্তম)

## I am fortunate

I am fortunate enough
To have my birth
On this land of Assam.
I find everything

That I need
And feel for want of nothing
For physical and mental
Progress on the path
Leading towards the foal

**(ভাগ্যপুৰুষ**

মোৰ যে কি ভাগ্য
অসমৰ মাটিত জনমিলোঁ
সবাকে বিচাৰি পালোঁ
মোৰ এতিয়া অভাৱৰহে নাটনি
দেহ-মনৰ প্ৰগতি বাটত
মই যে লক্ষ্য অভিমুখী...)

ঃ ৰাজেন, বৰ ভাগৰ লাগিছে অ'। আজি ইমানবোৰ কথা ক'লোঁ। টোপনিও ধৰিছে। যোৰা নিশা ভাল টোপনি নহ'ল। আই চি ইউৰ নাৰ্ছকেইজনীয়ে বৰ কোৰ্হাল কৰি আছিল। এতিয়া মই শোওঁ।

ঃ দেউতা, তুমি শোৱা। তুমি টোপনি যোৱা, তোমাৰ ভাগত মাৰা। কাইলৈ কাহিলি পুৱাতে উঠি তুমি যে গাব লাগিব 'তেজৰে কমলাপতি'। এতিয়া তুমি শান্তিৰে শুই থাকা দেউতা। তোমাৰ টোপনি শোৱা।

*(সমল ঃ দেউতা প্ৰয়াত সুশীল চন্দ্ৰ বৰুৱাৰ এখন ডায়েৰী।)*

রাজীৱ বৰুৱা

# নৈদানিক



9 789390 919000

Price ₹ : 150.00